# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkotā (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, 18 | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৪/৬. পঞ্চম খণ্ড ষষ্ঠ সংখ্যা

## সূচী


| বিষয় | পৃষ্ঠা |
| --- | --- |
| কবিতা | ২৮১ |
| সম্পাদকের চরা | ২৮২ |
| আহ্বান | ২৮৮ |
| ইংরেজরাজের হুঁকা-চুরি মকর্দ্দমা | ২৯৩ |
| গুরু চিত্র | ৩০৩ |
| অনুন্নত বিবাহ প্রথা আর স্ত্রীশিক্ষা | ৩১০ ~~ ~~ ৩২১ |
| কিষানদের সাড়া? | ৩৩০ |
| বুরুঔর বিবিধ টোকা | ৩৩২ |
| কিতাপর নতুন সমালোচনা | |

# কবিতা।

১

গা ধুই উঠি, চোৰাঁ, প্ৰিয়তমাই
জেতুকী হাতেৰে টানি
দীঘল চুলিকোছা চুচি নি শুকাইছে
আগেদি পৰিছে পানী।

২

কবিৰ চকুজুৰি কবিৰেই নিচিনা,
কল্পনা-খঞ্জনিৰ ফোট
পিন্ধি, সোমাই গৈ কুন্দ্ৰাক্ষৰ জলা,
পালেগৈ সপোন কোঠ।

৩

উলটি আহিল বাতবিটি লৈ,—
কিনো বিপৰীত হায়!
চুলিকোছা বুলি ভ্ৰমত পৰিলা;
কলা মেঘে ওন্দোলায়।
জেতুকী তলুৱা কত নো দেখিলা?
বিজুলী চিক্‌মিকায়।
কোনে ভুৱা দিলে, পানী পৰা দেখা?
মুকুতা বৰষি যায়।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# সম্পাদকৰ চৰা।

পুৰণি কালত আমাৰ পুৰণি গৰগাৱঁত এজন খণ্ডাল লোক আছিল, তেওঁ হেনো লোকৰ ওপৰত খং কৰি নিজৰ পেটটো কাটি ছমাহলৈ শুকনি পকনি খাই পৰি আছিল। আজিকালি—অৱশ্যে গৰগাৱঁত নহয়—জনচেৰেক খণ্ডাল আছে, তেওঁলোকে বাঁহীৰ ওপৰত খং কৰি নিজৰ মাতৃভাষাৰ পেটতে নেলীয়া-কটাৰী, কপি-দা আৰু ডাক্তৰী চুৰি বহুৱাই কাটি অস্ত্ৰ কৰি তাক তেনে কৰি শুৱাই পেলাই থৈছে। ফলত, সেই খং-খোৱা লেখকসকলে মাতৃভাষাৰ নৰীয়া-পাটীৰ ওচৰত বহি লেখা ৰচনাত ভূৰি ভূৰি পেট-কটা-ৰ আৰু খোৱা-দৰ শাৰীৰ লেখা বৰ্ষণ কৰিছে। আমি জানো যে এই দৰে আমি কোৱা বাবে সেই ভূৰিশ্ৰৱাসকলে নৰীয়াৰ পাটীৰ কাষৰপৰাই আমালৈ চাই পেট-কটা-ৰ-ৰচনাৰ ভুকু আতিমুতি কৰি দেখুৱাব, আৰু খোৱা-দক হেচুকি ঠেলি তুলি আমাক একিল দিবলৈ পঠিয়াই দিব। আমি কিন্তু ভাগ্যক্ৰমে দূৰত; সেইবাবে আমাৰ বৰ আশঙ্কাৰ কাৰণ নাই; কাৰণ আমাৰ ওচৰ পোৱাৰ আগেয়ে খোৱা-দ ভাগৰি পৰিব। আৰু তাৰ উপৰি, আস্পতালত থকা "দেৰেচি" দৰোৱান চাপ্ৰাচী আদিয়ে ব্যাপাৰটো সিমান দূৰ আগ বাঢ়িবলৈকে নিদিয়ে; ৰোগীক তেতিয়াই ধৰি নি শুৱাই "দেৱাই পিলাই" দিব, নতুবা সইতৰ চাকৰী নেথাকে।

• • • • •

লোকৰ ওপৰত খং কৰি "চকু"ৰ ঠাইত "চখু" "শিকি"ৰ ঠাইত "শিখি" লেখি থাকিলে সিমান হানি-বিঘিনি নাই, কাৰণ হুৰস্ত লৰাই জেদ কৰি "ভাত নেখাওঁক" "ভাত কেখাওঁ" বুলি থাকিলেও মাকৰ মৰম নেযায়, তাক মাকে আতোপুতো কৰি মাতি আনি বা বলেৰে ধৰি আনি ভাত খুৱাই দিব; কিন্তু সেই লৰাই যদি বাঢ়ি গৈ জেদৰ কোৰ টান কৰি দি "সোমোৱা"ক "সুমুৱা" "ওলোৱা"ক "উলুৱা" "তোলা"ক "তুলা" আদি কৰি ব্যাকৰণ বিভ্ৰাট ঘটায় তেন্তে তাৰ বিপদ সন্নিকট, ভাত দিনৰ পৰ্য্যন্ত ৰাতিৰ হুই হব। লৰাৰ ককায়েকে যদি লৰাটোক বাহিৰত তেনেকৈ দুষ্টালি কৰি থকা দেখি বান্ধনীক তলত লিখা দৰে হুকুম দি কছাৰিলৈ গুচি যায়,—"সি ঘৰ



সুমালে হে তাক ভাত দিবি" আৰু বান্ধনীয়ে যদি বুজে যে সি আন কাকবাক ঘৰত সুমাই দিলে হে তাক ভাত দিবলৈ হাকিমে হুকুম দি গৈছে, তেনে হলে লৰাই দুপৰীয়া ভোকৰ তাপত জেদ এৰি, নিজে ঘৰৰ ভিতৰলৈ সোমাই বান্ধনীক যদি ভাত খোজে তেতিয়া সি যে ভাত নেপায়েই, বান্ধনীৰ বৰা চকু হে দেখিবলৈ পাব, আৰু আবেলি পাঁচ বজাত ককায়েক আহি তেওঁৰ কথাৰ মানেটো বান্ধনীক ভালকৈ বুজাই নিদিয়ালৈকে সি খাবলৈ নেপাই লেকাত লাগি শুকাই পৰি থাকিব লাগিব। এই শাৰীৰ ভুল, এটা আখৰৰ চকিখনত আন এটা আখৰ বহাৰ নিচিনা ক্ষুদ্ৰ ভুল নহয়, যে তাক লাহেকৈ তাৰপৰা তুলি দিলেই লেঠা মৰিব, ই ব্যাকৰণৰ ভুল, আৰু এনে ভুলে কথাৰ মানেকে চিট্‌ভোলোঙা খুৱাই পেলায়। ইংৰাজী গ্ৰামাৰ পঢ়োতে will আৰু shall—ৰ বিভ্ৰাটৰ উদাহৰণ এটা পঢ়িছিলোঁ;—এটা স্কচ্ যেনে নৈৰ পানীত পৰি, পাৰত থকা মানুহক চিয়ঁৰি তাক তুলিবলৈ এই দৰে মাতিছিল "I will drown, no body shall save me" ফলত, পাৰৰ মানুহে ওলোটা বুজিলে; আৰু সি বুৰি মৰিল।

• • • • •

অসমীয়া ভাষা ভালকৈ নজনা লেখকে হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ আৰু হেমকোষ পঢ়ি ভাষা শিকাটো একো অপমানৰ কথা নহয়; এই অভিধান আৰু ব্যাকৰণ ৰজাৰ ঘৰৰপৰা প্ৰজাৰ ঘৰলৈকে সকলেৱে Standard শুদ্ধ আৰু আহি বুলি মানে। জেদ কৰি অশুধ বাক্য আৰু শব্দ লেখি ব্যাকৰণৰ মূৰত লাখি মাৰিবলৈ গলে তেনে কৰোঁজনহে ফটুৱা হয়, আনৰ বিশেষ ক্ষতি নহয়। সোমালে, সুমালে, সুমুৱালে বা সুমুউৱালে, সোমা শব্দটোৰ এই তিনটা আকাৰৰ মানেৰ ভিতৰত অনেক প্ৰভেদ, এটাৰ হতুৱাই আনটোৰ কাম কৰাবলৈ গলে মানেটোত খেলিমেলি লাগি কামত বেবেৰিবাং লাগি পৰিব। "তোলা" "তুলা"ৰও সেই গতিয়েই। এনে অনেক আছে; উদাহৰণ স্বৰূপেহে এই দুটা দেখুৱা গৈছে। বেবেৰিবাং লেখকসকলে থুৱা নথকা কথা চলাবলৈ গলে আগেয়ে তেওঁলোকে ব্যাকৰণ অভিধান ৰচনা কৰি, অসমীয়া ভাষাৰ Standard অৰ্থাৎ সকলোৱে মনা ব্যাকৰণ অভিধানক স্থানচ্যুত কৰিহে তাৰ পিছত এনে "শুৱলা" ৰচনাৰ শেন মেলি দি. পুৰণি ব্যাকৰণ অভিধানৰ

নিয়ম মতে জাকে জাকে উৰি ফুৰা পাৰবোৰ বিনাশ কৰিবলৈ চেষ্টা কৰা ভাল, নতুবা বাবীৰ চুকৰ কোটোহা বাঁহৰ মূঢ়াৰ ওপৰত বহি শিয়াল ৰজা হৈ থাকিলে সেই ৰজাক কোনে মানিব ? কোনো ভাল লেখকে যে তেওঁলোকৰ অনুসৰণ নকৰেই, স্কুল কলেজত পঢ়ি পৰীক্ষা দিবলৈ যোৱা ছাত্ৰবেও কৰিবলৈ গৈ পৰীক্ষাত "ফেল" নামাৰে। অৱশ্যে এনে ৰচনাৰ দ্বাৰাই এটা উপকাৰ হব যে,ছাত্ৰ আৰু অধ্যাপকসকলে ভুল আৰু বিকৃত ৰচনাৰ উদাহৰণ দেখুৱাবলৈ হাততে একোখিলা ছপা ৰচনাৰ কাকত পাব জানিবা।

* * * * *

আমি জানো, আমাৰ এই কথাকেইষাৰ যি সকলৰ গাজত লাগি যাব তেওঁলোকে আমাক গালি পাৰিব, আমাৰ মূৰত কবিৰাজী তেলৰ ব্যৱস্থা দিব ( অৱশ্যে মৰম কৰি এচিচা তেল হলে নপঠিয়ায়, মুখেৰেহে সস্তা মহলা মাৰিব ), আমাক গঙ্গাস্নান কৰি "ঠাণ্ডা" হবলৈ কব। আমি তেওঁলোকক কওঁ যে তেওঁলোকে তাৰ বাবে ছন্মূৰ কৰিব নেলাগে আমি সেইবোৰ কৰি থাকিম, কিন্তু আমাৰ এটি নিবেদন তেওঁলোকৰ ওচৰত বল, যথা, তেওঁলোকে যেন আমাক গালি কেইষাৰ শুদ্ধ কৰি পাৰে, লেখা গালিৰ ৰচনাখন যেন শুধকৈ লেখে, কাৰণ আমি গালি যিমানেই Vulgar অৰ্থাৎ তল-খাপৰ হওক সহিব পাৰোঁ দেখিছোঁ, কিন্তু অশুধ ৰচনা হে সমূলি নোৱাৰোঁ। তাহানি কালিদাসৰো এনে বিলাই-বিপত্তি হৈছিল বুলি শুনিছোঁ। "যেন বাধাত বাধতে" শ্লোকতেই সেই বাতৰি আছে। ইমানকৈ কোৱাতও যদি তেওঁলোকে আমাৰ প্ৰাৰ্থনা অগ্ৰাহ্য কৰি অশুধ গালিৰ ৰচনা ৰচে, তেন্তে আমাৰ কপাল! আমাৰ অদৃষ্ট! আৰু আমি গাম—"অদৃষ্টেৰ ফল, কে খণ্ডাবে বল ? তাৰ সাক্ষী দেখ মহাৰাজা নল।"

* * * * *

এটা কথা এই খিনিতে কৈ সামৰোঁ। আনে "নেৰায়ণ" "ৰেধা" বোলে বুলি এই বেবেৰিবাং লেখকসকলে উপহাস-ৰস উপভোগ কৰে। আমি নিবেদন কৰোঁ যে "নেৰায়ণ" "ৰেধা" কোনেও নোবোলে, আৰু বোলে যদিও বোলেহে, ৰচনাত সি ছপা হৈ নোলায় : কিন্তু এতিয়া বেবেৰিবাং লেখোতা



সকলৰ মুখতে নাথাকি "নেৰায়ণৰ" খোৰনিধৰে সৈতে অনন্ত-শয্যাৰ যে ফোপাউৰি যাবি দুখন জিভাৰে কোৱাৰি চেলেকি গম্ভীৰ ৰচনাত ওপঙি ওলায়, আৰু "ৰেধাৰ" পিছে পিছে শিখণ্ডীকুলীয়া আয়ানো তেওঁলোকৰ বৃন্দাবনৰ নিকুঞ্জ ৰচনালৈ লৰি আহে, এই টোৱেহে আমাক থায় মাৰিছে!

---

# আহুকাল।

তাহানি কলেজত পঢ়োঁতে শুনিছিলোঁ বোলে মানুহৰ নিজৰ অস্তিত্বৰ প্ৰমাণ নাই, অৰ্থাৎ তুমি যে আছা, বা মই যে আছোঁ, তাৰ একো প্ৰমাণ নাই। ই কি কথা বুজিব নোৱাৰিছিলোঁ, কথাটো বলিয়ালি যেন লাগিছিল। এজন পণ্ডিতে হেনো তাকে প্ৰমাণ কৰিলে। তেওঁ বোলে কয় যে তুমি চিন্তা কৰা, এতেকে তুমি আছা ; মই চিন্তা কৰোঁ, এতেকে মই আছোঁ। তোমাৰ মোৰ অস্তিত্বৰ এই প্ৰমাণ। কি গছত-গৰু-উঠা কথা! মই যে আছোঁ ইয়াৰো আকৌ প্ৰমাণ লাগে? কথাটো শুনোতে পোন প্ৰথমতে কিবা যেন লাগে। জগতৰ আন আন গুটীয়া বস্তুৰ লগত থাকি, আৰু গুটীয়া বস্তু দেখি দেখি তুমিও যে জগতৰ এক গোট স্বকীয়া বস্তু, তাত তোমাৰ সন্দেহ নহয়। জগতৰ ইবোৰ বস্তু যেতিয়াই আছে, তুমিও আছা, এই কথা স্বভাৱতে সঁচা যেন লাগে, তাৰ আকৌ প্ৰমাণ কি ? কিন্তু সদায় সকলোৰে তেনেকুৱা নালাগে। অজ্ঞান শিশুক মিচিৰি বুলি শিল এডোখৰ দিলেও সি মুখত দিয়ে। তুমি মইও জগতৰ অজ্ঞান শিশু, শিলকে মিচিৰি বুলি লৈ আছোঁ। বস্তুৰ তত্ত্বলৈ মন নকৰিলে কোনো কথাতে খুকুৰি নোলায়, বাজীকৰৰ সন্দেশ বাতচাও সঁচা যেন লাগে। ইয়াকে তত্ত্বদৰ্শীসকলে ভ্ৰম বুলি কয়। এই ভ্ৰমৰ গুণতেই বোলে আমি এটা বস্তুকে সহস্ৰটা যেন দেখা পাইছোঁ, একমা ব্ৰহ্মকে সহস্ৰ সহস্ৰ, গোট গোট, বেলেগ বেলেগ একোটা যেন দেখা পাইছোঁ। হব পাৰে, কিয়নো, আমাৰো মাজে-সময়ে জগতৰ বস্তু সম্বন্ধে খুকুৰি ওলায়। কথা নুগুণিলে একো নাই, যি দেখোঁ সেয়েই সেই যেন লাগে,

কিন্তু শুনিলে এইটো কি, সেইটো কি, এনেবিলাক সমস্যা ওলায়। জগতৰ বস্তুৰাশিৰ লগত সানমিহলি হৈ থাকিলে বস্তুৰ তত্ত্বলৈ চকু নাযায়, কিন্তু অকলশৰীয়া হৈ দূৰৈৰপৰা চালে জগতখন কিবাকিবি যেন লাগে। এনেকুৱা অৱস্থাতেই তুমি আছা নে নাই, বা তুমি কোন, বা কি, এনেবিলাক আহকলীয়া আসোঁৱহীয়া প্ৰশ্নই মনক নিযোৰ ব্যাকুল কৰে।

এই বিষয়ত আসোঁৱাহ চিৰকাল থাকিব, কিয়নো বিষয়টো মানুহৰ ধাৰণা শক্তিৰ বাজ। তেনে বিষয়ৰ এটা অলৰ-অচৰ খাতাং মীমাংসা হবৰ সম্ভাৱনা নাই। মানুহে বাজৰ জগৎ এৰি নিজৰ চিত্তত বা চিত্তৰ অন্তেসপুৰত সোমাই ইমান কালত ইয়াকে জানিছে, বা জানিছোঁ বুলি বিশ্বাস কৰিছে যে, মানুহৰ শৰীৰটোৱেই মানুহটো নহয়, শৰীৰৰ কৰবাত কিবা এটা আছে, সেইটো হে আচল মানুহ সেই কিবাটো এটা শক্তি বিশেষ, অৰ্থাৎ চিৎ শক্তি, অৰ্থাৎ চৈতন্যময় শক্তি, অৰ্থাৎ ই জীয়া, আৰু ইয়াৰ ভাল বেয়া বুজিবৰ সমৰ্থ আছে। এই শক্তিটো বোলে বিশ্ব ভৰি আছে, আমি বোলে ইয়াক এনেই দেখা নাপাওঁ, কোনো স্থুল বস্তুত আশ্ৰয় ললেহে দেখা পাওঁ। ই বোলে জুইৰ নিচিনা অদৃশ্য বস্তু, অৰ্থাৎ জুই সকলো ঠাইতে আছে, তেও আমি নেদেখোঁ, কেৱল বস্তুত আশ্ৰয় ললে অৰ্থাৎ খেৰ বাহৰ নিচিনা কোনো বস্তুত লাগিলে দেখা পাওঁ। এই সিদ্ধান্ত কৰি. ইয়াৰপৰা উজাই গৈ আৰু সিদ্ধান্ত কৰিছে যে এই চৈতন্যময় কিবাটোৱেই বিশ্বৰ আদি কাৰণ, অৰ্থাৎ ঈশ্বৰ। ই বিশ্বৰ সকলো বস্তুতে আছে, অৰ্থাৎ বিশ্বৰ সকলো বস্তুৱেই চৈতন্যময়, কেৱল কোনো বস্তুত সেই চৈতন্য ভালকৈ বিকাশ পাইছে, কোনো বস্তুত অলপ বিকাশ পাইছে, কোনো বস্তুত মুঠেই বিকাশ পোৱা নাই। এই চৈতন্যময় বস্তুটোৰ বিকাশৰ পৰিমাণ অনুসৰি বস্তুৰ শ্ৰেণীভেদ হয়। শিল মাটি, বা খনিত থকা সোণ ৰূপ আদি জড় বস্তুত চৈতন্যৰ সমূলী বিকাশ নাই, সেইদেখি সেই বস্তুবোৰ জড় হৈ পৰি আছে। কালত চৈতন্য যেতিয়া কিছু বিকাশ পায়, তেতিয়া জড় ৰূপ এৰি সেইবিলাক বস্তু উদ্ভিদ বা গজন জীৱ হৈ ওলায়, আৰু তাতকৈও বিকাশ হলে পশু পক্ষী হৈ ওলায়. তাতকৈও বিকাশ হলে মানুহ হৈ ওলায়।



বস্তু বা বিশ্ব কেৱল সেই চৈতন্যময় কিবাটোৰ প্ৰবাহ মাথোন। আদিৰ চৈতন্যময় শক্তিটোৰ কোনো এটা অংশ কিবা কাৰণত বস্তু হয়, অৰ্থাৎ এটা আধাৰত বন্দী হয়, অৰ্থাৎ পোন প্ৰথমতে জড় বস্তুত বন্দী হয়, তাৰ পাছত অনুক্ৰমে বিকাশ হৈ হৈ মানুহ যোনিত পৰে, তাৰ পাছত আৰু বিকাশ হৈ পুনৰ আদিৰ মূল শক্তিত মিহলি হয়। শক্তিটো কিয় বস্তুত বন্দী হয়, বা কেনেকৈ হয়, তাৰ মীমাংসা শাস্ত্ৰত আছে, কিন্তু সেই মীমাংসা কেৱল ধৰি লব লগীয়া কথা, আমাৰ বোধৰ ভিতৰ হবলৈ তাৰ ভাল প্ৰমাণ নাই. কিন্তু কি কাৰণে, বা কি ৰূপে আদিৰ শক্তি জড়ৰূপ ধৰক নধৰক, জড় বস্তুবো যে চৈতন্য বা জীৱ আছে, এই কথা অবিশ্বাস কৰিবৰ কাৰণ নাই। আধুনিক বিজ্ঞানৰ উপায়েৰে ইয়াক আমি সঠিকৰূপে জানিব পাৰিছোঁ। তেনেহলে বিশ্বৰ সকলো বস্তুৰে চেতনা আছে, আৰু সেই চেতনা মানুহৰ চেতনা একে বস্তু।

চেতনা অনুক্ৰমে বিকাশ পাই কিয়? কোনে কব কিয়? জুয়ে পোৰে কিয়? জুয়ে পোৰাৰ কাৰণ যেনেকৈ কব নোৱাৰি চেতনা বিকাশ পোৱাৰ কাৰণো তেনেকৈ কব নোৱাৰি। পোৰণ জুইৰ স্বভাৱ বা ধৰ্ম্ম। সেইদৰে ক্ৰমে বিকাশ পোৱাও সেই চৈতন্যময় শক্তিটোৰ স্বভাৱ বা ধৰ্ম্ম। এই ধৰ্ম্ম অনুসৰি স্থুল শৰীৰত বন্দী হোৱা চৈতন্যময় শক্তিৰ কণা অনুক্ৰমে বিকশিত হৈ পূৰ্ণ ৰূপ প্ৰাপ্ত হলে, সি বিশ্ব ভৰি থকা শক্তিত মিহলি হয়। অৰ্থাৎ তুমি আদিতে এডোখৰ শিল হৈ কৰবাত পৰি আছিলা, তোমাৰ আত্মা অৰ্থাৎ সেই চৈতন্য শক্তিটোৰ বন্দী হোৱা কণাটি ক্ৰমে বিকাশ পালত সি শিলত বাস কৰিব নোৱৰা হল, যেনে হাঁহৰ কণীত বাস কৰি থকা হাঁহটো বিকাশ পাই কণীত বাস কৰিব নোৱৰা হয়, আৰু বেলেগ এটা শৰীৰ লৈ ওলাই আহে, সেই দৰে শিলত থকা তুমি বিকাশ পাই, শিলত থাকিব নোৱৰা হৈ গজন জীৱৰ ৰূপ ধৰি বিদিত হোৱা। ইয়াৰ পিছত তোমাৰ আত্মা আৰু বিকশিত হয়। তেতিয়া সি অৰ্থাৎ তুমি গছ লতাৰ ৰূপ ধৰি থাকিব নোৱৰা হোৱা, গতিকে এটা লৰি-চৰি ফুৰিব পৰা শৰীৰ গ্ৰহণ কৰা. অৰ্থাৎ প্ৰথমে পশু যোনিত জনম লোৱা। এই শৰীৰত থাকি থাকি আকৌ যেতিয়া তোমাৰ আত্মা আৰু বিকাশ পায়

তিয়া তুমি পশু শৰীৰ এৰি মনুষ্য শৰীৰ গ্ৰহণ কৰা। এই ক্ৰম ধৰি চৈতন্যময় শক্তিৰ আদিৰ কণা শৰীৰ সলাই ফুৰে। জীৱবিলাক এই দৰে উন্নতি কৰি উদ্ভিদৰপৰা পশু, পশুৰপৰা মানুহ হোৱা কথা অবিশ্বাস কৰিবৰ কোনো কাৰণ নাই আধুনিক পণ্ডিতসকলেও এই কথাৰ প্ৰমাণ পাই তাক সঠিক বুলি মানি লৈছে। লিখকে গছৰ পাত গাগিণী হোৱা নিজ চকুৰেই দেখা পাইছে। পাতটোৰ সৰহ ভাগে গাগিণী পোকৰ ৰূপ ধৰিছিল, কেৱল ঠেঙৰ আগ কেইটা আৰু ডেউকাৰ আগ কেইটা পাতেই আছিল। মুখখন সম্পূৰ্ণে গাগিণীৰ মুখৰ আকৃতি ধৰিছিল, তথাপি তেতিয়া পাতটো সৰি পৰা নাছিল, গছৰপৰা তাক ছিঙি আনিব লগীয়া হৈছিল। ছিঙি আনি এৰি দিয়াত বুলি ফুৰিছিল। এই গাগিণীটো প্ৰায় দহ বাৰ দিনমান জীয়াই আছিল, তাৰ পাছত মৰিল। বোধ কৰোঁ অকালত গছৰপৰা ছিঙি ননাহেঁতেন; পূৰ্ণকালত গাগিণীটো নিজেই গছৰপৰা সৰি পৰিল হেঁতেন। সি যেইবা নহওক, গছন জীৱই যে কালত গমন জীৱৰ মূৰ্ত্তি ধৰে ই ধ্ৰুৱ কথা। কিন্তু এই দৰে শৰীৰ পৰিবৰ্ত্তন এদিনত বা এবছৰত নহয়। তুমি শিলৰ মূৰ্ত্তি ধৰি কোন ঠাইত, বা কোন খনিত কিমান যুগ পৰি আছিলা কোনে কব? সেই দৰে গছ বা লতা হৈ তাৰ পাছত পশু হৈ কিমান কাল কত আছিলা তাকো কব নোৱাৰি। এই পৰিবৰ্ত্তনৰ যে কোনো এটা সময় নিৰ্ধাৰিত নাই এনে নহয়। বিশ্বৰ কোনো কথাই উলামুলাকৈ নহয়, সকলো এটা বিধি বা নিয়ম অনুসৰি হয় বা চলে। আমি কোনো কোনো নিয়ম বহুত দিন দেখি দেখি জানিছোঁ। কিমান দিন উমনি দিলে বা কি পৰিমাণ তাপ দিলে হাঁহৰ বা কুকুৰাৰ কণী জগে তাক আমি দেখি দেখি কব পৰা হৈছোঁ। সেই দৰে মানুহৰ বা গৰুৰ বা হাতীৰ পোৱালি কিমান দিনৰ মূৰত ওপজে তাকো কব পৰা হৈছোঁ। কিছুমান কথা চাবৰ উপায় নাই, সেইদেখি সেইবোৰ কথাৰ সময় আমি কব নোৱাৰোঁ। খনিৰ কইলা কিমান দিনত গছ বা লতা হয়, তাক চাবলৈ সুচল নাই, কিমান দিনত বান্দৰে এটা মানুহ হৈ জনম ধৰে, তাকো চাবলৈ সুচল নাই। সেই দেখি তেনেবোৰ কথাৰ বিধি বা নিয়মটো আমি জানিব পৰা নাই। কিন্তু যে এটা মূৰ্ত্তি এৰি আন এটা মূৰ্ত্তি ধৰিবলৈ বহুত যুগ লাগে এই কথাত



একণো সন্দেহ নাই। এই দৰে জন্ম পৰিবৰ্ত্তন হোৱাত নানা ঠাইত তোমাৰ বংশ থাকিব পাৰে। তুমি যেতিয়া গছ বা লতা আছিলা, তেতিয়া তোমাৰ গুটিৰপৰা বা শিপাৰপৰা পুলি হৈছিল, সেই পুলিৰ আকৌ পুলি হৈছিল। গতিকে আজিলৈকে তোমাৰ লতা জীৱনৰ বংশ কৰবাত আছে। হয়তো তোমাৰ পদূলিৰ আগত থকা বকুল গছ জোপাই তোমাৰ উদ্ভিদ জীৱনৰ বংশ। এই দৰে তোমাৰ ঘৰৰ ঘৰীজনী তোমাৰ পশু জীৱনৰ পৰশ হব পাৰে। তোমাৰ ওচৰচুবুৰীয়াৰ ভিতৰত বা আন ঠাইত তোমাৰ মনুষ্য জীৱনৰ বংশ পৰিয়াল থাকিব পাৰে বা আছে। যেতিয়া আদিৰ চৈতন্য কণাটোৱে উন্নতি কৰি মনুষ্য জীৱনৰো ওপৰলৈ যায় তেতিয়া কণা উদ্ধাৰ পায়, অৰ্থাৎ সি আৰু কোনো শৰীৰত বাস কৰিব নোৱৰা হয়। তেতিয়া কণাটো মূল চৈতন্যময় শক্তিত মিহলি হয় বা লীন যায়।

প্ৰাণী মাত্ৰৰে জীৱনৰ এটা নিৰ্দিষ্ট সীমা আছে, অৰ্থাৎ কোন প্ৰাণী কিমান কাল জীব তাৰ সীমা নিৰ্দ্ধাৰিত কৰা আছে। আহত গছ ইমান দিন জীয়ে, তেতেলি গছ ইমান দিন জীয়ে. গৰু ইমান দিন, হাতী ইমান দিন, মানুহ ইমান দিন। এই দৰে সকলো জীৱৰ আয়ুসৰ পৰিমাণ স্থিৰ কৰা আছে। আয়ুসৰ কাল আকৌ শৰীৰৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। ঘোৰাৰ শৰীৰ এনে ভাবে গঠিত যে সি ইমান বছৰতকৈ সৰহ দিন টিকিব নোৱাৰে, হাতীৰ শৰীৰ ইমান বছৰতকৈ সৰহ দিন টিকিব নোৱাৰে। বিবেচনা কৰা এটা আত্মা হাতীৰ শৰীৰ এৰি বান্দৰ হবৰ সময় পূৰ হোৱা নাই, অথচ হাতী বুঢ়া হল, অৰ্থাৎ তাৰ শৰীৰ যিমান দিন টিকিব পাৰে টিকিল, আৰু টিকিব নোৱাৰে; গতিকে সেই হাতী মৰিল। কিন্তু হাতীৰ মূৰ্ত্তি এৰিবলৈ তোমাৰ এতিয়াও সময় হোৱা নাই। এতেকে তোমাক হাতীৰ এটা ন শৰীৰ লাগিল, এতেকে তুমি আকৌ হাতী হৈ জনম ধৰিলা। মনুষ্য শৰীৰৰো সেই কথা। এক বা দহ জন্মত তোমাৰ মনুষ্য শৰীৰ এৰিবৰ সময় নহব পাৰে। তেনে হলে তুমি ঘূৰি ন ন মনুষ্য শৰীৰ লবা. অৰ্থাৎ মানুহ হৈ জনম ধৰিবা। মনুষ্য জন্মতো প্ৰবৃত্তি অনুসাৰে জাতি ভেদ হয়, অৰ্থাৎ যি আত্মাৰ যেনে প্ৰবৃত্তি সেই আত্মাৰ তেনে জাতিত বা বংশত জন্ম হয়। এই বিধি মতে কোনো চণ্ডাল বংশত, কোনো মেটোৰ বংশত,

কোনো ৰাজবংশত জন্ম পায়। এই দৰে নানা যোনি ভ্ৰমি ভ্ৰমি যেতিয়া কাল পূৰ হয়, তেতিয়া তুমি আদি শক্তিত লীন হৈ নাইকিয়া হোৱা। এই অৱস্থাকে শাস্ত্ৰত মোক্ষ বা নিৰ্ব্বাণ বোলে। এই অৱস্থা পাবলৈ অতীজৰ পণ্ডিতসকলে যোগ ধ্যান আদি নানাবিধ উপায় উলিয়াই থৈ গৈছে।

আদিৰ চৈতন্যময় শক্তি নিৰ্ম্মল, সেই দেখি তাক নিৰঞ্জন বোলে। তাৰ পৰা ওলাই অহা কণাবিলাক মলিয়ন। মলিয়ন বোলাত ধূলি বালি লাগি মলিয়ন হোৱা বুলি বুজিব নালাগে। চিত্তৰ মলি ধূলি বালি নহয়, ইয়াৰ মলি কাম ক্ৰোধ লোভ মোহ আদি কুপ্ৰবৃত্তি আৰু দয়া ভক্তি আদি সুপ্ৰবৃত্তি বিলাকহে। আদি শক্তিত এই বিলাকৰ ভাঁজ নাই, ফাটি অহা কণা বিলাকত আছে। যেতিয়ালৈ এই ভাঁজ থাকে তেতিয়ালৈকে কণাটি শৰীৰ ধৰি বেলেগ হৈ থাকে। যেতিয়া ভাঁজ গুছি নিভাঁজ হয়, অৰ্থাৎ নিৰঞ্জন হয়, তেতিয়া সি আদি শক্তিত মিহলি হয়। আদিতে ভাঁজ সোমাল কিয়, সেই কথা নুসুধিবা, কিয়নো তাৰ উত্তৰ দিব নোৱাৰোঁ বুলি আগেয়ে কোৱা হৈছে। এই বিষয়ত অতীজৰ মহাপুৰুষবিলাকৰ ভিতৰতো মতৰ মিল নাই। ধৰি লোৱা যে কিবা কাৰণত নিভাঁজ চৈতন্যত ভাঁজ সোমাই সেই অংশ ফাটি বেলেগ হৈ আছে, আৰু সেয়েই ভাঁজ এৰি নিভাঁজ হবলৈ নানা যোনিত নানা মূৰ্ত্তি ধৰি ফুৰে, পাছে শেহান্তৰত নিভাঁজ হৈ নাইকিয়া হয়, অৰ্থাৎ মাইকী চৈতন্যত লীন হয়। এই ক্ৰম ধৰি আদিৰ চৈতন্য শক্তি খুদ খুদ হৈ ফাটি আহি, নানা জন্ম ধৰি ঢুনাই ঘূৰি আগৰ ঠাই ওলাব লাগিছে, অৰ্থা ন ন খুদ ওলাবই লাগিছে মাৰ যাবই লাগিছে। পানীৰ উতল ধৰিলে যেনেকৈ চামে চামে বুৰবুৰণি ওলাই মাৰ যায়, একে চাম বুৰবুৰণিয়েই নাথাকে, সেই দৰে আদি শক্তিৰো উতল ধৰি আছে বুলি ভাবা। তাতো নানা জীৱ বুৰবুৰণিৰ নিচিনা ওলাই মাৰ যাব লাগিছে। এই বুৰবুৰণিয়েই সংসাৰ বা বিশ্ব। ই কেতিয়াৰপৰা আৰম্ভ হৈছে কোনেও কব নোৱাৰে, আৰু কেতিয়া বা অন্ত হব, বা অন্ত হব নে নহয়, তাকো কব নোৱাৰে।

আদি শক্তিৰপৰা ফাটি অহা কণা, অৰ্থাৎ তুমি বা মই এদিন গৈ সেই শক্তিত লীন হম, কিন্তু আপোনাআপুনি লীন হবলৈ বহুত যুগ লাগে,



আৰু এই দীঘল কালৰ ভিতৰত বহুত বাৰ জন্ম আৰু মৰণ হয়। জন্ম মৰণ বৰ কষ্টদায়ক, সেইদেখি আগৰ মহাপুৰুষসকলে তাকে কমাবলৈ কেতবিলাক উপায় উলিয়াইছিল। যোগ সেই উপায়বোৰৰ এটা, ভক্তিও এটা। যোগ বা ভক্তি পথৰ আলম লৈ চিত্তৰ মলি সোনকালে গুচাব পাৰি, আৰু মলি যিমান গুচে সিমান জন্ম মৰণৰ সংখ্যা কমি যায়, গতিকে কষ্টও কমে। কিন্তু জন্ম মৰণ কমাৰ অৰ্থ কি? যিটি কণা আজি লীন হল, সেইটিয়েই আকৌ ফাটি ওলাই সংসাৰ ভ্ৰমিবলৈ আহে। এই দৰে আয়াযাত কৰিবই লাগিছে। উতলি থকা পানী চৰুত যি চাম বুৰবুৰণি এবাৰ ওলাল, সেই চাম মাৰ গৈ আকৌ এচাম ওলাল। পাছত এই নকৈ ওলোৱা চামত আগৰ মাৰ যোৱা চামৰ কোনোটো নাই নে? কিয় নহব? পানী মাথোন এচৰু। সেই পানীয়েই বুৰবুৰণি হৈ এবাৰ ওলাইছে এবাৰ মাৰ গৈছে, গতিকে মাৰ যোৱা বুৰবুৰণিয়েই ঘূৰি ঘূৰি ওলাব লাগিছে। এই কথাত খুকুৰি হবৰ কোনো কাৰণ নাই। হব পাৰে যে যিটো বুৰবুৰণি ওলাই মাৰ গল ঠিক সেইটোৱেই ঢুনাই নোলায়। কিন্তু পানী মাথোন একে চৰু। সেই পানীৰেই বুৰবুৰণি গঠিত হৈ ওলায়, গতিকে এটা মাৰ যোৱা বুৰবুৰণি সম্পুৰ্ণে ঢুনাই নোলালেও তাৰ যে অংশ এটা ন বুৰবুৰণি ৰূপ ধৰি ওলায়, এই কথা মুই কৰিব নোৱাৰি। তেনেহলে উদ্ধাৰৰ অৰ্থ কি? মোক্ষৰ অৰ্থ কি? জন্ম মৰণৰ দুখ কেনেকৈ কমিল? একে পানীয়েই উতল ধৰি থকৰকাই এবাৰ উঠে, এবাৰ মাৰ যায়, আকৌ উঠে আকৌ মাৰ যায়। উঠিলেই জন্ম, মাৰ গলেই মৰণ, গতিকে জনম মৰণ দিন ৰাতিৰ নিচিনা আহি গৈ আছে, আৰু আহি গৈ থাকিবও। বিশ্বৰ সকলো বস্তুতেই এই বিধিৰ কাৰ্য্য দেখা যায়, ইয়াৰ অন্যথা কতো নাই। তেনে হলে জন্ম মৰণ কমাবলৈ পুৰুষাৰ্থ কিয়? জন্ম মৰণ নিয়তি, সংসাৰৰ মূল কাৰণ, বিশ্বৰ মেৰুদণ্ড। জন্ম মৰণ নাইকিয়া হলে বিশ্ব কেনেকৈ ৰব? বিশ্ব এটা চকৰিৰ ঘূৰণ। ঘূৰণ বন্ধ হলে বিশ্ব নাই। জন্ম মৰণ এটা ঘূৰণ মাথোন, ইয়াক বন্ধ কৰিবলৈ চেষ্ট কৰা, আৰু বিশ্ব লোপ কৰিবলৈ চেষ্টা কৰা একে কথা। কিন্তু এই চেষ্টা বৃথা, কিয়নো, বিশ্বত এনে কৌশল আছে যে তাক লোপ কৰা সম্ভৱ নহয়। বিশ্ব আপুনি চলে, একোৰে আলম নালাগে। আদিতে যি আহৃদি বান্ধি দিছে সেই আহৃদিৰেই তাক চিৰকাল

চলাই আছে, আৰু থাকিব। মানুহে ভাবে যে সিহঁতে ইচ্ছা কৰি মানুহৰ সংখ্যা বঢ়াব বা টুটাব পাৰে। কোনেও সংসাৰ নকৰিলে অৰ্থাৎ সংসাৰ আশ্ৰম গ্ৰহণ নকৰিলে, মানুহ জাতি অচিৰে লোপ পাব। হয়, ইচ্ছা কৰিলে মানুহ জাতি লোপ কৰিব পাৰি, কিন্তু অকল মানুহ জাতিয়েই সংসাৰ বা বিশ্ব নহয়। এই বিশ্বত অনন্ত কোটি জীৱৰ বাস, আৰু সেই বিলাক জীৱ চামে চামে ওলাই মাৰ যাব লাগিছে। তাক বন্ধ কৰিবা কেনেকৈ? বিৰিণাৰ ফৰিংটি, গছৰ চৰাইটি, হাবিৰ হাতী মহ সংসাৰৰ প্ৰজা। সিহঁতে নিয়তিৰ উদ্দিয়নিত সংসাৰ বঢ়াব লাগিছে। সিহঁতক হাক দিবা কেনেকৈ? হাজাৰ বাৰ ভাঙ্গি দিলেও টুনিয়ে তাৰ বাহ বান্ধে আৰু সংসাৰ বঢ়ায়। লক্ষবাৰ ভাঙ্গি দিলেও মৌৱে চাক সাজে তাক হাক দিবা কেনেকৈ? এই দৰে বিশ্বৰ প্ৰাণী মাত্ৰেই সংসাৰ বঢ়োৱাত ব্যস্ত। সংসাৰত সিহঁতৰ ৰাপ দেখিলে বিস্ময় মানিব লাগে। মানুহে যদিও সংসাৰ আশ্ৰম এৰিব পাৰে, আন জীৱ জন্তুৱে এৰিব নোৱাৰে। সংসাৰ কৰা সিহঁতৰ এটা ব্যাধি। সময় পৰিলে সিহঁতে পোৱালি নপৰাকৈ থাকিব নোৱাৰে। মানুহে সংসাৰ আশ্ৰম এৰি লোপ হলেও আনবিলাক জীৱ থাকিব। পানীত মাছ মগৰ, আকাশত চৰাই চিৰিকিটি, হাবিত হৰিণা সদায় থাকিব। এতেকে বিশ্ব লোপ কৰা চেষ্টা নিস্ফল। মানুহ নোহোৱা হব পাৰে, কিন্তু তাৰপৰা বিশ্বৰ কি দইন পৰিব? যেনে বিশ্ব তেনেই থাকিব। পৃথিবী হবৰপৰা কত জাতি জন্তু লোপ হৈছে, আৰু কত ন জাতি ওলাইছে। সেই দৰে মানুহ জাতি লোপ হৈ আন কিবা এক জাতিৰ জীৱ ওলাব পাৰে, বা নোলাবও পাৰে, তাৰপৰা বিশ্বৰ বা সংসাৰৰ হানি বিঘিনি একো নাই। এতেকে আদি শক্তিত লীন যাবলৈ, অৰ্থাৎ মোক্ষ লাভ কৰিবলৈ চেষ্টা কৰাৰ কোনো সকাম নাই, কোনো লাভ নাই।

বিশ্ব লোপ হব পাৰে। যদি আদি শক্তিৰপৰা কেটামান লেথৰ কণা ফাটি ওলাইছে, তাতকৈ আৰু সৰহকৈ ওলোৱা নাই বা নোলায়, তেনে হলে বিশ্ব লোপ হব পাৰে। কিন্তু তালৈ মানুহে কাৰবাৰ কৰিব লাগিছে কিয়? বিশ্বৰ ওৰি কথা যদি সেয়েই হয় তেনে হলে সি কাল পূৰ হলে আপোনা-আপুনি লোপ হব। কিয়নো, ফাটি অহা কণা কালৰ গতিত এটি এটিকৈ উদ্ধাৰ হৈ এক সময়ত শেষ হবই লাগিব, আৰু কণাবিলাক এই দৰে উদ্ধাৰ হৈ শেষ হলে বিশ্ব লোপ হব। কিন্তু সৃষ্টিৰ নিয়মলৈ চালে কেইটামান লেথৰ কণা কোনবা এক যুগত ফাটি আহি সেয়েই ঘূৰি ঘূৰি ভ্ৰমি ভ্ৰমি বিশ্বৰ ৰূপ ধৰা বুলি বিশ্বাস নহয়। বিশ্বৰ সকলো বস্তুৱেই, অৰ্থাৎ গছ লতা, পশু পক্ষী, পোক পৰুৱা চামে চামে ওলোৱা আৰু মাৰ যোৱা দেখা যায়। চকুৰ আগত এই দৃষ্টান্ত দেখিও বিশ্বখন কেৱল কেইটামান লেথৰ বস্তুৰ সমষ্টি বুলি পতিয়াবলৈ বৰ টান। নিশ্চয় বিশ্বখন আদি শক্তিৰ উতল আৰু বিশ্ববাসী চেতন অচেতন সকলো বস্তু সেই উলতৰ বুৰবুৰণি। এয়েই যদি হয়, তেন্তে নিৰ্ব্বান কি? উদ্ধাৰ কি? মোক্ষ কি?

বিশ্বৰ অন্ত আৰু এক ৰকমে হব পাৰে। যদি আদি শক্তি উতলিবলৈ এৰে, তেনে হলে বিশ্ব একে তিলে নাইকিয়া হব। কোনো কোনো দৰ্শনত উতল অনাদি বুলি নকয়। আদি শক্তিৰ উতলক শাস্ত্ৰত স্পন্দন বুলিছে। সেই স্পন্দন হেনো আগেয়ে নাছিল। আগেয়ে আদি শক্তি স্থিৰ চৰিয়াৰ পানী যেন অলৰ-অচৰ আছিল। পাছত কিবা কাৰণত, শাস্ত্ৰত কয় আদি শক্তিৰ ইচ্ছাত, স্পন্দন আৰম্ভ হল। যেই স্পন্দন, সেই বিশ্বৰ উৎপত্তি। যদি আদি শক্তি কেতিয়াবা নিশ্চল আছিল, তেনে হলে কেতিয়াবা আকৌ নিশ্চল হব পাৰে। তেতিয়া বিশ্ব অন্তৰ্দ্ধান হব। বিশ্বৰ যদি এই দৰেই উৎপত্তি, তেও তাক অকালত লোপ কৰিবলৈ চেষ্টা কৰা বৃথা। কাৰণ, যিমান দিন স্পন্দন অৰ্থাৎ উতল থাকে, তুমি ওলাই সোমাই থাকিবই লাগিব। এই আয়াযাতৰ হাত এৰাব নোৱাৰা।

শ্ৰীসত্যনাথ বৰা।

---

## বৰবৰুৱাৰ হাঁহ-চুৰি মকৰ্দ্দমা।

(বাপুৰাম বৰাৰ প্ৰবেশ। বৰবৰুৱা বৰ-চৰাত বহি)

বাপুৰাম। "বৰবৰুৱাদেও সেৱা।"

বৰবৰুৱা। "ওঁ সাম্ৰাজ্ঞী শ্বশুৰে ভব, সাম্ৰাজ্ঞী শ্বশ্ৰ্বাং ভব। ওঁ আয়ুষ্মতী ভব।"

বাপুৰাম। (অবাক হৈ থাকি) "আপোনাৰ কি হল! মোক এইবোৰ কি কৈছে?"

বৰবৰুৱাই। (থমকি) "I see, মোৰ ভুল হৈছিল। ক্ষমা কৰিবা। মানে কথা, মই আজি পুৰা কালিদাসৰ শকুন্তলা নাটকখন পঢ়িছিলোঁ। পঢ়ি ভাল লাগিছিল। লাভৰ ভিতৰত, তাৰ কথা ভাবি থাকোঁতে থাকোঁতে, কন্বই শকুন্তলাক আশীৰ্ব্বাদ দি দুষ্মন্তৰ ওচৰলৈ যাবলৈ বিদায় দিয়া কথাত পৰিছিলোঁহি; এনেতে তুমি ওলাইছাহি। তোমাৰ মুখলৈ মই ভালকৈ নোচোৱাকৈয়ে (চোৱাহেঁতেন তৎক্ষণাত ভুল ভাগিলহেঁতেন, কাৰণ তাত যি গোফৰ কোছা!) মোৰ মনত ভাব উপজিল, যেন ময়ে কন্ব, আৰু তুমি মোৰ জী শকুন্তলা, আৰু শকুন্তলাই মোৰ ওচৰত বিদায় লবলৈ আহিছে। মই সেই হাস্যকৰ ভুলকে কৰি তোমাক শকুন্তলা বুলি আশীৰ্ব্বাদ কৰিছিলোঁ। এই কথা। যি হল হল, তুমি বিষম নাপাবা। কি সকামত নো আহিলা?"

বাপুৰাম। "আপুনি অনেক দিন এই পৃথিবীত আছে; এতেকে—"

বৰবৰুৱা। "মই অনেক দিন থকা দেখি তোমাৰ চকু পুৰিছে নে কি? তুমিও নাথাকা কিয়? তোমাক নো কোনে হাতত ধৰিছে?"

বাপুৰাম। "মোৰ চকু নাই পোৰা। আপুনি দবনিপিটি থাওক, দকচি থাওক, যিমান মন যায় থাওক; থাকে মানে আৰু সন্তোষ হে পাওঁহক। মোৰ অভিপ্ৰায় আন এটা হে। আপোনাৰ জীৱন-চৰিত্ৰ এখন ওলাব লাগে, আমাক বৰকৈ লগা হৈছে। কিন্তু সেই চৰিত্ৰ লেখাৰ ভাৰ দৈববশত যদি মোৰ কান্ধত পৰে, তেন্তে মই গলোঁ দেখিছোঁ। তালৈ মোৰ হাতত সজুলিৰ কুটা এগছো নাই। সেইদেখি এতিয়াৰপৰাই চৰায়ে কুটা গোটোৱাদি দুডাল এডালকৈ সজুলি গোটাবৰ মন কৰিছোঁ। মাজে মাজে আপোনাৰ ওচৰলৈ আহি আপোনাক দুটা এটাকৈ জীৱনৰ ঘটনা শুধি লব খুজিছোঁ। আজিৰেই সেই কাম আৰম্ভ কৰোঁ বুলিছোঁ, যদি আপুনি কৃপা কৰে।"

বৰবৰুৱা। "অ মোৰ জীৱন-চৰিত্ৰৰ কিতাপ কৰি বেচি ধন খাবৰ তোমাৰ মতলব। সেইটো নেচেল। তুমি এতিয়া যাব পাৰা।"

বাপুৰাম। "খং নকৰিব। মোৰ মতলব সেইটো নহয়। সেই কিতাপ বেচি যি ধন উঠিব তাক মই দেশৰ হিতকৰ কাৰ্য্যত হে লগাম। যেনে,—



(১) আমাৰ দেশত আকৌ খেতিটো আকৌ চলিব লাগে। ২, আমাৰ বাৰীয়ে বাৰীয়ে মোহনী ভাঙৰ গছে নিৰ্ব্বিবাদে গজি বাৰী পোহৰাই থাকিব লাগে। বিদেশী মদে আমাৰ দেশৰ পইচা শুহি দেশখন কটঙা কৰিলে। দেশত কানি ভাং এনেই পোৱা বস্তু হলে, আমাৰ মানুহে তাকে খাই থাকিব, মদলৈ হাত নেমেলে, আৰু দেশৰ পইচাও দেশতে থাকিব। এই জীৱন-চৰিত্ৰ কিতাপ বেচি যি ধন পোৱা যাব তাৰে এটা "স্বদেশী ধন ভাণ্ডাৰ" খুলি প্ৰথমতে এই দুই কাৰ্য্যৰ নিমিত্তে তুমুল আন্দোলন কৰিব লাগে। মই এজন "ইকনমিষ্ট" আৰু স্বদেশ হিতৈষী হে।"

বৰবৰুৱা। "তেন্তে ময়ো সন্তোষী হে। মোৰ অৱশ্যে বৰ বঙৰ কথা হব, যদি ভাং আৰু কানি এই দুটি ভায়ে হাতত মোহন বেণু লৈ অসমীয়াৰ পদূলিৰ মূৰে মূৰে বৈ বৈ আকৌ নিৰ্ব্বিবাদে বাই ফৰিব পাৰে। তেনে হলে আকৌ আসামলৈ দ্বাপৰ যুগ উভতি আহিব; আকৌ অসমীয়া গোপিনী সকল সেই বংশীধ্বনি শুনি উজাৱল হৈ বুকুত যেঠনি মাৰি লৰি-ঢাপৰি কৰিব আৰু কাখত মাটি-কলহ লৈ দিখৌ দিহিং দিচাং নৈৰপৰা জাকবান্ধি পানী আনিবলৈ যাওঁতে, বেণুৰ স্বৰ শুনি গৰাত বাগৰি বাগৰি পৰি মাটি কলহবোৰৰ কাণবোৰ ভাঙিব, আৰু উক্ত নৈবোৰে সেই তামোচা চাবৰ নিমিত্তে দিন-দুপৰতে নিৰ্লজ্জভাৱে উভতি উজাই বব; আৰু ইয়াৰ উপৰিও তাহানি কৃষ্ণৰ দিনত গধূলি গৰুৰ খোজত উৰা ধূলিয়ে বৃন্দাবনখন ধুৱঁলি কুৱঁলি কৰি থোৱাদি এতিয়াও ভাঙৰ চিলিমৰ আৰু কানি-টিকিবাৰ পৰা উৰা ধোৱাঁই অসমীয়া ভদ্ৰলোকৰ ঘৰ ধুৱঁলি-কুৱঁলি কৰি থব! অহো! মই এতিয়াই মোৰ জীৱন-চৰিত্ৰৰ সজুলি এটা দিওঁ, তুমি শীঘ্ৰে লেখি লোৱাঁ, লেখি লোৱাঁ, গৌন নকৰিবা।"

বাপুৰাম। "বৰবৰুৱাদেৱ, আপুনি কৈ থাকক, মই মোৰ মনতে জুকিয়াই লৈ থাকিম; ঘৰলৈ গৈ পিছে-পৰেও লেখিম।"

বৰবৰুৱা। "বহুৎ আচ্ছা। শুনা,—এবাৰ মই ৰংপুৰলৈ গৈছিলোঁ। তাত একত্ৰিশ দিন বাস কৰি আছিলোঁ। সঁচা কথা লুকাবৰ সকাম নাই, গধূলি হলেই মই তাত বৰ আহুকাল পাইছিলোঁ। কাৰণ, মদৰ দোকান খাত মুঠেই এখন কি দুখন; আৰু তাৰ ওপৰত চহৰৰ বাৰ অনা লোকৰ চকু।

তাৰ ওপৰঞ্চি, মানুহবোৰ অৰ্থদক্ষ [ orthodox ], অন্ততঃ দেখুৱাই। তেওঁলোকক অৰ্থদক্ষ বুলিবুলি অনৰ্থদক্ষ বোলাটোহে যুগুত, কাৰণ, তেওঁলোক লোকৰ ডেকা-লৰাৰ গাত যিহকে-পায়-তিহকে বদ্‌নাম এটা দি উলিয়াত-বিশেষ পৈণত। ভাল মানুহৰ ভিতৰত কানিৰ সিমান চল্‌তি নাই, কিন্তু ভাঙৰ হলে পোৱা-বাৰ। লৰা, ডেকা, বুঢ়া সকলোৰে হাতত চিলিম, ঘৰে ঘৰে বৈঠকিয়ে বৈঠকিয়ে ভাঙৰ চাটি। আমাৰ দেশৰ বুঢ়ালোকে কয় 'কাৰ্য্যৰ দেখি ভাও। ছাগৰো পথালিৰ পাওঁ।'ময়ো কাৰ্য্যৰ গতি দেখি ভাং-ছাগৰ পাও পথালিবলৈ লাগি গলোঁ। (তুমি নিৰামহীয়া নেকি? বাপুৰাম—নহয় নিৰামহীয়া। কিয় বা শুধিলে?) ভাঙেৰে সৈতে ছাগ মিহলাই উপমা দিছিলোঁ দেখি ভয় হৈছিল, কিজানি তোমাৰ ভাং চুৱাকে কৰিলোঁ। যাওক! গাখীৰৰ বৰ সুবিধা নাপাই তাক খাবলৈ এৰিলোঁ, যদিও মোৰ ভতুৱা বান্ধইতে ফকৰা মাতি মোক বুজাইছিল—'গাখীৰৰ নামে পানীকে খাবা, দোলাৰ নামে সিবিয়াতে যাবা।' মই সেই দুইটাতে অমান্তি প্ৰকাশ কৰি চলিলোঁ। লাভৰ ভিতৰত দেখা গল, খোজ কঢ়োতে মোৰ ভৰিত ফুটবাই ফাটিল, আৰু, ভং খাই গাখীৰৰ অভাৱত "শুকনিবদতি" হলোঁ।

"এদিন ওৰবচুবুৰীয়া এঘৰত গোটাচেৰেক পাতিহাঁহ দেখি মোৰ হাঁহ খাবৰ মন গল। মনক প্ৰবোধ দি কত বুজালোঁ,—যথা, লোকৰ হাঁহ, তাক সহজে মোৰ কৰা টান, কাঁৰিবলৈ হলে পইচা মেলহে হাঁহ চপাব পৰা যাব। কিন্তু সম্প্ৰতি গাঁঠিত পইচাৰ নাটনি। কিন্তু সকলো ব্যৰ্থ হল; মনে বুজনি শুনিব খুজিলেও চকুৱে নুশুনে, চকুৱে শুনিব খুজিলে মনে উচাট মাৰি উঠে। বেজাৰত আপোনাআপুনি গুন্‌গুনাই বঙ্গলা গান ধৰিলোঁ—"মনেৰে বোঝাতে চাই লো, আঁখি তো মানে না। তোৰে বলি ওৰে আঁখি কুপথে যেওনা।" দিনো মোৰ হৃদয়ত হাঁহৰ লোভে নেৰানেপেৰাকৈ খুন্দিয়া-খুন্দি কৰি হিয়া ভাঙিব লগীয়া কৰিলে। হাঁহবোৰে নোকুনোকাই চৰি ফুৰে, মই সিহঁতক আতোপুতোকৈ চাই ফুৰোঁ; সিহঁতৰ নোকনোকনি মোৰ কাণত ৰাগ—ধনশিৰী, তাল—সুহাই যেন লাগে। ব্ৰজৰ গুৱালসকলে তেওঁলোকৰ ধীৱতী গাইবোৰ পথাৰত চৰি ফুৰোতে গাখীৰেৰে ফিন্দ খোৱা গাইবোৰৰ



ওহাৰৰ ফালে এই দৰে চাইছিল নে নাই কব নোৱাৰোঁ, আৰু সেই গাইবোৰৰ হাম্বাৰবো সিহঁতৰ কাণত এনে মধুৰ লাগিছিল নে নাই কব নোৱাৰোঁ। মনত এনেকুৱা কত ভাবৰ ঢৌ উঠি হেন্দো লদোপ কৰে। হাঁহবোৰ চোতালত চৰি ফুৰা দেখি কেতিয়াবা মৃদুমধুৰ সুৰেৰে মোৰ মুখৰপৰা গান ওলায়—

"ও বাম্ হংসিনী গামিনী,
হংসিনী গামিনী,
ধীৰে ধীৰে যায় গো,
হংসিনী গামিনী।
ধীৰে ধীৰে চলে যায়,
নীল বসন উড়ে গায়,
নীল বসন তিতল ঘামে,
কেমনে দাঁড়াবে আমাৰ বামে?
হংসিনী গামিনী॥"

"এদিন ভাবৰ চেপাত কণ-কঠিয়া মৰি তৎমৎ নেপাই এটা অসমীয়া কবিতা ৰচনা কৰিলোঁ। দুবাৰ চাৰিবাৰ কবিতাটো পঢ়োঁতে পঢ়োঁতেই তাত কৰবাৰ কিবা সুৰ এটা আহি লম্ভিলহি। ধন্তেকতে কবিটাটোৰ গাত দেওধনি উঠিল, আৰু কবিতাৰ আখৰবোৰ হাঁহবোৰ যেন দেখিলোঁ, শাৰী বোৰও হাঁহে শাৰী পাতি চৰি ফুৰা যেন দেখিলোঁ। কবিতাটো এই—

লোদোৰ-পোদোৰ হাঁহকেইট
কোন বনে যায় হে।
খোজে খোজে পিছে পিছে
মোৰ মনও ধায় হে।
আম্‌বলীয়া আগত চৰে,
কলা বগা পিছে ফুৰে,
এনে তেলাল হাঁহৰ আঙ্গা
সৰগতো নাই হে।

"ঘৰৰ আগৰ পুখুৰীত হাঁহ চৰি ফুৰোতো কেতিয়াবা কোনোটোক মই মোৰ "খানাৰ মেজৰ" ওপৰৰ চিনা-মাটিৰ থাল বা "ডিচৰ" ওপৰত "গ্ৰেভি" বা ৰসৰ ওপৰত "ৰোষ্ট" হৈ উপডি বহি থকা যেন দেখোঁ, কোনোটোক পাঁহ খাই থকা দেখিলে তাৰ পেটত "ষ্টফিং" কৰি—অৰ্থাৎ খিচ্‌মিচ লং দাল্‌চিনি আদি মচলা দি ঘিউত ৰন্ধা ভাত তাৰ পেটত সুমাই—তাক মোগ্‌লাই ৰোষ্ট কৰি মোৰ আগত দিয়া যেন দেখোঁ, কোনোটাৰে পানীত বুৰ মাৰি খন্তেকলৈ লুকুৱা দেখিলে ভাবোঁ, তাক মোৰ "খান্‌চামাই" ধৰি লৈ গৈছে, এতিয়াই তাৰে মলমলোৱা "কাৰি" আঞ্জা ৰান্ধি সি মোৰ আগলৈ আনিব। ইত্যাদি, ইত্যাদি। সঁচা কথা কবলৈ গলে এনেবোৰ ভাবৰ উৎপাতত মোৰ ৰাতিৰ টোপনিতো ব্যাঘাত ঘটিবলৈ ধৰিলে,—কেৱল কেৱল হাঁহৰ সমাজিক।

"পৰিশেষত মোৰ অন্তৰৰ তুমুল যুজত মই হাৰিলোঁ। এনে চিন্তাৰ বোজাৰ ভাৰ আৰু মই বব নোৱাৰা হলোঁ। মই নিৰুপায় হৈ এদিন আমাৰ ভাতৰ সভাতে সভ্যসকলক মোৰ মানসিক দৌৰ্ব্বল্যৰ বৃত্তান্ত কলত, তেওঁলোকে জাপিয়াই উঠি কলে "অ ইয়াৰ নিমিত্তেই ইমান চিন্তা? আমি আজিয়েই সেই কাৰ্য্য সিদ্ধি কৰিমহঁক। আপুনি ন মানুহ দেখি আমি ইমান দিন আপোনাকে কোৱা নাই,—আমাৰ ভিতৰত ভিতকৰা-সেৱাৰ-ক্লব (সভা) এখনি আছে, সেই ক্লবৰ মেম্বৰ (সমজুৱাসকলে হাঁহ, পাৰ, ৰামপাৰ, আৰু পাঠাৰে দিনো ভোজ ভাত খাবই লাগিছে, কেতিয়াও কোনো হাতৰ পইচা এটিও ভাঙিব লগিয়াত পৰা নাই। আপুনি নতুন লোক দেখি এই কেইদিন আমি আপোনাৰ আলেখ-লেখ চাই আছিলোঁ। আজিৰপৰা আপোনাকো আমি আমাৰ সেই ভিতকৰা-সেৱা-সভাৰ সভ্য কৰি ললোঁহঁক, আজি ৰাতিকৈ আমি, আপুনি দেখা হাঁহেৰেই ভোজ খামহঁক, নিশ্চয় জানিব।"

"কোৱা বাহুল্য যে এই কথা শুনি মোৰ মন আনন্দত আৰু মুখ ৰসত আপ্লুত হল।

"গধূলি হল; মোৰ বহাতে "ভিতকৰা-সেৱা-ক্লবৰ" সমজুৱাসকল গোট খালে। নানা পৰামৰ্শ থিৰ হল; অনেক চিলিম ভাং উদিল। ফলত,



ৰাতি এঘাৰ মান বজাত আমি সেই হাঁহৰ মালিকৰ ঘৰত হাঁহ চুৰ কৰিবলৈ গলোঁ; এয়ে খোলা কথা।

"সমজুৱাসকলৰ বাছনি মতে ময়ে প্ৰথমতে হাঁহৰ গৰাল-ঘৰত সোমাবৰ ভাৰ প্ৰাপ্ত হলোঁ। তেওঁলোকে চোপা দি বাহিৰত থাকিবৰ ভাৰ পালে। মই আগ-বঢ়ুৱাৰ সন্মান পাই নিজক গৌৰৱান্বিত বিবেচনা কৰি বুকু ফুলাই হাঁহৰ গৰালত সোমালোঁ। গৰালত অজ্ঞাতবীয়া জন্তু এটা সোমোৱাত অত্যন্ত অমত প্ৰকাশ কৰি অবিবেচক হাঁহবোৰে চিয়ঁৰি দুৰ্ঘোৰ প্ৰতিবাদ কৰিবলৈ ধৰিলে, আৰু সিহঁতৰ টেঁ টেঁ টেঁ শব্দই গৰাল ভৰি পৰিল। মোৰ হৰ্ষ বিষাদ দুয়োটা হল। হৰ্ষ—সিহঁতৰ সুমধুৰ ধ্বনি শুনি, বিষাদ—গিৰিহঁতে সাৰ পাব ভাবি। সি যিহওক, হৰ্ষই সেই পুৰণি ৰাগ ধৰ্নাশৰী আৰু তাল সুহাইলৈ মোৰ মনত পোলাই দিলে; মই সন্তোষ লাভ কৰি দুৱাৰ-চুকতে আসন গ্ৰহণ কৰিলোঁ। ভাওৰ ৰাগিৰ প্ৰভাৱে যে মোৰ মুৰত নাচিল এনে নহয়, বৰং ঘোল আনাৰ ওপৰে।

"চমু কথা যে, হাঁহৰ চিয়ঁৰত গিৰিহঁত গিৰিহঁতনীৰ টোপনি ভাগিল। দুয়ো লৰালৰিকৈ মুখেৰে চুহ চুহ কৰি হাতত চাকি এটা লৈ গৰালৰ ফালে অহা দেখিলোঁ; মোৰ মনত কি আৰু কেনে ভাব তেতিয়া উদয় হৈছিল মই কব নোৱাৰোঁ, কাৰণ মই ভাঙৰ ৰাগীৰ সম্পূৰ্ণ ৰহতীয়া।" যি হওক অতি সন্তৰ্পণে মই দুৱাৰ-চুকতে বহি ৰলোঁ। ভিতকৰা-সেৱাৰ সভ্যসকল সেই সঙ্কটৰ সময়ত কলৈ গল মই কব নোৱাৰোঁ, সম্ভৱতঃ সেই সভাৰ অধিবেশনৰ উমক্ৰমণিকাতে হাঁহৰ গৰাকীৰ তেনেকৈ অসভ্য ভাৱে তাত প্ৰবেশ হোৱা দেখি তেওঁলোকে বিৰক্তি প্ৰকাশ কৰি স্থান পৰিত্যাগ কৰিলে।

হাঁহৰ গৰাকীয়ে মোক সেই অৱস্থাত পাই কেনে সম্ভাষণ আৰু অভ্যৰ্থনা কৰিলে, সেইবোৰ আৰু তোমাক নকওঁ; কাৰণ অতীতৰ স্মৃতি জাগৰিত কৰাটো কোনো লাভজনক যেন নেদেখোঁ, ইচ্ছা হলে তুমি অনুমান কৰি লব পাৰা,আৰু অনুমান যিমান দূৰলৈকে যায় সিমানলৈকে তাক এৰি দিলেও ভুলৰ সম্ভাৱনা নাই। মুঠতে এইটো কলেই হব, সুমধুৰ সম্ভাষণ আৰু ঢেকীঠোৰাৰে সাদৰ অভ্যৰ্থনা আদি কৰি তেওলোকে শ্ৰীযুক্ত কৃপাবৰ

বৰবৰুৱাক সেই ৰাতিটোৰ নিমিত্তে ঢেকীশালত ঢেকীৰ কটবাৰে সৈতে গনিষ্ঠতা কৰোৱাই পকুৰ পধাৰে কটকটীয়াকৈ বান্ধি বন্দী কৰি থলে। সেই কালত কৃষ্ণক তেনেকুৱাকৈ বন্দী হৈ থকা দেখি বাপেক নন্দই

"হাসিলেক কোনে হেন কৰিলেক বুলি।
বান্ধ মেলি কৃষ্ণক কোলাত লইলা তুলি॥"

লৈছিল; কিন্তু আমি দুখীয়াৰ আয়ো নাই, বোপাইও নাই, কোনে আমাক সেই দৰে বান্ধ মেলি কোলাত তুলি লব? সি যি হওক সেই ৰাতি মোৰ মনত যিবোৰ চিন্তাৰ ঢৌ উঠিছিল, আমাৰ বন্ধু ভট্টাচাৰ্য্য মহাশয় তেতিয়া মোৰ ওচৰত থকাহেঁতেন তেওঁক সেইবোৰ নিশ্চয় লেখি ৰাখিবলৈ কলোঁ হেঁতেন; কিন্তু সেইটো নহল যেতিয়া আপচাচ কৰাৰ সকাম কি? সেই চিন্তা লহৰীবৃন্দৰ এটি লহৰী মাথোন এই যে,—কৃষ্ণকো যশোদাই উৱালেৰে সৈতে এই দৰে বান্ধিছিল; আৰু কৃষ্ণই আঠুকাঢ়ি উৱালটো টানি লৈ গৈ যমল অৰ্জ্জুন গছত লগাই টানি দুইজোপা গছকে উঘালি পেলাইছিল। এতিয়াও যদি মই সেই দৰে এই কটবাৰে সৈতে ঢেকীটো টানি লৈ গৈ হাঁহৰ গিৰিহঁত গিৰিহঁতনী শোৱা ঘৰত লগাই কঁকাল ফিন্দাই বল দিওঁ, তেন্তে ঠিক ঘৰটো হৰহৰ কৰে ভাগি পৰি তাৰ হেচাত দুই বদমাচ শোৱনি-ঘৰৰ পাটীতে মৰি থাকিব। তাৰ পিছতে ততালিকে মনত হল, যে শোৱনিঘৰৰ মুখতে লগা হাঁহৰ গৰাল ঘৰটোও যদি তাৰ লগতে পৰে তেন্তে দেখোন হাঁহাবোৰো মৰি যাব!! উহু, এনে কাম নকৰোঁ। পৃথিৱীত মহাপ্ৰলয় হোৱাটোও মই সহিব পাৰোঁ, কিন্তু যাৰ নিমিত্তে মোৰ এই লটিঘটি তেনে হাঁহৰ আত্মমৰণ মোৰ অসহনীয়। কপালত যি থাকে হওক, তথাপি মই স্বচক্ষে মোৰ প্ৰিয়তমসকলৰ এনে মৰণ নাচাওঁ। হাঁহৰ নিমিত্তেই অত্যাচাৰী অবিবেকী গৰাকী সাৰে যদি সাৰক; তুলসীৰ লগত কলপটুৱাৰ মুক্তি হয় হওক। ইয়াকে ভাবি মই নিৰস্ত হৈ সেই ৰাতি কোনো দুৰ্ঘটনা ঘটাবৰ অভিপ্ৰায় নকৰি ক্ষান্ত দিলোঁ।

"পিছদিনা যি হল সেই ছোৱা তোমাকে সংক্ষেপে কৈ যাওঁ, দ্ৰুত বেগে শুনি যোৱা। মই হাঁহ চোৰ বুলি চালান হৈ গৈ হাকিমৰ ওচৰ পালোঁগৈ। পুলিচ বাদী, মই প্ৰতিবাদী, আৰু হাঁহৰ গৰাকি সাক্ষী। মোৰ অজ্ঞাতসাৰে



আমাৰ ভিতৰুৱা-সেৱা-সভাৰপৰা মোৰ ফলীয়াকৈ এজন উকীল ধৰা হৈছিল দেখিলোঁ; সেই বাবে মই সেই সভাৰ ওচৰত মনতে কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ। অনেক তৰ্ক অনেক জবাব চয়াল হল, সেইবোৰ কৈ আৰু কথা বহলাবৰ মোৰ ইচ্ছা নাই। মোৰ উকিলে point ধৰিলে অৰ্থাৎ বক্তৃতাত ৰবকৈ হেচা দি কলে যে, "বাস্তবিক পক্ষত বৰবৰুৱা হাঁহাচোৰ নহয়, হাঁহ হে বৰবৰুৱাৰ মনচোৰ। আৰু বৰবৰুৱাই হাঁহ চুৰ কৰিবলৈ গৈছিল বুলি যদিও ধৰা যায়,—যদিও সেই কথা কোনো মতেই মই স্বীকাৰ নকৰোঁ।— তেওঁ চুৰ কৰিবলৈ নেপালেহি; অথচ তাৰ আগেয়েই এজাক হাঁহে গোটখাই বেঢ়ি ধৰি তেওঁৰ 'অবল সৰলাবালা' মনটিক অকলৈ পাই চুৰ কৰি লৈ গৈ সিহঁতৰ গৰালৰ ভিতৰত সুমাইছিল। সেই দেখি আচল চোৰ হাঁহহে, বৰবৰুৱা "চোৰাই মালহে"। চোৰাই মালক চোৰ বুলি চালান দিয়াটো পুলিচৰ অত্যাচাৰৰ কথা। আশা কৰোঁ ন্যায়বান হজুৰে এই জুলুমৰ প্ৰতিবিধান কৰি পুলিচক যথোচিত দণ্ডবিধান কৰিব। আৰু মোৰ মক্কেলৰ শাৰীৰিক আৰু মানসিক কষ্টৰ বাবে তেওঁক ক্ষতিপূৰণ দিব লাগে। যদি বৰবৰুৱাৰ কোনো কচুৰ হৈছে বুলি আইনে কয় সি আন একো নহয়, মাত্ৰ tresspass অৰ্থাৎ হাঁহৰ গৰালত অনধিকাৰ প্ৰৱেশ বুলি কব পাৰে কিন্তু পুলিচে তেওঁক সেই ধাৰাত চালানকে দিয়া নাই। অৱশ্যে হজুৰে যে সেই চাৰ্জ ( charge ) অৰ্থাৎ অভিযোগ অনধিকাৰ প্ৰৱেশ ধাৰালৈ ইচ্ছা কৰিলে সলাব পাৰে। সেইটো জানো কিন্তু হজুৰে দয়া কৰি তেনে নকৰিব; কাৰণ বৰবৰুৱাৰ somnumbulism অৰ্থাৎ ঘুমটি-কুৰণ ৰোগ আছে, সেই বাবেহে টোপনিতে সাহি তেওঁ হাঁহৰ গৰালত সোমাইছিল, আন কোনো মন্দ অভিপ্ৰায়ত নহয়। তেওঁক গৰালৰ ভিতৰত দুৱাৰ চুকত টোপনিয়াই থকা অৱস্থাত গিৰিহঁতে পোৱাই মোৰ এই কথা সপ্ৰমাণ কৰে। চুৰ কৰিবলৈ গৈ কোনেও সেই দৰে ধৰা পৰিবৰ নিমিত্তে দুৱাৰ-চুকত টোপনিয়াই ৰহি নাথাকে। সকলো কাৰ্য্যৰ সঙ্গত অসঙ্গত দুটা অৱস্থা আছে; আগৰপৰা গুৰিলৈকে গোটেইটো কাৰ্য্য ভালকৈ চালে দেখা যে মোৰ মক্কেল কোনো মতেই দোষী নহয়। শেহত কওঁ যে, ধৰ্ম্মাৱতাৰ ন্যায় বিচাৰকবুলি প্ৰসিদ্ধ; এনে বিচাৰকৰ হাতত সুকপালৰ গুণে মোৰ

মক্কেল পৰিছে ; এতেকে এই গোচৰত মোৰ মক্কেলে খালাচ পাব বুলি মই সম্পূৰ্ণ আশা কৰোঁ।"

"এই বক্তৃতাৰ পিছত হাকিমৰ মনত আৰু কোনো সন্দেহ নাথাকিল যে মই নিৰ্দ্দোষ। মই খালাচ পালোঁ।

"ইয়াৰ পিছতো থংপুৰত মই দুদিন আছিলোঁ ; কিন্তু বাটকৰা লৰাখনে আৰু মোৰ পক্ষে তাত থকাটো অসম্ভৱ কৰি তুলিলে। সিহঁতে বাটত মোক দেখিলেই "হাঁহ চোৰ! হাঁহ চোৰ!" বুলি কিৰিলি মাৰি মোৰ পিছে পিছে লৰে। মই দেখিলোঁ, বজাৰ ঘৰৰ আদালতততকৈয়ো এটা ডাঙৰ আদালত আছে, সেইটো প্ৰজাৰ আদালত, যাৰ মুখ-পাত হৈছে এই বাটকৰা লৰাবোৰ। বজাৰ আইনৰ আদালতত মই খালাচ পালেও এইখন আদালতত নাপালোঁ এইটো নিশ্চয়। এতেকে এই স্থান পৰিত্যাগেই মোৰ পক্ষে শ্ৰেয়ঃ ; কিয়নো শাস্ত্ৰত কৈছে, "যঃ পলায়তি সঃ জীৱতি।" আৰু বৰা, তোমাক কওঁ যে শাস্ত্ৰৰ বচন অনুসাৰি চলি আজিলৈকে মই ঈশ্বৰক চিন্তি জীয়াই আছোঁ। আজিলৈ যোৱাঁ।"

বাপুৰাম। এটা কথা জানিবলৈ দিলেই মই যাব পাৰোঁ। এই গল্পটাৰ moral অৰ্থাৎ নীতি কি ?

বৰবৰুৱা। তোমাৰ মূৰটো।

বাপুৰাম। তাৰ মানে কি ?

বৰবৰুৱা। তোমাৰ মূৰটো যদি তোমাৰ গলধনৰ ওপৰত থিয় হৈ আছে তাক শোধা; সি মৰেলটো কৈ দিব। Good bye! বচ্! এতিয়া যোৱা।

---



# গুৰুচৰিত্ৰ।

(৫৫)

## ভোবোৰা দামোদৰ।

দামোদৰ নামে এজন বৈষ্ণৱ আছিল; কৃষ্ণ চৰিত্ৰ শ্ৰৱণ কৰিলে প্ৰেমে পুলকিত হৈ ৰোম বিলাক সিঁহৰি উঠে; সেই কাৰণে তেঁওৰ নাম ভোবোৰা দামোদৰ দিছিল। এঁওৰ চৰিত্ৰ বৰ শান্ত; অতিশয় নম্ৰ আৰু হোজা আছিল; মনৰ এক ভাব ভিন্ন দ্বিতীয় নাই। একাদশ শাস্ত্ৰত অত্যন্ত বিশ্বাস সেই কাৰণে আন পুথি লোকে পঢ়িলে, তেঁও শ্ৰৱণ কৰি থাকিলে, আন লোকে যদি জিজ্ঞাসা কৰে; তেন্তে উত্তৰ দিয়ে একাদশ পাঠ কৰিছে। ভোজনৰ নিমিত্তেও একো যত্ন নাই; যিহকে পায় তাকে আহাৰ কৰে। পুৰৈ পাত পাটত দি ছেপি লৈ তাৰ ৰসেও চাউল ভোজন কৰে; সঙ্গীয় ভকত সকলে জিজ্ঞাসা কৰিলে পঞ্চামৃতৰে ভোজন হৈছে বুলি কয়।

এদিন মাঘ মাহৰ প্ৰাতঃ প্ৰসঙ্গ হৈছে, হৰি গোবিন্দ নাম বিপ্ৰ বৈষ্ণৱ এজনে তালৰ ঝুমুৰি লাগি টোপোনিয়াইছে; গুৰুদেৱৰ দৃষ্টি পৰাত জিজ্ঞাসা কৰিছে; বিপ্ৰ আতৈ! টোপনি ধৰিছে হবলা। নহয় বাপ! মূৰত মাখি পৰাতে হে মুৰতি জোকৰা হৈছে। ইমান শীত কালত মাখি পৰেনে? নহয় বাপ! সঁচা কৈয়ে মাখি পৰিছিল। মই টোপনিয়া নাই ; তেতিয়া মহাপুৰুষে ভকত সকলক জনাইছে; আতৈ সকল দেখিছেনে? এওঁ দুই তিনবাৰ মিছা মাতিছে। কমল লোচন নামে ভকত এজন আছিল, প্ৰতিদিন গুৰু সুশ্ৰষা কৰে, সদাই গুৰুৰ পাৰ মৰ্দ্দন কৰি দিলেহে মনত সন্তোষ পায়। এওঁয়ো এদিন মাঘ মাহত কৃষ্ণ কথা শ্ৰৱণ কৰি থাকোতে নিদ্ৰা আহিল! হঠাৎ সাৰ পায় গুৰুৱে দেখিলে বুলি ভয় পায় পিয়াহ লাগিছে যেন ভাব দেখুৱাই হৰিৰ জীয়কৰ ঘৰলৈ গৈছে; ঈশ্বৰ পুৰুষ দেখা পাই হাস্য কৰি সকলো বৈষ্ণৱক জনাইছে ; আমি দেখিছো তেঁও টোপোনিয়াইছিল; এতিয়া ফাঁকি কৰি পানী খাবলৈ যোৱা ভাব দেখুৱাইছে।

সুন্দৰী সত্ৰৰ উত্ৰৰে এটা বিল আছে, তাত ঘাট দুটা এটা ঘাটে উদাসীনে স্নান কৰে, আনটোত আশ্ৰমি সকলে ব্যৱহাৰ কৰে। উদাসীনৰ ঘাটে শ্ৰীৰাম আতা নিশা স্নান কৰিবলৈ গৈছে, কোতৰ পিশাচ বামলৈ উঠি আলচ পাতিছে যে আমালোক তালৰ মাতত থাকিব নোৱাৰা হলো ইয়াৰ পৰা আতৰি যাব লগীয়া হল। আতাই এই শব্দ কৰি ৰাম ৰাম উচ্চাৰণ কৰাত আটাই বিলাকে গিৰ গিৰ শব্দ কৰি পানীত পৰিল। এই কথা মাধৱ দেৱত জনোৱাত সকলো ভকতে মিলি গৈ বিলৰ পাৰত সাত দিন সাত নিশা নাম লৈছে। নামৰ ধ্বনি শুনি লোক সকল চাপিছেহি। ভগৱান শ্ৰীকৃষ্ণেয়ো গৰুড় কন্ধে আৰোহন কৰি সেৱকৰ মনোভিলাষ পূৰ্ণ কৰিবলৈ আহিছে। সত্ৰৰ নিকটত থকা আম গছত পক্ষীৰাজ পতিত হোৱাত আমৰ ডাল খহি পৰিছে; সেই কাঠৰ আসন প্ৰস্তুত হৈছে। পিশাচ বোৰ ছাগ পৰা বিললৈ ভাগি গৈছে। এই বিলাক মহিমা দেখা পায় দুস্বৰি কুচিৰ সকলো লোক আহি ভকত হৈছে। কিন্তু সেই গাঁওৰ ঠাকুৰীয়াই শৰণ লোৱা নাছিল, এদিন গয়াৰ লগত সমাজলৈ আহিছে, মাধৱ দেৱে "ৰামৰ চৰণে শৰণ লৈলোঁ; মানৱী জনম সফল কৈলোঁ" এই ঘোষাটো গাইছে ঠাকুৰিবাই শ্ৰৱণ কৰি তেঁওৰ লগে লগে গাবলৈ ধৰিলে। সেই দিনাৰ পৰা মন ফিৰি শৰণ লৈছে।

এজন ঢেকেৰী ভকত আছিল; সি সদাই মহাপুৰুষক তই বুলি সম্বোধন কৰে। এদিন ভকত সকলে তিৰস্কাৰ কৰাত মনত কষ্ট পাই দুইখান ভাড় লৈ গুৰু সেৱা কৰিবলৈ আহিছে। মাধৱে সুধিছে আজি দেখো তিথি মহোৎসৱ একো নাই, কিয় আহিলা; সি কৈছে তোক তুমি বুলি বলৈ আহিছো। পুৰুষে অতিশয় আনন্দ লাভ কৰি কৈছে; তুমি তয় বুলিলেও সন্তোষ মই একো বিষম নাপাও। কোনো এক সময় অনেক দিন বৃষ্টি নাছিল; লোক সকলৰ মনত কষ্ট হোৱা দেখি মহাপুৰুষে গোবৰ্দ্ধন যাত্ৰা আৰম্ভ কৰি কল গছৰ বৰ ওখ পৰ্ব্বত সজাই এজন ব্ৰাহ্মণৰ হতুৱাই পূজা কৰোৱাৎ মহৎ বৰ্ষণ হৈছে; আন সকল মনুষ্য দৌৰি দৌৰি ঘৰত প্ৰবেশ হল। ব্ৰাহ্মণজন পৰ্ব্বতৰ পৰা নামিবলৈ সময় নেপালে, বৰুণত ভিজি হৈবেধা হল: বৃষ্টি এৰিলত নমাই আনি জুই ধৰি সেকিছে



জাৰ নিবাৰণ কৰাইছে। ভকত সকলে কীৰ্ত্তন ঘৰত বহি চৰিত্ৰ শুনিছে এনে সময়ত এটা হৰিণ বাঘে খেদি আনি মাৰিলে, তেঁওলোকে দৰ্শন কৰি হৰিণ আনি ভক্ষণ কৰিছে; কিছু মাংস পাট বাউসীলৈ পঠাইছে ছালখানি মহাপুৰুষত অৰ্পন কৰিলে। ডোম[১] বিলাকে সুন্দৰিৰ বিলত মাছ মাৰে সদাই পুৰুষত যোগাইহি; এদিন আজ্ঞা লৈছে বাপ! বৰপেটা বিলত মাছ ধৰিবলৈ অনুমতি হক; বাৰু যোৱাহক কিন্তু কাটল মাছ দুটা পাবা, সেই দুটা আমাৰ বৈষ্ণৱ সকলক দিবাহি। ডোমে[১] বাৰখান জালেৰে মাছ মাৰি মাছ দুটা পাই অতি সমাদৰে দি সেৱা ধৰিছে। কিছুমাছ পাট বাউসীলে পঠাইছে। হৰি বল্লভ আতৈক মাথা দুটা দিয়াইছে; বলাই আতৈ সকলোৰে বাঙ্কনি হৈ চাউল সিজাই দিছে, আনন্দ মনেৰে ভোজন কৰিছে। বৈষ্ণৱ সকলে শুৱা ভোজন কৰি হৰি কথা আলাপ কৰিছে এনে সময়ত ধৰ্ম্ম মূৰ্ত্তীয়ে মনোদুখে জনাইছে আতৈ সকল! আমাৰ চাউল মুঠি সিদ্ধ কৰাই মস্কিল হল; ঠাকুৰ আতা মিনতি কৰি জনাইছে; ৰাম চৰণে সিজালে কিবা দোষ হবনে? তেঁও আশ্ৰমি কেনেকৈ পাৰিব, যদি আশ্ৰম এৰি হাতিত থাকে তেন্তে একো দোষ নাই। মহাপুৰুষৰ এই বাক্য শুনি ঠাকুৰ আতা, বৰ বিষ্ণো আতা প্ৰভৃতি অনেক ভকতে ৰাম চৰণক অনুৰোধ কৰিছে, তেঁও আশ্ৰম এৰিব নোৱাৰো বোল প্ৰাৰ্থনা কৰিছে। এই প্ৰকাৰে তিনি চাৰিবাৰ কোৱাতো স্বীকাৰ নকৰিলে; তিনি চাৰি দিন অতীত হল এদিন আবেলি ভকত সকলক মতাই আনি লোন তেল চাউল আনিবলৈ টকা দুটা দিছে, আৰু জনাইছে, আজি গধুলি আমাৰ ঠাইত চাউল সেৱা হব। সকলো দ্ৰব্য বস্তু যোগাৰ হলত গধূলি ৰাম চৰণক চাউল সিদ্ধ কৰিবলৈ আদেশ কৰিছে, তেঁও অনেক আপত্তি কৰিছিল; নানা প্ৰকাৰে বুজনি দিয়াত সন্মত হৈ চাউল সিদ্ধ কৰিছে। পিছত ঠাকুৰ আতা প্ৰভৃতি কিছুমাত্ৰ ভকতে আসোহা ধৰিছে, মাধৱদেৱে কৈছে, ৰাম চৰণে গৃহবাস পৰিত্যাগ কৰো বুলিলে আমি থাকিব নিদিলোঁ। হেতেন, নোৱাৰো বোলাত হে বধা হল, কাৰণ তেঁওৰ মন শুদ্ধ। বিষয়ত বিৰক্ত নোহোৱাত বিষয় এৰিলে সুখৰৰ স্বভাব বোলা যায়। ঠাকুৰ আতা মাধৱ দেৱক প্ৰকাৰান্তে বুজাইছে সুখৰে নিজৰ বিত্ত পৰিত্যাগ কৰি

১। আঠি-মানি শব্দটো অতিৰিক্ত।

আনৰ বিত্ত ভোজন কৰে। মাধৱে দৃষ্টান্তৰে প্ৰকাশ কৰিছে ভূলিঙ্গ পক্ষি মাহেকত এবাৰ মাথোন মাতে আন পক্ষি বোৱকো সেইদৰে হাক দিয়ে, আৰু দেখা সিংহে মাংস আহাৰ কৰি ব'দ লগাই আগ দাঁত নিকতাই পৰি থাকে কাউৰী প্ৰভৃতি খাদক পক্ষিয়ে দাঁতত লাগি থকা মাংস কাঢ়ি খায়। গঁড় মাৰি ভিতৰত সোমাই যুদ্ধ কৰিলে সংশয় নাই ; বাহিৰে যুঁজিলে প্ৰাণৰ ভয় থাকে, এতেকে আমাক দেখি সাহস নকৰিবা ; কৰিলে বিপদ ঘটিব, অতএব গৃহবাস নেৰিবা। এই কথা শুনি সকলো সেৱকে আনন্দ লাভ কৰি বাম চৰণক সাদৰ কৰিছে, তেঁওৰো সকলো বৈষ্ণৱৰ গুৰচত গুৱপান দি প্ৰাৰ্থনা জনাইছে।

দক্ষিণৰ বৰ ভূঁইৰ সকলো মানুহে মাধৱ দেৱক সাদৰি নি দুই মাহ বধাই শৰণ লৈছে ; তাৰ পৰা হাজোলৈ আহি ষোল টকা কপ খৰছ কৰি ৺হয়গ্ৰীৱ-মাধৱ দৰ্শণ কৰিছে। কণ্ঠভূষণ গুক ৰাজ পুৰোহিত আছিল ; সেই কাৰণে কুড়িটা পাইক পাইছিল। তাৰে আঠোটাই সেৱা পূজাৰ কাৰবাৰ কৰে, বাৰটাই ঘৰৰ আন কাম কৰে। তেঁওৰ কুড়ি খান শালগ্ৰাম মূৰ্ত্তি আছিল ; প্ৰত্যহ তিনি প্ৰহৰ বেলি পূজা কৰে। মাধৱ দৰ্শন কৰি মহাপুৰুষ কণ্ঠভূষণৰ তালৈ গৈছে ; ভূষণ গুক পূজাতে আছিল, মাধৱৰ আগমনৰ খবৰ পায়, নমোকৃষ্ণ নমো কৃষ্ণ বুলি জল ফুল অৰ্পণ কৰি, পূজা শেষ কৰি, আগ বাঢ়ি গৈ আলিঙ্গন কৰি আসন দি বহাইছে। মহাপুৰুষে জনাইছে, পূজা পাত কৰা উচিত নহয়, তেঁও উত্তৰ কৰিছে, বৈষ্ণৱ পূজিলে ঈশ্বৰ পূজাৰ আৱশ্যক নকৰে বিশেষ তোমাক পাইছো পূজাৰ প্ৰয়োজন নাই। এই বুলি দৈ চিৰাৰে ভোজন কৰাইছে ; তাতে কেইদিন মান থাকি, পুনৰ সুন্দৰিলৈ আহিছে।

বিপ্ৰ এজনে বহুদিনৰ পৰা মাধৱক ছিদ্ৰ বিচাৰি ফুৰিছে। এদিন ভোজনৰ সময় আহি কৈছে, মাধৱ তুমি শূদ্ৰ তেমোৰ অন্ন গোসাইয়ে নলয় ; কিন্তু উৎসৰ্গা নকৰা অন্নও ভোজন কৰা বিধি নহয়, অতএব তুমি কি প্ৰকাৰে আহাৰ কৰা। মহাপুৰুষে কৈছে বাপু! তোমাৰ দাস দাসী বিনাকক অন্ন তুমি দিয়ানে সিহঁতে তোমাক দিয়ে, বিপ্ৰই কলে আমি দিউ, আমাক কিয় দিব। তেনে হলে আমি প্ৰভুৰ একান্ত শৰনীয়া, ভগৱন্তৰ অৱশেষ



ভোজন কৰো, ব্ৰাহ্মণে নিৰোত্তৰ হৈ প্ৰধান বৈষ্ণৱ বুলি উঠি গল, তাৰ পিছত পুৰুষে আহাৰ কৰিছে।

ইতিপূৰ্ব্বে শঙ্কৰ দেৱে মাধৱক পূবদিশে উত্তৰ পাৰে এজন সন্তক পঠাই দেশৰ লোক সকলক ভকতিয়া কৰিবলৈ আদেশ কৰিছিল, সেই বাক্য প্ৰতি পালনৰ নিমিত্তে গোমাৰ গোবিন্দৰ প্ৰতি আদেশ হৈছে। গোবিন্দ তুমি উত্তৰৰ পূব দেশলৈ যোৱা, দুই তিনবাৰ বাক্য হোৱাতো কোনো উত্তৰ নিদি ৰহি আছিল, নাৰায়ণ ঠাকুৰে কলে, গোবিন্দ তুমি গুৰুৰ বাক্য লেচাৰ কাণত কোৱা যেন ভাবিছা নিকি? তেঁও দুখ মনে উত্তৰ দিছে বাপ! আমি অসমৰ্থ লোক দেশৰ মনুষ্যৰ স্বভাৱ চৰিত্ৰ শুনি মনত ভয় হোৱা হেতু কোনো উত্তৰ নিদি নিৰোত্তৰ হৈছো। ঠাকুৰ আতা কৈছে তুমি ভয় নকৰিবা, গুৰু বাক্য শিৰে ধৰি যাবলৈ প্ৰস্তুত হোৱা, তথাপি গোবিন্দে কৈছে বাপ! আমাৰ মনৰ আশঙ্কা যোৱা নাই। তেতিয়া মাধৱ দেৱ পুৰুষে আদেশ কৰিছে, যদি তুমি একলে যাবলৈ ভয় কৰিছা তেন্তে তোমাৰ ডাইন হাত স্বৰূপ শ্ৰীকৃষ্ণক দিয়া হল। দুইজন আতৈ পুৰুষৰ বাক্য শিৰোগত কৰি গুৱাপান দি প্ৰাৰ্থনা জনাইছে। মাধৱে সমূহৰ সন্মুখে মালা দি আজ্ঞা কৰিছে। তেঁও লোকে বৰ পেটাৰ পৰা পূব মুখে আহি অনেক ঠাইত সত্ৰ বস্তি থাপন কৰি "খটবাত" প্ৰধান সত্ৰ নিৰ্ম্মাণ কৰিছেহি। গোবিন্দ বহু দিন ফিৰি নোযোৱা দেখি প্ৰিয় সখি ঠাকুৰত জনাইছে, তোমাৰ বাক্য ৰাখিবলৈ গোবিন্দে মন কৰিলে হবলা! ঠাকুৰে কোন কথা বুলি শোধাত "লেছাৰ কাণ" এই শব্দটী উচ্চাৰণ কৰোতে আতাই লেছা কণীয়া গোবিন্দ বুলিছে। গোবিন্দৰ বাতৰি কৰিবলৈ তিনিজন ভকতক পাছিছে ; দুই তিন দিন বাটত থাকি নিশা খটবা পাই ৰাত্ৰি যাপন কৰিছে। তেওঁলোকে গোবিন্দৰ ব্যাধৰ কাৰ্য্য দেখি মনত অসহ্য কৰি পুনৰ ফিৰি গৈ গুৰুজনত জনাইছে, বাপ! গোবিন্দ ভালে আছে ; কিন্তু তেও ভকত শুছি ব্যাধ হৈছে। সেৱকৰ দুষ্কৰ্ম্মৰ বাতৰি পায়, মনত দুখ কৰি তেঁওক এৰিবলৈ মত প্ৰকাশ কৰিছে। গোবিন্দ আতৈয়ে এই বাতৰিটী বুজ পায় তিনি খন নাৱ সৈতে দ্ৰব্য বস্ত্ৰ ভৰাদি বৰপেটা পাইছে গৈ। মাধৱৰ খঙ দেখি ঠাকুৰ আতাৰ আশ্ৰয় গ্ৰহণ কৰি ভেটাইছে, কোনোমতে প্ৰবোধ মানা নাই।

পুনঃ পুনঃ তোমাৰ গুৰু মই নহও ; তুমি মোৰ শিষ্য নোহোৱা এই দৰে ৰাগ কৰিছে। ইমান দিন হল তোমাৰ দেখা দেখি নাই, তোমাৰ অপ-কৰ্ম্মৰ পৰা আমাৰ অপযশ হৈছে। আন বিলাক লোকে ভাবিছে শিষ্য যেনে গুৰু তেনে, অতএব আজিৰ পৰা আমাক গুৰু নুবুলিবা। তেতিয়া গোবিন্দে কৈছে, আপোনাক এৰি আনক গুৰু বুলিলে লোকে বেশ্যাৰ স্বভাৱ বুলি কব, সেৱকৰ অপৰাধ হলে সংশোধন কৰিবলৈ ক্ষমা কৰিব লাগে। এই কথা শুনি মাধৱে ৰাজাৰ শৰণ দি কৈছে, আমাক গুৰু নুবুলিবা, গোবিন্দে কৈছে ৰাজাৰ শৰণ আপনি আমাৰ গুৰু। ভকতৰ দৃঢ় ভাৱ দেখি কিছু সান্ত্বনা হল, অলপ হাস্য কৰি জনাইছে আমাক গুৰু বোলাই অনাচাৰ কৰিলে লোকে দূৰ্ন্নাম ৰটনা কৰিব। আজিৰ পৰা সজ ভাৱে চলিবা। তাৰ পিছত এদিন ৰামচৰণক কৈছে ; আমি তোমাক শিষ্য বুলিছো, তেও কৃতাঞ্জলি কৰি জনাইছে আমি যোগ্য নহও। কিন্তু তবু কৃপা গুণে বুলিলে। এই প্ৰকাৰে ঠাকুৰক আজ্ঞা কৰিছে এনে সময়তে খেত্ৰ বিলাতৰ (ক্ষেত্ৰ পৰগণাৰ) লোক সকল আহি মাধৱক সাদৰি নি চৰা বড়িত ৰাখিছে। বহুত লোকে ভকত হৈছে।

বিষ্ণাধৰ নামে এজন দৈবজ্ঞ বিনা আজ্ঞাই অনেক লোকক ভকত কৰাইছে ; এই কথা মাধৱ দেৱৰ কাণত পৰিছে এনে সময়তে তেঁও আহি পুৰুষৰ সাক্ষাৎ কৰিছে ৰাগ প্ৰকাশ কৰি সমাজৰ সাক্ষাৎ জনাইছে ; নৰ-নাৰায়ণ ৰাজাৰ সমাজত হাজাৰ হাজাৰ লোকে শাস্ত্ৰ শুনিলে। ৰাৰজনে হৰি নাম লয়, ৰাৰ বাৰি, ৰাৰ স্কন্ধ ভাগৱত, ৰাৰ মাস, ৰাৰ মাজিৰ সমাজ, বৰপেটা সত্ৰ, এনে অৱস্থাতো তুমি কাৰো আজ্ঞা নোহোৱাকৈ স্বয়ং গুৰুহৈ ধৰ্ম্ম প্ৰচাৰ কৰিলা, এনে ঠাইত থকা ভাল নহয়। এই বুলি যাবলৈ ওলোৱাত অনেক প্ৰাৰ্থনা কৰিছে, ভকতৰ বাঞ্চা পূৰ্ণ কৰিবৰ নিমিত্তে যাবলৈ নহল। তাৰ পৰা জাৱৰি গুছিলৈ আহিছে মুৰাৰী কোছে আগবঢ়াই আনি বাসাঘৰ প্ৰস্তুত কৰি দিছে। পাঠৰ পুথি নথকা হেতু ৰাম চৰণে মুৰাৰীৰ ঘৰত থকা ৰত্নাৱলী পাঠ কৰিছে। পুথিত বহুত ভুল থকা দেখি মাধৱ দেৱে সুধিছে এনে অশুদ্ধ শাস্ত্ৰ কোনে লিখিছিল। মুৰাৰী কলে বাপ্! আমিয়ে লিখিছিলো। পাপী যদি শুদ্ধ কৰি লিখিব নোৱাৰা তেন্তে



কিনি কিয় নানিলি। জাৱৰি কুছিত এক নিশা থাকি ভৱাণী পুৰলৈ গৈছে। তাৰ পৰা কাল ঝাৰলৈ গৈ এক নিশা বাস কৰিছে! তুলা পহিৱা কাপোৰ কিনিবৰ নিমিত্তে যত্নমনিত টকা দুটা খুজিলে তেঁও পৰিল বুলি কলে, কিন্তু সেই টকাৰ লগতে সোনাও আছিল, সুন্দৰিলৈ আহি সকলো ভকতক মতাই আনি কোনে পাইছা বুলি জিজ্ঞাসা কৰিছে, কোনোৱে পোৱা নাই অস্বীকাৰ কৰাতে মনত অসন্তোষ মনে অ ছে, এনে সময়তে বৰ পেটাৰ পৰা ৰামচৰণ ঠাকুৰ আহিছে ; তেঁওক শোধাত মোৰ হাতত আছে বুলি স্বীকাৰ পোৱাত মাধৱদেৱ পুৰুষ অত্যন্ত আহ্লাদিত হৈ আন এটি ঘটনাৰ কথা উল্লেখ কৰি আহ্লাদিত হৈছে।

এজন ব্ৰাহ্মণে স্নান কৰিবৰ সময় সোনাৰ আঙ্গঠিটি পীড়াত ৰাখি স্নান কৰিলে পুনৰ প: ৰধান কৰিবলৈ পাহৰিলে। ভোজনৰ সময় মনত স্মৰণ হৈ আঙ্গঠি পাইছেনে বুলি গৃহিনীত শোধাত প্ৰথমে পোৱা নাই বুলি মিছা মাতিলে। ব্ৰাহ্মণে কলে তেনেহলে আজি আমাৰ আহাৰ নহল, সুবৰ্ণ হেৰালে প্ৰায়চিত্ত হব লাগে। ব্ৰাহ্মণী কলে, ভোজন কৰক আঙ্গঠি পাব, ব্ৰাহ্মণে ৰাগ কৰি কৈছে সোনা পাই মিছা কথা মাতিছ, ভাল হল, চন্দ্ৰায়ন প্ৰায়চিত্ত হব লাগিব, ব্যৱস্থামতে বিপ্ৰ পত্নিক প্ৰায়চিত্ত কৰাইছে। সেইদৰে বোপাই মিছা নামাতিলি বৰ সন্তোষ পালো তাৰ পিছত মহাপুৰুষে স্নান কৰি ভোজন কৰিছে। আহাৰান্তে আটাই বিলাক ভকতক বস্ত্ৰ দান কৰিছে, শ্ৰীৰাম আতাৰ ভাগৰ কাপোৰ দুটা চাণ্ডালৰ সন্তানক দান কৰিছে।

এদিন ঠাকুৰ আতাৰ পুত্ৰ পৰমানন্দ সহিতে সুন্দৰিলৈ গৈছে মনপুৰে যোৱা দেখি মনত বিৰক্ত প্ৰকাশ কৰি কৈছে, পিতাপুত্ৰ দুইজনে থাবলৈ আহিছে। আতাৰ পুত্ৰই চাউল বহাইছিল, উতলিব ধৰিছে, ভৱালিৰ কথা শ্ৰৱণ কৰি, আতাই কলে, বাপা পৰমান্দ চাউল পেলাই ওলাই আহা ঘৰলৈ যাও। পিতৃ বাক্য পালন কৰি চাউল পেলাই যাবলৈ ধৰিছে, এনে সময়তে মাধৱদেৱ পুৰুষে দৰ্শণ কৰিছে, সখি আপোনাক মোহে পালে, এই বাক্য তিনবাৰ প্ৰয়োগ কৰাত, পুৰুষৰ পাৰত পৰি পিতা পুত্ৰে ক্ৰন্দন কৰিছে। তেতিয়া সকৰুণ স্বৰে জনাইছে, প্ৰিয় সখি! মনপুৰে আপোনাৰ মোৰ ভিতৰত কন্দল লাগিলে ভাল পায়।

মাধৱে স্বপ্ন দেখিছে "গুৰু ঈশ্বৰ সোণাৰ জখলাৰে উঠি স্বৰ্গলৈ গৈছে; কিন্তু মাধৱ আৰু ঠাকুৰ আতাক যাবলৈ নিদিলে। প্ৰাতে উঠি এই স্বপ্নটী আতাত জনোৱাত ঠাকুৰ আতা কৈছে, আমি কথা কলে তালৈ অলপো কাণ নকৰে এতিয়া কেনে। কীৰ্ত্তণ ঘোষা সংগ্ৰহ কৰিবলৈ আজ্ঞা হোৱাতো আজিলৈকে নহল, আপুনি সোমাই আছে। ইদিকে দামোদৰে সকলোকে ভকত কৰিলে, এই বাক্যটীৰ প্ৰমাণ স্বৰূপ এটা দৃষ্টান্ত দিছে; এজন সদাগৰে একলক্ষ টাকাৰ জাতি হিঙ্গ কিনিলে, বাণিজ্যত মূল নাথৰি হোৱাত, হাতীৰ মুৰত থলে, সমুদায় জাতি হিঙ্গ গুছি হাতী হিঙ্গ হল, তেতিয়া সকলোৰে কিনি নিলে, বেপাৰ দুগুণে বেচি হল। আপুনি জাতি হিঙ্গ ধৰিছে। মাধৱে কলে তেনে হলে আপুনি থাকু জোকাৰা ভাত খাওক, আমাৰ গাতহে জগৰ লাগিল। নামৰ হালী দেখি চাপৰি মিল নোহোৱাত, গুৰুজন নাৱেৰে আহি ৰপ্লেৰে প্ৰনালী দেখুৱাত পাট বাউসীৰ পৰা উৰ্দ্ধসীৰ হতুৱাই আইক অনাই বুড়ি ভকতনি সকলে সাৰি পাতি নাম গাইছে।

---

# বামুণৰ বিবাহ প্ৰথা আৰু স্ত্ৰীশিক্ষা।

কোনো চিন্তাশীল লোকে অস্বীকাৰ কৰিব নোৱাৰে যে স্ত্ৰী শিক্ষাৰ বাহিৰে দেশৰ প্ৰকৃত কল্যান নহয়। স্ত্ৰী-শিক্ষাইহে জাতীয় জীৱন গঠনৰ একমাত্ৰ সোপান। যি জাতিৰ ভিতৰত স্ত্ৰী-শিক্ষা নাই সেই জাতিৰ উন্নতিও সীমাবদ্ধ। ভাৰতৰ পুনৰ্জ্জীৱনো স্ত্ৰী-শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰিছে। দেশৰ আৰু সমাজৰ উন্নতিৰ আশা-তৰু কেৱল উঠি-অহা লৰাবিলাক আৰু সেই লৰাবিলাকৰ ভাবি জীৱন নিজ নিজ মাকৰ হাতত। মাতৃয়েহে লৰাৰ ভবিষ্যত জীৱন গঢ়িব আৰু তাৰ সু আহি দিব পাৰে। আদিতে গছপুলিটি যি ভাৱে ৰোৱা হয় ঠিক সেই ভাৱেই কালত সি এজোপা ডাঙৰ গছত পৰিণত হয়; গতিকে গুৰিতে পুলিটি কি প্ৰকাৰে ৰোৱা হয় তাৰ নিমিত্তে গা-গছ ভাবি মাকৰ শিক্ষাৰ ফালে সকলোৰে মন দিয়া উচিত। প্ৰথমতে গুটি যেনেকৈ সিচা হয় সেই মতেহে ফলো উৎপন্ন হয়



—"child is the father of the man"—লৰাই গুৰিতে যেনে শিক্ষা পায় সেই শিক্ষা পাছৰ সকলো প্ৰকাৰ শিক্ষাৰ ঘাই ভেটি। "প্ৰাইমেৰী শিক্ষাৰ" গুটি পচোৱা ঘাই ঠাই নিজৰ নিজৰ ঘৰ; ঘৰতেইহে "প্ৰাইমেৰী শিক্ষা" প্ৰথম আৰম্ভ হয়। লৰাৰ এই "প্ৰাইমেৰী" শিক্ষাৰ ওপৰত পিতৃতকৈ মাতৃৰ হাত বেছি; কাৰণ মাকে লৰাক সহজে influence কৰিব পাৰে। কোনো বিপদৰ আশঙ্কা বা ভয়ৰ কাৰণ দেখিলেই লৰাই ততালিকে মাকৰ ওচৰত আশ্ৰয় লয় আৰু মাকৰ ওচৰত থাকে মানে নিজক সকলো ভয়ৰপৰা নিৰাপদ বুলি ভাবে। ভাবি চাওক যাৰ ওচৰত সঘনে আশ্ৰয় লোৱা হয় সেই মাক যদি শিক্ষিতা হয় তেন্তে তেওঁ লৰাক কিমান সহজে ভাল কৰিব পাৰে, কিমান সহজে উচ্চ আশা, মহৎ আকাঙ্খাৰ ভাব লৰাৰ মনত সুমাব পাৰে। সকলো তিৰোতা যদি অজ্ঞান অন্ধাৰৰ কলা চাকনিৰ তলতে পৰি থাকে তেন্তে উচ্চ বংশীয় তিৰোতা আৰু সাধাৰণ তিৰোতাৰ মাজত প্ৰভেদ কি? শিক্ষাইহে একমাত্ৰ ভূষণ। উচ্চ বংশত জন্ম গ্ৰহণ কৰিও অশিক্ষিতা হলে মদাৰ ফুল হব পাৰে আৰু শিক্ষা হলে সাধাৰণ শ্ৰেণীৰ তিৰোতাও গোলাপ ফুল হব পাৰে। শিক্ষাইহে ইদলক সিদলৰপৰা পৃথক কৰিব পাৰে, বংশীয় মৰ্য্যাদাই নহয়। শিক্ষাৰ অবিহনে ভদ্ৰ মহিলাও সাধাৰণৰ শাৰীত পৰে।

বৰ্ত্তমান যুগ সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ যুগ, এই যুগত কোনেও কাকো হেয় জ্ঞান কৰিব নোৱাৰে। এনে এসময় আছিল যেতিয়া স্বামীয়ে স্ত্ৰীক বেটীৰ নিচিনা জ্ঞান কৰিছিল। এতিয়া সেই কাল নাই। আজিকালি সভ্য জগতত সাম্যৰ দিন। স্বামীৰ তিৰোতাৰ ওপৰত যিমান অধিকাৰ তিৰোতাৰো স্বামীৰ ওপৰত সিমান অধিকাৰ। দুয়ো সমান। সংসাৰত মুনিহৰ যিমান স্বত্ব আৰু অধিকাৰ আছে তিৰোতাৰো আন প্ৰকাৰে সিমান স্বত্ব আৰু অধিকাৰ আছে কাৰণ সমাজৰ পূৰ্ণাৱস্থাত মুনিহ আৰু তিৰোতা দুয়ো সমান। তিৰোতাক নিজৰ স্বত্ব বুজাবলৈ হলে আৰু তাৰ সদ্ব্যৱহাৰ শিকাবলৈ হলে স্ত্ৰী-শিক্ষাৰ আৱশ্যক। এই বিশ্বজগতত মুনিহ আৰু তিৰোতা দুয়ো মিল হৈ সুশৃঙ্খলৰূপে কাৰ্য্য কৰিলেহে বিশ্বনিয়ন্তাৰ সৃষ্টিৰ উদ্দেশ্য সিদ্ধি হব। শিক্ষাৰ অবিহনে কোনো

দলে সুশৃঙ্খলৰূপে কাৰ্য্য কৰিব নোৱাৰে। দেশৰ উন্নতি কামনা কৰিলে, সমাজৰ হিত সাধন কৰিবলৈ হলে, ঘৰুৱা জীৱন সুখময় কৰিবলৈ হলে, লৰা ছোৱালীক সৎ শিক্ষা আৰু সৎ উপদেশৰে শিক্ষা দিবলৈ হলে, সকলো সাংসাৰিক কাৰ্য্য নিখুত ভাৱে চলাবলৈ হলে স্ত্ৰী শিক্ষাৰ নিতান্ত আৱশ্যক। সকলো দেশতে আৰু সকলো যুগতে স্ত্ৰী শিক্ষাৰ আদৰ আছে। যি নাৰীৰ মান নেজানে, যি নাৰীৰ হৃদয় নেজানে, যি কেৱল পাশৱ প্ৰবৃত্তি চৰিতাৰ্থৰ নিমিত্তেই নাৰীৰ সৃষ্টি বুলি ভাবে সি স্ত্ৰী-শিক্ষাৰ আদৰ নুবুজে, মানুহৰ শ্ৰেণীত গণ্য নহয়।

স্ত্ৰীশিক্ষাৰ মোল বুজোতাসকলৰ বহুদিন ব্যাপি অশেষ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত আজি ভাৰতে আকৌ স্ত্ৰীশিক্ষাৰ আদৰ বুজা হৈছে, আৰু ভাৰতত তাৰ সোঁত বৰলৈ ধৰিছে। আসামতো স্ত্ৰীশিক্ষাই শিক্ষিত সমাজৰ মন আকৰ্ষণ কৰা যেন দেখি আৰু তাৰ বহুল প্ৰচাৰৰ নিমিত্তে যত্ন কৰা যেন দেখি, দুখুনী আসামৰ চাৰিওফালে ছাটিমৰা কলা ডাৱৰৰ মাজেদি আমি বিৰিকি বিৰিকি ভবিষ্যত আশাৰ এটি জিলিঙনি দেখিছোঁ। অচিৰে ইয়াৰ ফল লাভৰ একো সংশয় নাই। কিন্তু কি হব? তাৰপৰা আসামৰ ব্ৰাহ্মণশ্ৰেণী কেতিয়াবা কিবা উপকৃত হব নে? স্ত্ৰীশিক্ষাৰপৰা যি সুখ পোৱা হয় সেই সুখৰপৰা আসামৰ ব্ৰাহ্মণসকল চিৰবঞ্চিত। তাক কেৱল কায়স্থ আৰু আন বৰ্ণৰ ভাতৃসকলেহে এদনীয়াকৈ ভোগ কৰিব। কায়স্থ আৰু ব্ৰাহ্মণৰ শিক্ষিতা তিৰোতাৰ অনুপাত বিচাৰি চালেই ইয়াৰ প্ৰমাণ পাব। ব্ৰাহ্মণৰ শিক্ষিতা তিৰোতাৰ সংখ্যা শতকৰা শূন্য বুলিলেও একো বেছি কোৱা নহয়। ইয়াৰ কাৰণ কি? স্ত্ৰীশিক্ষাৰ লগত ব্ৰাহ্মণৰ সম্বন্ধ কি? অৰ্থাৎ ব্ৰাহ্মণে তিৰোতাক শিক্ষা দিব পাৰে নে নোৱাৰে? আৰু কিয় নোৱাৰে? ইয়াৰ উত্তৰত অলপ জনা বুজা লোক মাত্ৰেই কব যে ব্ৰাহ্মণৰ বৰ্ত্তমান চলিত বিবাহ পদ্ধতিয়েই তেওঁবিলাকৰ ভিতৰত স্ত্ৰীশিক্ষাৰ থাই কণ্টক। দশ হোৱাৰ পূৰ্ব্বে বিয়া দিয়া নিয়মেই ইয়াৰ প্ৰধান ভেটা। সাধাৰণতে ১০।১১ বছৰ বয়সতে বামুণে ছোৱালী বিয়া দিয়ে, আৰু ১৩।১৪ বছৰ বয়সতে সিইত লৰামাইকী হয়। ১১।১২ বছৰৰ ভিতৰত একো আচল শিক্ষা হব নোৱাৰে। দুই চাৰি জনে ছোৱালীক স্কুললৈ



পঠালেও বিবাহৰ সময় উপস্থিত হলেই সিইত জেলৰ কইদি হয়, আৰু তাৰ লগে লগে সিইতৰ শিক্ষাৰো যৱনিকা পৰে। ব্ৰাহ্মণ সমাজত এই বিবাহ প্ৰচলিত থাকে মানে ব্ৰাহ্মণৰ স্ত্ৰীশিক্ষাৰ লগত একো সম্বন্ধ নেথাকে; গতিকে উন্নতিও নাই। কায়স্থসকলৰ মাজত এই নিয়মটি নথকাৰ নিমিত্তেই তেওঁলোকে ছোৱালীক উপযুক্ত শিক্ষা দিবলৈ সময় আৰু সুবিধা পায় আৰু পাব। স্ত্ৰীশিক্ষা বিষয়ত ব্ৰাহ্মণ যে কায়স্থসকলতকৈ বহুত পাছত তাক কোনেও নুই কৰিব নোৱাৰে। যিমান দিন এই নিয়মটি থাকিব সিমান দিন ব্ৰাহ্মণে তেওঁবিলাকৰ ছোৱালীক উপযুক্ত শিক্ষিতা কৰি তুলিব নোৱাৰে। এই খিনিতে কোনোৱে প্ৰশ্ন কৰিব পাৰে যে স্কুলতকৈ ঘৰত শিক্ষা দিলে নহয় জানো? আমিও একেবাৰে নুই নকৰোঁ। ঘৰত শিক্ষা দিব পাৰিলে বেয়া নহয়, কিন্তু তেনে শিক্ষা কেইজনে দিয়ে বা দিব পাৰে? গিৰিয়েকলৈ চিঠি লিখিব পৰা হলেই আৰু নাটক 'নভেল' আদি পঢ়িব পৰা হলেই শিক্ষাৰ ওৰ পৰিল বুলি প্ৰায় সকলোৱে ভাবে। তেনে 'শিক্ষা' একো শিক্ষা নহয়। Theoretical শিক্ষাৰ উপৰিও তিৰোতাক domestic hygiene, nursing আদি practical শিক্ষা দিয়া উচিত। তিৰোতাই গণিত শাস্ত্ৰত পাৰ্গত হৈ 'একাউনটেণ্ট' বা 'ইঞ্জিনিয়াৰিং' অফিচত কাম কৰাতো বোধকৰোঁ কাৰো ইচ্ছা নহয়। সকলো শিক্ষাৰ মূলমন্ত্ৰ নৈতিক শিক্ষা (moral education)। যি শিক্ষাই একোজনা 'সাবিত্ৰী' 'দময়ন্তী' কৰি তুলিব পাৰে সিয়েইহে আচল শিক্ষা। গতিকে ছোৱালীৰ theoretical শিক্ষাতকৈ practical শিক্ষা ধৰ্ম্ম আৰু নৈতিক শিক্ষাৰ ফালে বেছি চকু দিয়াহে সকলোৰে উচিত।

বৰ্ত্তমান চলিত বিবাহ প্ৰথাৰ সাল-সলনি নকৰিলে আমি এই কুৰি শতিকাৰ সকলো সুবিধা সমানে ভোগ কৰিব নোৱাৰোঁ। আসামত ইয়াৰ সাল-সলনি ঘটাবলৈ বৰ টান নহয়। আমাৰ এমুঠি মানুহ, সকলো একে মত হলেই সেই উদ্দেশ্য সহজে সিদ্ধি হব। সমাজৰ গতি পৰিবৰ্ত্তনশীল; সদায় একেখিৰে নাথাকে। সময়ৰ আৱশ্যকতা বুজি সামাজিক নিয়ম-প্ৰণালীৰ লৰচৰ হয়। পুৰণা আচাৰ ব্যৱহাৰ মামৰে ধৰিলেই নতুন আচাৰ ব্যৱহাৰে তাৰ ঠাই অধিকাৰ কৰে। কাৰণ সমাজত সদায় একে নিয়ম চলি

থাকিলে সমাজৰ প্ৰকৃত উন্নতি হব নোৱাৰে। উন্নতিশীল সমাজত দিনে দিনে নতুন নতুন অভাৱ আহি পৰেহি আৰু সেই অভাৱ পূৰাবলৈ নতুন নতুন নিয়মৰ সৃষ্টি হয়। মানৱ জাতিৰ উন্নতিৰ লগে লগে প্ৰাচীন সামাজিক নিয়ম প্ৰণালী অকৰ্ম্মণ্য হয় আৰু তাৰ ঠাইত সমাজৰ উন্নতিৰ অৰ্থে নতুন নিয়ম-প্ৰণালীৰ আৱশ্যক হয়। এজন কবিয়ে কৈছে—

"The old order changeth
Yielding place to new
Lest one good custom
Shall corrupt the world."

মানুহ যেনে দৰে চলে সামাজিক নিয়মো সেই দৰে গঠিত হয়। প্ৰাচীন কালৰেপৰা বৰ্ত্তমান যুগলৈকে মানৱ জাতিৰ সামাজিক ইতিহাস ( social history ) পঢ়ি চালেই ইয়াৰ তথ্য সুন্দৰকৈ পোৱা যায়। নিজে পতা নিয়ম-প্ৰণালী কাল অনুযায়ী অৱস্থা ভেদে লৰচৰ কৰিব লাগে, যি সময়ত যেনে নিয়মৰ আৱশ্যক সেই সময়ত তেনে নিয়ম-কাৰণ হলেহে সময়ৰ সোঁতৰ লগে লগে আমিও উজাব পাৰোঁ। প্ৰাচীন সমাজে বৰ্ত্তমান সমাজে স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ। পুৰা কালত যেনে আচাৰ ব্যৱহাৰ আছিল সেই মতেই সামাজিক নিয়মবোৰ গঠন হৈছিল, এতিয়া সেই যুগো নাই আৰু ৰজাও নাই। আজি কুৰি শতিকা সেই দিনৰপৰা বহুত আঁতৰত। গতিকে আজিকালিৰ অৱস্থা অনুযায়ী তাক লৰচৰ কৰাৰ আৱশ্যক হৈছে।

বঙ্গ দেশত বাল্যবিবাহ যদিও বেছি ৰকমে প্ৰচলিত তথাপি ইয়াত কোন বন্ধা নিয়ম নাই; যাৰ যেনে ইচ্ছা সেই প্ৰকাৰে দিব পাৰে। তাত বামুণে কন্যাকাল হোৱাৰ পিছতো ছোৱালী বিয়া দিয়া দেখা যায়। সেই কাৰণে তেওঁলোক সমাজত 'পতিত' নহয়! কুলীন বামুণৰ ঘৰত বিয়া দিব নোৱাৰাকৈ ২৫।৩০ বছৰ বয়সলৈকে ছোৱালী থকা সকলোৱে জানে, তথাপি সেই ঘৰ "সমাজ পতিত" নহয়। আসামত হে কেৱল ব্ৰাহ্মণৰ ভিতৰত ছোৱালী বিয়া নিদিয়াকৈ দশ হলে সমাজত পতিত হোৱা প্ৰথা প্ৰচলিত আছে। কোনোবাই যদি নানা অসুবিধাৰ নিমিত্তে বা কন্যাৰ কোনো অভি-ভাৱক নথকাত নিৰূপিত সময়ত কন্যা বিয়া দিব নোৱাৰিলে অথবা বিবাহৰ



পূৰ্ব্বেই কন্যাৰ দশ হল তেন্তে সেই ছোৱালী সমাজবৰ্জ্জিতা হল। সেই ছোৱালী সমাজে কেতিয়াও সামৰিব নোৱাৰে। আন কি সেই ঘৰে সৈতে সমাজৰ হোকাপানী পৰিমিত বন্ধ। কান্দোনত আকাশ পাতাল একেঠাই কৰিলেও তাইৰ "আপীল" অগ্ৰাহ্য। যি প্ৰাকৃতিক নিয়মৰ ওপৰত কাৰো হাত নাই তাৰ বাবে নিৰ্দ্দোষীয়ে অযথা দণ্ড পাব লাগে, ই কেনে অন্যায়! নিজৰ আৰু সমাজৰ উন্নতিৰ অৰ্থে ব্ৰাহ্মণ সমাজে বিবাহ সম্বন্ধে এই হাত ভৰি বন্ধা নিয়মটি তুলি দিয়া উচিত। যাৰ যেনে ইচ্ছা সেই মতে কন্যা বিবাহ দিয়ক। যি "গৌৰী দান" কৰে কৰক, তাত আমি বাধা নিদিওঁ; কিন্তু যি বিবেক আৰু বিজ্ঞানানুমোদিত সময়ত কন্যা বিয়া দিয়ে তেওঁক সমাজে এৰিব নেলাগে, মনুৰ "হিন্দু আইনমতেও" দশ হোৱাৰ পাছত ছোৱালী বিয়া দিলে সেই বিবাহ পতিত নহয়। সৎপাত্ৰৰ অভাৱত বহুত দিনলৈকে ছোৱালী বিয়া নিদিয়াকৈ থব পাৰে বুলি মনুৱে ব্যৱস্থা দিছে। অনুপযুক্ত সময়ত বিয়া দিয়া মানে বাল্যবিবাহ আৰু এই বাল্যবিবাহ হিন্দু শাস্ত্ৰৰ বিৰোধী। গতিকে ই বেদাচাৰ নহয় দেশাচাৰহে। আৰু যি দেশাচাৰ শ্ৰুতি বা স্মৃতি শাস্ত্ৰৰ বিৰুদ্ধ সি গ্ৰাহ্য নহয়! এই বিষয়ে মহা পণ্ডিত মেক্সমুলাৰে লিখিছে যে— "শ্ৰুতি বা স্মৃতি শাস্ত্ৰত বাল্য বিবাহ সমৰ্থিত হোৱা নাই। মনুৰ মতে পুৰুষে ২৪ বছৰ বয়সত বিবাহ কৰি গৃহস্থী হব। উপযুক্ত হলে কন্যা বিয়া দিব।" বালিকা বিবাহৰ বিষয়ে মহানিৰ্ব্বান তন্ত্ৰত লিখিছে যে— "অজ্ঞাত পতিমৰ্য্যাদামজ্ঞাত পতি সেৱানাম্ নোদ্বাহয়েৎ পিতা বালামজ্ঞাত ধৰ্ম্ম শাসনম্।" অৰ্থাৎ "যি বালিকাই পতি মৰ্য্যাদা, পতি সেৱা নেজানে আৰু ধৰ্ম্মশাসন অৱগত নহয় পিতাই তেনে বালিকাৰ বিবাহ নিদিব" ইয়াত যদিও কোনো বয়সৰ কথা উল্লেখ কৰা নাই তথাপি যি তিনটা কথাৰ উল্লেখ কৰিছে—পতি সেৱা, পতি মৰ্য্যাদা আৰু ধৰ্ম্মশাসনৰ জ্ঞান—সেই তিনটি কথা ১৭। ১৮ বছৰ বয়সৰ কমে ছোৱালীক কেতিয়াও শিক্ষা দিব নোৱাৰি।

যেতিয়া ভাৰতৰ প্ৰকৃত গৌৰৱৰ দিন, যেতিয়া উপনিষদ্ আৰু ষড় দৰ্শনৰ অভ্যুদয় হৈছিল তেতিয়া প্ৰাচীন আৰ্য্যসকলৰ মাজত বাল্য-বিবাহ প্ৰচলিত নাছিল। এতিয়াহে ভাৰতৰ হীনবুদ্ধি কুপুত্ৰবিলাকৰ মাজত বাল্য-বিবাহ প্ৰচলিত হৈছে। যিসকল প্ৰধান প্ৰধান আৰ্য্য নাৰীৰ নাম প্ৰত্যেকৰ

ঘৰে ঘৰে সেই সকলোৰে যৌবন কালত বিবাহ হৈছিল। সীতা, সাবিত্ৰী, দময়ন্তী, কুন্তী, দ্ৰৌপদী, উত্তৰা, ৰুক্মিণী প্ৰভৃতি সকলোৰে যৌবনত বিয়া হৈছিল। মহাভাৰত ৰামায়ণ আৰু পুৰাণাদি পঢ়িলে যৌবন-বিবাহৰ বৃত্তান্ত পোৱা যায়। ইয়াৰ বাহিৰেও পূৰ্ব্ব কালত নিজে স্বামী নিৰ্ব্বাচন কৰা প্ৰথা আছিল। সাবিত্ৰীয়ে নীজে পতি বাছি লৈছিল। আৰু প্ৰাচীন কালত স্বয়ম্বৰ প্ৰথাও আছিল। এই সকলো বৃত্তান্তই পুৰা কালত বাল্য-বিবাহ নথকাতো সম্পূৰ্ণ প্ৰমাণ কৰিছে।

উক্ত নিয়মৰ পৰিবৰ্ত্তন কৰিলে কেৱল যে স্ত্ৰী-শিক্ষাৰ বাট হে মুকলি হয় এনে নহয়। তাৰপৰা কেবা প্ৰকাৰেও উপকাৰ হয়। সেই নিয়মৰ লৰচৰ কৰিলে কি কি ফল বা উপকাৰ হয় তাক এতিয়া চোৱা যাওক।

প্ৰথম, ওপৰত উনুকিৱা বাল্য-বিবাহ লুপ্ত হয়। আজিকালি সভ্য জগতত বাল্যবিবাহ কোনেও আদৰ নকৰে আৰু সেই গুণে তাৰ দিনক দিনে হ্ৰাস হবলৈ ধৰিছে। তাৰ বিষময় ফলৰ কথা শিক্ষাৰ আভাষ পোৱা লোক মাত্ৰেই জানে। Hindu marriage Reform League অৰ কথা বোধকৰোঁ প্ৰায় সকলোৱে শুনিছে। 'মিচ টেনেণ্ট' (Miss Tennant) এই 'লিগৰ' এজনা প্ৰধান কাৰ্য্যকাৰিকা। তেওঁৰ অসীম আৰু অব্যৰ্থ উদ্যোগত আজি এই লিগে প্ৰায় গোটেই ভাৰতত শিপাইছে। এতিয়া ইয়াৰ সৰ্ব্বমোট ৯৬টি শাখা। বাল্য-বিবাহ নিৰ্ম্মূল কৰাই এই 'লিগৰ' প্ৰধান উদ্দেশ্য। অনেক পণ্ডিতৰ, অনেক ভদ্ৰলোকৰ আৰু অনেক ভদ্ৰ মহিলাৰ যোগদান আন্তৰিক সহানুভূতি আৰু উৎসাহৰ দ্বাৰাই এই 'লিগ' বহুত ঠাইত কৃতকাৰ্য্য হৈছে, এই 'লিগৰে' এটি শাখা আমাৰ আসামতো হোৱা উচিত। সিদিনা ইয়াৰ বাঁকিপুৰ শাখাৰ বছেৰেকীয়া সভাত মিচ, টেনেণ্টে কৈছে—"* * * It is idle to expect little mothers of 12 years or so to care for their children in the way they ought to, because they are never taught to do so. * * * * It is cruel and painful to see cares and anxieties of wifehood and maternity devolving on girls while yet of tender age." দৰাচলতে এজনী কোমল বয়সীয়া ছোৱালীৰ ওপৰত একেলগে পত্নিত্ব আৰু মাতৃত্বৰ ভাৰ দেখিলে বৰ শোক লাগে। আৰু তেনে ছোৱালীয়ে নিজ সন্তান সন্ততিৰ উপযুক্ত তত্বাৱধান লব নোৱাৰে। যি ঘৰত এতিয়াৰেপৰা দুপতীয়া হৈছে সেই ঘৰৰ চলন-ফুৰণ এদি হঠাতে অন্য এঘৰৰ চলন-ফুৰণ লোৱা কোমল বয়সীয়া ছোৱালীৰ নিমিত্তে বৰ কষ্টকৰ হৈ পৰে। অনেক সময়ত কোমল বয়সত গৃহিণী খাটিব লগা হোৱাত আৰু কোমল বয়সেতে লৰামাইকী হব লগা হোৱাত ভাল স্বাস্থ্যৰ ছোৱালীও প্ৰায়েই বেমাৰী হোৱা দেখা যায়।



আৰু প্ৰায় তিৰোতা আগ বয়সত নিৰোগী হৈ থাকিলেও মাজ বয়সতে বেমাৰী হোৱা দেখা যায়, বুঢ়ী হলেতো কথাই নাই। ইয়াৰ কাৰণ কি? ইহাৰ প্ৰধান কাৰণ বাল্য বিবাহেই নহয় নে?

মহা মহা বৈজ্ঞানিক পণ্ডিত ডাক্তৰ সকলে এক বাক্যে স্বীকাৰ কৰিছে যে তিৰোতাৰ প্ৰায়বিলাক ৰোগেই কোমল বয়সত পতি-সহবাস আৰু গৰ্ভধাৰণৰ পৰাই উৎপত্তি হয়। কোমল বয়সত হোৱা সন্তান দুৰ্ব্বলেন্দ্ৰিয় নিস্তেজ আৰু অল্পায়ু হয়।

বৈজ্ঞানিক পণ্ডিতসকলে আকৌ কয় যে ভাৰতৰ মানুহৰ প্ৰায়েই ৪০-৫০ বছৰ বয়সৰ ভিতৰতে মৃত্যু হয়, তাৰ এটা থাই কাৰণ বাল্য বিবাহ। যক্ষা ৰোগো বাল্য বিবাহৰপৰাই বেচিকৈ হয় বুলি বিজ্ঞানবিদ্‌সকলে কয়।

কোনোৱে কব পাৰে যে তেওঁবিলাক বিলাতী ডাক্তৰ আৰু বিলাতী শিক্ষা পোৱা মানুহ, তেনেহলে আমাৰ প্ৰাচীন আয়ুৰ্ব্বেদ শাস্ত্ৰত সুশ্ৰুতে কি কয় চাওক।

"উন ষোড়শ বৰ্ষাণামপ্ৰাপ্তঃ পঞ্চবিংশতিং
যদ্যাধত্তে পুমান্ গৰ্ভং কুক্ষিস্থঃ সবিপদ্যতে,
যাতো বা ন চিৰং জীবেৎ জীবেদ্বা দুৰ্ব্বলেন্দ্ৰিয়ঃ
তস্মাদত্যন্ত বালায়াং গৰ্ভাধানং ন কাৰয়েৎ।"

ইয়াৰ তাৎপৰ্য্য এই যে পুৰুষৰ ২৫ বছৰ আৰু স্ত্ৰীলোকৰ ১৬ বছৰৰ কমে সন্তান উৎপত্তি হলে সেই সন্তান গৰ্ভতে মৰে। যদি জন্মগ্ৰহণ কৰে, দীৰ্ঘ জীৱি নহয়, আৰু যদি দীৰ্ঘজীৱিও হয়, সি দুৰ্ব্বলেন্দ্ৰিয় হয়। আমাৰ বৰ্ত্তমান বিবাহ প্ৰথামতে ১৩।১৪ বছৰৰ বয়সতে প্ৰায় ছোৱালী লৰামাইকী

হয়। গতিকে সেই শ্লোকমতে বিবাহৰ বয়োবৃদ্ধি কৰা আমাৰ প্ৰাচীন আয়ুৰ্ব্বেদ শাস্ত্ৰয়ো সম্পূৰ্ণ সমৰ্থন কৰিছে। হিন্দুৰ চিৰবিশ্বাস যে আয়ুৰ্ব্বেদ শাস্ত্ৰ মহাদেৱৰ সৃষ্টি; তেন্তে কোন হিন্দুয়ে শিৱ-বাক্য অৱমাননা কৰিবলৈ সাহস কৰে? সকলো শাস্ত্ৰ মানো যেতিয়া আয়ুৰ্ব্বেদ শাস্ত্ৰ নো নেমানিম কিয়?

দ্বিতীয়ত, বহুতে সময়ৰ অভাৱত দাইকৈ সমাজৰ ভয়ত লৰালৰিকৈ ছোৱালী বিয়া দিব লগাত পৰে। আৰু সেই কাৰণেই অনেক সময়ত কন্যা দান নহয়। বিবাহৰ বয়স বৃদ্ধি কৰিলে এনে বিধৰ আহকাল প্ৰায় কমিব আৰু সৎপাত্ৰ পোৱা যাব।

প্ৰায় অধিকাংশ লোকেই ছোৱালী উপযুক্ত কৰি সৎ পাত্ৰত বিয়া দিয়াতো নিজৰ কৰ্ত্তব্য কাম বুলি নেভাবে। কন্যা জন্ম হলেই মূৰত ঈশ্বৰৰ অভিশাপ পৰিল বুলি বহুতে ভাবে আৰু সেই মতে যেই সেই এটাক—কানীয়াই হওক বা ভঙ্গুৱাই হওক চোৰেই হওক বা মুৰ্খেই হওক—ছোৱালীজনী গতাই দিব পাৰিলেই সেই শাপৰপৰা মুক্ত হল বুলি ভাবে। এনে বিধৰ উদাহৰণ আমাৰ হাতত বহুতো আছে। কি কৰিব? সমাজৰ ভয়ত নিৰুপায় হৈ কন্যা দাতাই তেনে কৰিবলৈ বাধ্য হয়, কাৰণ ইফালে ছোৱালী কন্যাকাল হলেই "ই কুলো গল সি কুলো গল"। গতিকে ততাতৈয়াকৈ কোনো মতে আপদ সাৰিব পাৰিলেই ৰক্ষা। এনে স্থলত বহুত সময়ত ছোৱালীৰ ইহকাল আৰু পৰকাল দুয়ো যায়। কেতিয়াবা সেই ছোৱালী সকলো সুখৰপৰা চিৰবঞ্চিত হৈ ঘূৰি বাপেক-মাকৰ ঘৰত আজন্মকাল থাকিব লগীয়া হয়হি। তেতিয়া মূৰৰ বোজা গুচক চাৰি দুগুণে বেছিহে হয়। সেই দুখৰ জলন্ত ছবি সদায় চকুৰ আগত চাই থকা যে কি ভয়ানক শোক লগা তাক কেৱল ভুক্তভোগীয়েহে জানে। যি বাপেক ককাকৰ বয়সীয়া, যি শাস্ত্ৰানুসাৰে বনলৈ যোৱাই উচিত তেনে লোকেও এজনী ১০।১১ বছৰ বয়সীয়া ছোৱালী বিয়া কৰিবলৈ যায়; কি ভীষণ দৃশ্য! আমাৰ কি নীতিবোধ! ধন্য সমাজ!

তৃতীয়ত, বহুত ছোৱালী প্ৰায় ১৫।১৬ বছৰ বয়সেতে বিধৱা হোৱা দেখা যায়। আৰু স্বামীৰ দৰ্শন নোপোৱা আৰু বিবাহ কি, স্বামী কি তাক বুজ নোপোৱা ছোৱালী বিধৱা হোৱাও ব্ৰাহ্মণ সমাজত বিৰল নহয়। বিবাহৰ বয়োবৃদ্ধি হলে এনে বিধৰ বিধৱা নিশ্চয় কম হৈ যাব। ভাবি চাওক ১১ বছৰ বয়সত বিয়া দিয়া ছোৱালী এজনী যদি ১৬ বছৰ বয়সত বিয়া দিয়া হয় তেন্তে তাইৰ দিনে দিনে বাৰী হোৱা শঙ্কা (chance) ৩৬৫×৫ গুণে কমি যাব। সেয়ে হলে বৰ্ত্তমান বিধৱাৰ সংখ্যা বহুত গুণে হ্ৰাস হব বুলি আমি আশা কৰিব পাৰোঁ। ইফালে বিবাহৰ বয়োবৃদ্ধি হলে বিধৱা-বিবাহ চলোৱাৰো আৱশ্যক নহব। কায়স্থসকলৰ বিধৱাৰ সংখ্যাতকৈ ব্ৰাহ্মণৰ বিধৱাৰ সংখ্যা বহুত বেছি। তাৰ কাৰণ কি? বৈজ্ঞানিক পণ্ডিতসকলে কয় যে অকাল মৃত্যুৰ এটা কাৰণ বাল্য-বিবাহেই, তেনেহলে আমি নিজে নিজেই তাৰ কাৰণ নহয় নে?



চতুৰ্থত, আসামৰ ব্ৰাহ্মণসকলৰ সাধাৰণ অৱস্থা চাওক, শতকৰা ৮০ জনৰ অৱস্থা কোনোমতে টাক্‌টোক কৈ থাব পৰা। গতিকে এনে অৱস্থাৰ বহুতে সুত ভৰি টকা ধাৰ কৰি আনি সমাজৰ ভয়ত নিৰুপিত সময়ত ছোৱালী বিয়া দি কন্যাদায়ৰপৰা হাত সাৰে। আৰু শেষত সেই ধাৰত নিজৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰো শ্ৰাদ্ধ হয়। বিবাহৰ বয়োবৃদ্ধি হলে বহুতে নিজৰ সুবিধা অনুসৰি ছোৱালী বিয়া দিব পাৰে। "দিন পালে ক্ষেণ পায় আৰু ক্ষেণ পালে অজৰ অমৰ হয়"।

"কন্যাদয়" বড় দায়। মধ্যাৱস্থাৰ লোকৰ পক্ষে ছোৱালী বিয়া দিয়াতো এক প্ৰকাৰ দুৰুহ হৈ পৰিছে। সিদিনা অলপতে কলিকাতা মহানগৰীত কন্যাদায়ৰ এটি হৃদয়বিদাৰক শোচনীয় পৰিণাম ঘটিল। এজন মধ্যাৱস্থাৰ ব্ৰাহ্মণে তেওঁৰ কন্যাৰ বিয়াৰ নিমিত্তে পৈতৃক সম্পত্তি সকলো বন্ধক দি নিজে সৰ্ব্বস্বান্ত হবলৈ স্থিৰ কৰিছিল, পিছে তেওঁৰ কন্যা "স্নেহলতা দেৱীয়ে" যাৰ বিয়াৰ নিমিত্তে বাপেক সৰ্ব্বস্বান্ত হবলৈ ওলাইছিল, এই কথাৰ ভু পাই সৰ্ব্বাঙ্গ শৰীৰত কেৰছেন তেল ঢালি, জুইচলা-কাঠিৰে জুই লগাই দি, সমাজত নাৰীৰ মান নাই, স্ত্ৰী শিক্ষাৰ আদৰ নাই, নাৰীপ্ৰেমৰ প্ৰতিদান নাই, যি সমাজ কুসংস্কাৰ সঙ্কীৰ্ণতাৰে পৰিপূৰ্ণ, যি সমাজে হেজাৰে হেজাৰে বিধৱা ঘৰত নিৰ্ভয়ে পুহিব পাৰে কিন্তু অবিবাহিতা উঠন ছোৱালী ৰাখিলেই ১৪ পুৰুষ নৰকত পৰিব বুলি ভাবে, যি সমাজত যোগ্যৰ লগত অযোগ্যৰ, অশিক্ষিতৰ লগত শিক্ষিতৰ মিলন ঘটিব লাগিছে, যি সমাজৰ

মুনিহবিলাক স্বাৰ্থপৰ, যি সমাজত গাভৰু জীয়েক বিধবা অথচ বাপেক কুমলীয়া মাহীমাকৰ প্ৰেমত বিভোৰ, সেই সমাজক নেওচা দি, তেনে কুসংস্কাৰক ধিক্কাৰ দি ইহলীলা সম্বৰণ কৰি, পিতৃক কন্যাদায়ৰ পাপৰপৰা মুক্ত কৰিলে। এজনী 'স্নেহলতাৰ' জীৱন উৎসৰ্গই আজি গোটেই বঙ্গদেশ তোলপাৰ লগাইছে। সমাজত এনে বিবাহ প্ৰথা চলিত থাকে মানে তেনে শত শত স্নেহলতা যে মৰিব তাৰ কোনো সংশয় নাই। আশাকৰোঁ স্নেহলতাৰ এই জীৱন্ত বলিদানে আসামৰ ব্ৰাহ্মণ সমাজৰো টোপনি ভাঙ্গিব আৰু সমাজৰ পৰা এনে কুসংস্কাৰ গুচাবৰ নিমিত্তে অন্তৰত বল দিব।

যি নিয়মে তিৰোতা সমাজৰ মহৎ ক্ষতি আৰু অনিষ্ট কৰিছে, যি বিবাহে বিধৱাৰ সংখ্যা বৃদ্ধি কৰিছে, যি বিবাহ প্ৰথাই অসৎ পাত্ৰৰ লগত মিলন ঘটাইছে, যি কুচ্ছিত প্ৰথাই শাৰীৰিক অৱনতি ঘটাইছে, যি দুৰ্নীতিয়ে অকাল মৃত্যু মাতি আনিছে, যি আচাৰে স্ত্ৰী, পুৰুষ, আৰু সন্তানৰ গুৰুতৰ অনিষ্ট সাধন কৰিছে, যি স্ত্ৰীশিক্ষা নহলে দেশৰ আৰু সমাজৰ প্ৰকৃত কল্যান নহয় তেনে স্ত্ৰী শিক্ষাৰ যি কণ্টক, আৰু যি বাল্য-বিবাহ হিন্দু শাস্ত্ৰ বিৰোধী, তেনে প্ৰথা কেতিয়াও বিবেকানুমোদিত হব নোৱাৰে। তেনে প্ৰথাৰ নিতান্ত সালসলনৰ আৱশ্যক। চিৰপোষিত সংস্কাৰ যুক্তিবিৰুদ্ধ আৰু অনুচিত হলেও তাক ৰক্ষা কৰিব লাগে, দেশীয় প্ৰথা অনিষ্টকৰ হলেও তাক নিখুত ৰাখিব লাগে তেনে নহয়। এতেকে দেশীয় প্ৰথা নিখুত ৰাখিবৰ নিমিত্তে বিজ্ঞান আৰু বিশুদ্ধ যুক্তিৰ অনুমোদিত সিদ্ধান্ত অৱহেলা কৰাৰ সমান আৰু কি অন্যায় আছে? এজন কৰিয়ে কৈছে "The voice of nature is the voice of G.d'— প্ৰকৃতিৰ বাণীয়েই পৰমেশ্বৰৰ বাণী।" বিজ্ঞানে স্পষ্ট দেখুৱাইছে যে বাল্য-বিবাহ আমাৰ শাৰীৰিক অৱনতি আৰু ক্লেশৰ কাৰণ ইয়াৰ দ্বাৰাই স্পষ্ট বুজা যায় যে ই পৰমেশ্বৰৰ আদেশবিৰুদ্ধ। কিন্তু আমাৰ কোনো কোনে সমাজৰ নেতাসকলে আমি কোনো যুক্তিপূৰ্ণ সাৰুৱা কথা কলে সেইটি আমাৰ দোষ বুলি ভাবে আৰু সেই দোষ আমাৰ ইংৰাজি শিক্ষাৰ ওপৰত আৰোপ কৰে; কেৱল "যত দোষ নন্দঘোষ"। সেই কাৰণে কওঁ— সত্যৰ জয় হওক।

শ্ৰীদুৰ্গাপ্ৰসাদ বৰঠাকুৰ।



# কিমানলৈ সাজু?

শিক্ষা, শক্তি আৰু স্বভাৱ অনুসৰি বিভিন্ন মানুহে বিভিন্ন ৰকমে জীৱনৰ বাটেদি আগবাঢ়ে। এই হিচাপে মানুহ তিনি বিধ বুলিব পাৰি :—

(১) এক শ্ৰেণীৰ শিক্ষিত মানুহ আছে তেওঁবিলাকে নিজৰ বা পৰৰ অতীত অভিজ্ঞতালব্ধ জ্ঞানৰাশিৰ সহায় লৈ প্ৰবৃত্তিৰ মুখত সংযমৰ লেকাম পিন্ধাই, যুক্তিতৰ্কক পথপ্ৰদৰ্শকৰূপে গ্ৰহণ কৰি, অতি সন্তৰ্পণে, আগপাছ চাই, জীৱনৰ বাটত খোজ দিবলৈ যত্নবান হয়। তেওঁবিলাক, অৱস্থা অনুসৰি, কেতিয়াবা ঢৌটো মূৰ পাতি লৈ তাৰ তলে সৰকিবলৈ লাজ নকৰে। ঠিক সেই দৰে, আৱশ্যক হলে, ঢৌৰ ওপৰেদি বঠা মাৰি যাবলৈকো ভয় নকৰে। এই শ্ৰেণীৰ মানুহে, স্বভাৱতঃ একোটা লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যৰ ফাললৈ আগবাঢ়িবলৈ ধৰে। এওঁবিলাক যদি এলাহশূন্য, কৰ্ম্মশীল আৰু দৃঢ়সঙ্কল্প মানুহ হয় তেন্তে এই সংসাৰত মনুষ্য-শক্তি-সাধ্য কামৰ ভিতৰত এওঁবিলাকে কৰিব নোৱাৰে এনে কাম অতি কম ওলাব। "এওঁবিলাকে কৰিব নোৱৰা কাম নাই" নুবুলি "এওঁবিলাকে কৰিব নোৱৰা কাম অতি কম ওলাব" বোলাৰ কাৰণ এই যে ঈশ্বৰৰ হাত সকলোতকৈ ওপৰ "Man pro- poses, God disposes." কিন্তু এইটোও মনত ৰাখিব লগীয়া যে, God helps those who help themselves." এই বিবিধ মানুহৰ উদ্দেশ্যটো যদি সৎ হয় আৰু তেওঁবিলাক নিজে যদি ধৰ্ম্মভাবাপন্ন হয় তেনে হলে এনে মানুহৰ দ্বাৰাই জগতৰ অশেষ উপকাৰ সাধিত হয়। এওঁবিলাক ইয়াৰ বিপৰীত প্ৰকৃতিৰ মানুহ হলে সমাজৰ পক্ষে বৰ ভয়ানক কথা।

(২) আৰু এবিধ মানুহ আছে তেওঁবিলাকৰ দকৈ আগ পাছ ভাবি চাবৰ শক্তি নিচেই কম। প্ৰবৃত্তিয়ে যি ফাললৈ টানি নিয়ে সেই ফাললৈকে হেমুৰকৈ আগবাঢ়ে। এওঁবিলাকৰ প্ৰকৃতিটো পশুৰ লগত বেছ মিলে। বনৰীয়া মহ বা গাহৰীৰ দৰে, সাময়িক উত্তেজনাৰ কোবত, এওঁবিলাকে ৰাইফোল বন্দুকৰ মুখলৈকে আগবাঢ়ি যাব পাৰে। কেতিয়াবা আকৌ

ছাতিটোলৈকে ভয় কৰি লৰ মাৰে। এইবিধ মানুহৰ আগত যুক্তি তৰ্ক কৰা মিছা। স্বভাৱতে তেওঁবিলাকে যিটো কৰিবলৈ ভাল পায় সেইটো কৰিবলৈ তেওঁবিলাকে পাৰতপক্ষে চেষ্টা নকৰাকৈ নাথাকে। অৱশ্যে দমৰাগকৰ মুখত কোব মাৰি তাক ঘুৰাই দিয়াৰ দৰে ঘুৰাই দিলে, সি বেলেগ কথা।

(৩) আৰু এক শ্ৰেণীৰ মানুহ আছে তেওঁবিলাকৰ নিজৰ ব্যক্তিত্ব (individuality) সমূলি নাই। তেওঁবিলাকে উজানৰ মাছৰ দৰে জাকৰ লগত উজাই বা ভটীয়াই যায়। কোনটো কাম ভাল, কোনটো কাম বেয়া, তেওঁবিলাকে যে সেইটো সমূলি চিনিব নোৱাৰে তেনে নহয় যুক্তিতৰ্কেৰে বুজাই দিব পাৰিলে তেওঁবিলাকৰ অভ্যাসৰ বিৰুদ্ধ ভাবকো তেওঁবিলাকে ভাল বুলি মুখেৰে স্বীকাৰ কৰে। কিন্তু কাৰ্য্যত নিজৰ স্বভাৱ কেতিয়াও নেৰে। অৱস্থাৰ সোতৰ প্ৰতিকূলে চলিবৰ উদ্যম আৰু সাহ এওঁবিলাকৰ নাই। মুঠতে নিজৰ কামৰ ওপৰত এওঁবিলাকৰ নিজৰ হাত নাই।

এনে বহুত মানুহ আছে যিবিলাকৰ গতি, বিভিন্ন সময়ত, ওপৰত কৈ অহা তিনিবিধ মানুহৰ একাধিক বিধৰ প্ৰকৃতিৰ বিকাশ দেখিবলৈ পোৱা যায়।

সি যি কি নহওক, ওপৰত কৈ অহা তিনি বিধ মানুহৰ প্ৰথম বিধলৈ চকু ৰাখিহে মই এই প্ৰবন্ধটি লেখিবলৈ আগবাঢ়িলোঁ। যিসকলৰ প্ৰকৃতি প্ৰথম বিধ মানুহৰ প্ৰকৃতিৰ লগত মিলে, কিম্বা যিসকলে তেওঁবিলাকৰ কাৰ্য্য পদ্ধতিটো শলাগে ( admire কৰে ) আৰু তাৰ অনুকৰণ কৰিবলৈ ইচ্ছা কৰে, তেওঁবিলাকে এই প্ৰবন্ধটি পঢ়ি কিঞ্চিৎ উপকৃত হলেও হব পাৰে। কিন্তু যিসকলে, বৰৰ এঠাৰ দৰে হেঁচাত চাপ খাই যোৱা আৰু টানিলে বাঢ়ি যোৱাটোক চৰিত্ৰৰ দুৰ্ব্বলতা বুলি বিবেচনা কৰে—আৰু তেনে অৱস্থাত কাঠৰ দৰে মটক্‌ কৰে ভাগি যোৱাটোকে শ্ৰেয়ঃ বুলি বিবেচনা কৰে,—তেওঁবিলাকে এই প্ৰবন্ধটি পঢ়ি সন্তোষ পাবৰ আশা নাই। সেই কথা তেওঁবিলাকক মই আগেয়েই কৈ থওঁ।

বিপদৰ গুৰুত্বটো সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিবলৈ অথবা শত্ৰুৰ শক্তি সামৰ্থ্যৰ বিষয়ে সবিশেষ অৱগত হৈ সেই বিপদৰপৰা উদ্ধাৰ পাবৰ বা



সেই শত্ৰুক চেৰ পেলাবৰ জোখাৰে নিজৰ যোগ্যতা আৰ্জ্জি লোৱাকে সাজু হোৱা বোলে। বিপদৰ গুৰুত্ব বা শত্ৰুৰ শক্তি সামৰ্থ্য ইত্যাদিলৈ সমূলি ভ্ৰূক্ষেপ নকৰি, আৰু প্ৰতিপক্ষক চেৰ পেলাব পৰা-নোৱৰা বা নিজে ৰক্ষা পোৱানোপোৱা বিষয়ে,—"বেপৰোৱাই" হৈ, নিজৰ পূৰ্ণশক্তিৰে নিজৰ ঠাইত, বিপদ বা শত্ৰুৰ নিমিত্তে প্ৰস্তুত হোৱাকো সাজু হোৱা বুলিব পাৰি। কিন্তু এইদৰে সাজু হোৱা বিষয়ে আলচ কৰাটো এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য নহয়।

স্বাভাৱিক শক্তিৰে সাধাৰণ মানুহ এটাই বাঘ বা তেনে আন কোনো হিংস্ৰ জন্তু এটাক বলে নোৱাৰে। নিজৰ যোগ্যতাৰে হিংস্ৰ জন্তু প্ৰভৃতিৰ যোগ্যতাক চেৰ পেলাবৰ নিমিত্তে, মানুহৰ অবিশ্ৰান্ত চেষ্টাৰ ফলতহে আজি নানাবিধ আগ্নেয়াস্ত্ৰৰ উৎপত্তি। উত্তাল সমুদ্ৰতৰঙ্গৰ আগত মানুহৰ স্বাভাৱিক শক্তি নিচেই নগণ্য। তাৰ ওপৰতো আধিপত্য কৰিবৰ অবিশ্ৰান্ত চেষ্টাৰ ফলতহে আজি নানা ৰকমৰ ভাপ-নাৱৰ সৃষ্টি। পৃথিবীৰ্থন আহলে-বহলে বৰ ডাঙৰ কিন্তু মানুহৰ স্বাভাৱিক গতি সেই অনুপাতে ক্ষিপ্ৰ নহয়। মানুহৰ এই অসুবিধা দূৰ কৰিবলৈ কাছিপাৰি সাজু হল আৰু ভালেমান দিনৰ অক্লান্ত চেষ্টাৰ ফলত ৰেল, মটৰকাৰ, এয়াৰোপ্লেন ইত্যাদিৰ সৃষ্টি হল? ধৰ্ম্মজগৎ বোলা, ভাৱৰাজ্য বোল, কাৰ্য্যক্ষেত্ৰবোলা, সকলো বিভাগতে মানুহে যি ফেৰা উন্নতি লাভ কৰিছে সেই ফেৰা সাজু হবৰ চেষ্টাৰূপ মহা সাধনাৰ ফল স্বৰূপেহে পাইছে। সমগ্ৰ পৃথিবীৰ গোটেইটো নৰসমাজে যেন এটা দুৰ্ব্বোধ্য বিৰাট সমস্যা ভঞ্জনৰ নিমিত্তে লৰাধপৰাকৈ সাজু হবলৈ ধৰিছে। এইদৰে সাজু হবৰ চেষ্টা থকা বাবেহে মনুষ্য সমাজৰ ক্ৰমোন্নতি। মনুষ্যেতৰ প্ৰাণীয়ে এইদৰে সাজু হব নাজানে। সেইবাবে সিহঁতৰ ক্ৰমোন্নতিও নাই।

'বিদ্যাৰপৰা' 'বিনয়', 'বিনয়ৰপৰা 'পাত্ৰত্ব', 'পাত্ৰত্বৰপৰা' 'ধন' 'ধনৰ' পৰা 'সুখৰ' উৎপত্তি হোৱাৰ দৰে, ওপৰত কৈ অহা উপায়ে 'সাজু' হবলৈ যত্নবান হলে, প্ৰথমতে সামৰ্থ্য লাভ হয়। কোনো মানুহে কোনো এটা কাম কৰিবলৈ সমৰ্থ হলে, সেই কাম কৰা নকৰা, তেওঁৰ অকল ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। অৱশ্যে, ইচ্ছাটোক কিছুমান নৈতিক শক্তিয়ে Moral

force) নিয়ন্ত্ৰিত কৰে। এনে ভালেমান কাম আছে যিবোৰ কৰিবলৈ আমবৰ শাৰীৰিক সামৰ্থ্য থাকিলেও নৈতিক সামৰ্থ্য নাই। ধৰ্ম্ম আৰু নীতি জানিবা ইচ্ছাৰ মুখৰ লেকাম। নৈতিক শক্তিৰ দুৰ্ব্বলতা বা সবলতাৰ অনুপাত অনুসাৰে ইচ্ছাৰ প্ৰাধান্য বা দৌৰাত্ম্য বাঢ়ে বা টুটে। Morally সাজু হোৱা বিষয়ে আলচ কৰাহে এই প্ৰবন্ধৰ মূৰ্খ্য উদ্দেশ্য।

যি, মদৰ নিছাত বলিয়া হোৱা মানুহৰ আচৰণলৈ ভালকৈ মন কৰিছে, তেওঁ নিশ্চয় দেখিছে, মদপীয়ে নোৱৰা কামটোলৈকো পাৰিম বুলি ধপ্ কৰে আগবাঢ়ে। নিছা থকা সময়ত ভুত পিশাচ বাঘ সাপ তাৰ মানে কত একোৱেই নহয়। তাক কৰহে লাগে, সি বাঘৰ নেগুৰ বা ফেটী সাপৰ টেটুত খামোছ মাৰি ধৰিবলৈ তত্তালিকে শুদা হাতে আগ বাঢ়িব, তেহেলৈ পাৰক বা নোৱাৰক। অকল মদবেহে যে নিছা আছে তেনে নহয়; যৌবন, ক্ৰোধ, মোহ, অহঙ্কাৰ ইত্যাদিবো একোটা নিছা আছে। নিছা নাই কিহৰ? মানুহক জানো "ভাতৰ বাগীয়ে" নধৰে?

ক্ৰোধ, মোহ, কাম ইত্যাদি স্বাভাবিক মনোভাববপৰা যি নিছা উৎপন্ন হয় তাক আমি মানসিক নিছা, আৰু বাহিৰা বস্তু ( যেনে মদ ভাং ইত্যাদি ) খাই যি নিছা উৎপন্ন, তাক আমি শাৰীৰিক নিছা বুলি ইয়াত উল্লেখ কৰিম। মনৰ লগত শৰীৰৰ বৰ ঘনিষ্ঠ সম্পৰ্ক। মদৰ নিছাৰ যেনে টেঙা ইত্যাদি antedote আছে, মানসিক নিছাবো সেই দৰে antedote আছে। জ্ঞান আৰু সংযমেই সেই antedote। জ্ঞান অকল antedote নহয়, প্ৰতিষেধকও অৰ্থাৎ যত জ্ঞান আৰু সংযমৰ বিকাশ তত এইবোৰ মানসিক নিছাৰ উৎপত্তি বা বৃদ্ধি হব নোৱাৰে। কেনেবাকৈ শাৰীৰিক বা মানসিক নিছাৰ উৎপত্তি হলে তাক তৎক্ষণাৎ দমাব লাগে। নহলে নানা বিপদৰ সম্ভাবনা।

যৌবন-মদ-মত্ত ডেকাৰ মনত কেতিয়াবা হস্তীৰ ঠেং এটাকো গোৰ মাৰি ভাঙিব পাৰিম যেন লাগিব পাৰে। কিন্তু এইটো যে মহাভ্ৰম সেইটো বোধ কৰোঁ সকলোৱে বুজে। ইয়াতে কৈ থোৱা উচিত যে সৎ কামত অপৰিমিত উৎসাহৰ মই নিন্দা কৰিব নোখোজোঁ। এনে অত্যুগ্ৰ উৎসাহৰ দ্বাৰাই সংসাৰত বহুত মহৎ কাম সিদ্ধ হৈছে। নেপোলিয়নে কোৱা



"There shall be no Alps" কথাষাৰ প্ৰবাদ বাক্যত পৰিণত হৈছে। কিন্তু মদপীৰ নিছা আৰু সাহীয়ালৰ উৎসাহ একে বস্তু নহয়। উৎসাহীয়ে জানি শুনি, বিপদৰ গুৰুত্ব আৰু নিজৰ শক্তিৰ পৰিমাণ সম্পৰ্কে নিৰ্ভুল ধাৰণা কৰি, নিজৰ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে, আৱশ্যক হলে, প্ৰাণ পৰ্য্যন্ত বলিদান দিবলৈ সাজু হৈ আগবাঢ়ে। মদপীৰ সম্বন্ধে সেই কথা নাখাটে।

সাহীয়ালৰ উৎসাহ আৰু নিছাৰপৰা উৎপন্ন হোৱা উৎসাহৰ পাৰ্থক্য সকলো ঠাইতে কট্‌ফটীয়াকৈ বিশ্লেষণ কৰি দেখুৱাবলৈ বৰ টান। নিৰুৎসাহীৰ মনত উৎসাহ সঞ্চাৰ কৰিবলৈ অৰ্থাৎ তাৰ মনত তাৰ নিজৰ শক্তি সম্বন্ধে ভ্ৰান্ত ধাৰণা জন্মাবলৈ কেতিয়াবা কেতিয়াবা হেনো মদ ব্যৱহাৰ কৰা হয়। মই শুনিছোঁ, যুদ্ধৰ প্ৰাৰম্ভতে যুদ্ধক্ষেত্ৰত হেনো চিপাহীবিলাকক মদ বিলোৱা হয়। এই কথা সঁচা হলে, ইয়াত দ'কৈ ভাবি চাবলগীয়া বহুত কথা আছে। প্ৰকৃত উৎসাহীৰ নিমিত্তে মদৰ আৱশ্যকতা নাই।

সি যি কি নহক, শাৰীৰিক বা মানসিক নিছাৰ কোবত, নিজক সমৰ্থ যেন অনুভৱ কৰি আগবঢ়া মানুহ, কাৰ্য্যক্ষেত্ৰত অপদস্থ হবৰ সম্ভাৱনা পদে পদে।

যেয়ে যিহকে খোজে তাক তিহকে দান দিবৰ সামৰ্থ্য বলি বজাৰ নাছিল; কিন্তু ঐশ্বৰ্য্য গৰ্ব্বান্ধ হৈ ভুলকৈ তেওঁ নিজক তেনে কৰিবলৈ সমৰ্থ যেন বুলি ভাবিছিল। তাৰ প্ৰতিফল তেওঁ পালে। ভুল সৎ উদ্দেশ্যত কৰিলেও "ভগৱান বিষ্ণুৱে"—ক্ষমা নকৰে।

যি একত ভাল, সি সকলোতে ভাল। যি জনে পুত্ৰৰূপে নিজৰ কৰ্ত্তব্য পালন কৰিবলৈ সমৰ্থ হৈছে, তেওঁ পিতাৰূপেও নিজৰ কৰ্ত্তব্য পালন কৰিবলৈ সমৰ্থ হব বুলি আশা কৰিব পাৰি। কিন্তু আমাৰ ভিতৰৰ বহুতে নিজৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কৰ্ত্তব্যবিলাকক সুকলমে সম্পাদন কৰিবলৈ অসমৰ্থ প্ৰমাণিত হৈও, ডাঙৰ কৰ্ত্তব্য সম্পাদন কৰিবলৈ নিজক সমৰ্থ যেন অনুভৱ কৰে। মোৰ মনটো নীচ, সঙ্কীৰ্ণ, স্বাৰ্থপৰ। মই হয়তো সামান্য কেৰাণী। কিন্তু গৱৰ্ণৰ জেনেৰেলৰ পদটো পালেও, গোটেই ভাৰত সাম্ৰাজ্য সুকলমে শাসন কৰিবলৈ নিজক সমৰ্থ যেন বিবেচনা কৰোঁ।

টেকেলাই বদে বৰবুৰে লৰি-ধাপৰি কাম কৰিও তাকৰ দৰমহা পায়। কেৰাণীয়ে মহাসুখে বহি কাম কৰিও সৰহ দৰ্ম্মহা পায়। কেৰাণীৰ কামৰ

মূল্য বুজিবৰ শক্তি টেকেলাৰ নাই। গল্পত আছে, টেকেলা এটাই কেৰাণীৰ খিয়াল লাগি হেনো প্ৰভুৰ সকলো কাম কেৰাণী নোহোৱাকৈয়ে চলাবলৈ নিজক সমৰ্থ যেন অনুভব কৰি তেনে কৰিবলৈ গাত লৈছিল। কিন্তু শেহত সি নিজৰ ভ্ৰম বুজিব পাৰিছিল।

সংসাৰযুদ্ধত জলাকলা হৈ কাপুৰুষৰ দৰে ৰণভঙ্গ দিয়া বহুতে লেংটী মাৰী ছাই ধঁহিলেই ধৰ্ম্মজগতত বুদ্ধ প্ৰভৃতি মহাপুৰুষৰ দৰে মোহবন্ধন মুক্ত "সিদ্ধাৰ্থ" হব পাৰিবলৈ নিজক সমৰ্থ যেন অনুভব কৰে। কিন্তু সেইটো যে ভুল অনায়াসে বুজিব পাৰি। যি কাপুৰুষ সি য'তে ত'তে কাপুৰুষ।

মোৰ দোকান চলাবৰ সামৰ্থ্য নাই, অৰ্থাৎ ব্যৱসায়ীৰ গাত যিবোৰ গুণ থাকিব লাগে, সেইবোৰ গুণ মোৰ গাত নাই। মোৰ মাত কঠুৱা, স্বভাৱ উগ্ৰ, বহুত চেষ্টা কৰিলেও মুখত হাঁহিৰ ছাঁ নপৰে। কিন্তু মই ধপ্ কৰে দোকান এখন পাতি চলাবলৈ বহিলোঁ। ভাবিলোঁ, "মোতকৈ কম বিদ্যা বুদ্ধিৰ মানুহেই দেখোন দোকান কৰি লাখে লাখে ধন ঘটিছে, মই নো নোৱাৰিম নে? মোৰ দোকান নচলা দেখিলে, আইনে অচাৰিত হক নহক, মই কিন্তু বৰ আচৰিত হওঁ। ভাবোঁ, "মানুহবোৰ মূৰ্খ, সিহঁতে মানুহ চিনি নাপায়।"

মই নৌবিদ্যা নাজানো, কিন্তু জাহাজৰ অধ্যক্ষ কাম কৰিবলৈ পাছ নোহোঁহকোঁ। ধুমুহাত পৰিলেহে পস্তাওঁ। খালাছিৰ (আন কি কুকুৰ মেকুৰীবো) পৰামৰ্শ লবকৈ ধৰফৰাই মৰোঁ।

মই কুটীল সংসাৰৰ চকৰিৰ তলত কোতিয়াও চেপাখোৱা নাই কিন্তু অভিজ্ঞ পিতাক নিচেই অকামিলা যেন বিবেচনা কৰোঁ আৰু নিজক ঘৰ-চলোৱা কামত বৰ পাকৈত যেন বুলি ভাবোঁ। টানত পৰিলেহে চিন ওলায়।

দীঘল ঠেঙীয়া বগলীক দীঘল দীঘল বেঙা মেলি খোজ কঢ়া দেখি, ঠেংচুটি ঘৰচিৰিকাইও হেনো সেই দৰে বেঙা মেলিব পাৰিব যেন অনুভব কৰি তেনে কৰিব খুজিছিল। কিন্তু তেনে চেষ্টাৰ ফলস্বৰূপে সি নিজৰ খোজকো পাহৰিলে। অন্ততঃ মানুহে তেনে বুলি ঘৰচিৰিকাক হাঁহে।



ঈগল চৰাইয়ে থাপ মাৰি ভেড়া নিয়া দেখি কাউৰীবো হেনো গা উঠিল। কিন্তু তেনে কৰিবলৈ গৈ কাউৰী হেনো ভেড়াৰ নোমত নিজেহে লাগি ধৰিলে।

অমুকে নিজ খুছিত মুক্ৰুপ কাম এৰি দিয়াত সকলোৱে তেওঁৰ কথাৰ আলচ কৰিছিল, তাকে দেখি যোগ্যতাহীন মই যদি মোৰ টেকেলা কামটো resign দি দেশবিখ্যাত হবৰ আশা কৰোঁ, তেনে হলে মানুহে হাঁহিবহে।

সামৰ্থ্য নথকাকৈয়ে মানুহে ভ্ৰমত পৰি নিজক সমৰ্থ যেন বুলি অনুভব কৰাৰ দৰে, প্ৰকৃতপক্ষে সাজু নোহোৱাকৈয়ে আমি বহুত সময়ত নিজক সাজু যেন বুলি অনুভব কৰোঁ। উত্তেজনাৰ সময়ত এনে ভুল বৰ বেছি কৈ হয়। আইন সময়তো হয়। এই বিষয়ে এটা ঘটনাৰ কথা বেছ মনত আছে। তলত ঘটনাটোৰ বৰ্ণনা কৰিলোঁ।

আজি প্ৰায় ১২। ১৩ বছৰ হল, মই এদিন আবেলি কলিকতাৰ "বৌবাজাৰ ষ্ট্ৰীট" আৰু "আপাৰ সাৰকিউলাৰ ৰোডৰ" সংযোগস্থলত "ফুট পাথৰ" ওপৰত থিয় হৈ, আলিবাটৰ ওপৰেদি বৈ যোৱা জনস্ৰোতৰ দৃশ্য চাই আছিলোঁ। ওচৰতে, কেইফুটমান আঁতৰত, ভৰিত দীঘল গুঁড়-লগা পঞ্জাবী জোতাৰে, আৰু মুখত ঘন "মিলিটেৰী" গোঁফ এজোৰেৰে, হটঙা বঙালী বাবু এজনেও গছৰ ছাঁত থিয় হৈ তাকে কৰিছিল হবলা। শকত ডাঙৰ পেটাল বঙালী বাবু য'তে ত'তে দেখিবলৈ পোৱা যায়। কিন্তু এনে আঁটিল গাৰ, হাতভৰি পোন দীঘল ডাঙৰ বঙালী বাবু কাচিৎহে চকুত পৰে। তেওঁৰ চেহেৰা আৰু সাধাৰণতঃ বঙালী বাবুৱে ব্যৱহাৰ নকৰা গুঁড়লগা জোতাই ইতিপূৰ্ব্বেই মোৰ অলপ দৃষ্টি আকৰ্ষণ কৰিছিল। কিন্তু অলপ পৰৰ পাছতে তেওঁ এনে এটা কাৰ্য্য কৰিলে যে, সেই দিনাৰ কথা আজিলৈকে মোৰ মনত বৈ গল। ঘটনাটো এইঃ—

মই থিয় হৈ আলিবাটৰ ফাললৈ চাই আছোঁ। ওচৰতে আন কেবাজন মানুহো থিয় হৈ আছে। এনেতে মোৰ পাছ ফালে, বাঁও হাতৰ পোনে, কিবা এটা চতপ্ কৰে উঠিল। মই তৎক্ষণাৎ পাছ ফাললৈ চালোঁ, কিন্তু ক'ৰপৰা যে শব্দটো হল তাৰ একোকে ঠিক কৰিব নোৱাৰিলোঁ। কিন্তু

দেখিলোঁ যে উল্লিখিত বঙালী বাবুজনে চাহাবৰ "বেহেৰা"এটাৰ আগত থিয় হৈ, ৰাৱণৰ গাত পাখিৰ কোব মাৰি জটায়ুৱে চোৱাৰ দৰে পোন্দোৱা চকুৰে তাৰ ফাললৈ একে থিৰে চাই আছে। কিন্তু মোৰ ভ্ৰম ভাগিবলৈ বেছি পৰ নালাগিল। কিয়নো, অলপ পৰ সেই দৰে থাকি,—এক মূহুৰ্ত্তৰ পাছতে বঙালী বাবুজনে বেহেৰাটোলৈ চাই গোঁজৰ মাৰি কলে,—"বেটা বদমায়েস্, চোখে দেখ্‌তে পাস্‌না ?" বেহেৰাটোৱে ইমান পৰ মোহমগ্ন ( Hypnotised ) মানুহৰ দৰে নিৰ্ব্বাক অৱস্থাত আছিল। কিন্তু বাবুয়ে এইবাৰ কথা কবৰ পাছত তাৰ মুখৰ মাত ওলাল। সি কিবাকিবি বকি কবিং ওফৰাদি উফৰি, ঠেলা গাড়ীত ( Perambulator ) তুলি ওলাবলৈ অনা চাহাবৰ লৰাটোক কোলাত তুলি লৈ, এখন হাতেৰে বাবুৰ মুখে নাকে পেটে ধমাধম্ ঘোছা মাৰিবলৈ ধৰিলে আৰু দাঁত কৰচি কৰচি বাবুক গালি পাৰিবলৈ ধৰিলে। বেহেৰাটো চুটি কিন্তু বাবু দীঘল হোৱা বাবে, বেহেৰাৰ ঘোছাত বাবুৰ বিশেষ ক্ষতি নহল, কিয়নো, বাবুৱে হাত পাতি ধৰি তাৰ আটাইবোৰ ঘোছা প্ৰায় হাতৰ ওপৰতেই receive কৰিলে। কিন্তু ঘটনাটোৰ বিশেষত্ব এই যে, বেহেৰাই উফৰি উফৰি বাবুক ঘোছা মাৰিবৰ সময়ত বাবুৱে তাৰ প্ৰতিদান নিদি কেৱল আত্মৰক্ষাৰ নিমিত্তে হাতখন পাতি ধৰিছিল মাথোন। আৰু "দেখ দেখ" বুলি কাতৰ ভাবেৰে, চিয়ঁৰি দৰ্শকবৃন্দৰ সহায়তা খুজিছিল। বেহেৰাটোৱে বাবুক হেঁপাহ পুৰাই ঘূঁছিয়াই, পাছত ফোঁপাই ফোঁপাই কলে "এখন কেমন পেলি ? কথা নেই বাৰ্ত্তা নেই, চট্ কৰে গালে চড় বসিয়ে দিলি !" ইত্যাদি। মই এতিয়াহে বুজিব পাৰিলোঁ "চতপ" শব্দটো কৰপৰা ওলাইছিল। ইয়াৰ পাছত চাহাবৰ লৰাটোক আকৌ ঠেলা-গাড়ীত বহুৱাই লৈ গালি পাৰি পাৰি বেহেৰা লাহে লাহে আঁতৰি গল। বাবু দাঁতেৰে ওঁঠ কামুৰি তাতে অলপ থিয় হৈ থাকি লাহে লাহে গুচি গল।

কথাটো হৈছিল কি :—বেহেৰাটোৱে ঠেলাগাড়ীত তুলি কেনোৱা চাহাবৰ লৰা এটা ফুৰাবলৈ আনিছিল। বাবুয়ে অইন ফাললৈ চাই থিয় হৈ থাকোঁতে সি কেনেবাকৈ ঠেলাগাড়িখন আনি বাবুৰ গাত খুন্দা খুৱাই দিলেহি। বাবুৱেও আগ পাছ নুগুণি পোনেই "বিনাশী সিন্ধা ওজনন" চৰ এটা বেহেৰাৰ গালত বহুৱাই দিলে। হঠাৎ চৰ খোৱাত গাত চৰগ পৰা মানুহৰ দৰে বেহেৰা অলপ পৰ তবধ লাগি ৰল, বাবুৱে কথা কবৰ পাছতহে সি জিভা বিচাৰি পাইছিল! মই যে কিবা এটা "চতপ্" শব্দ শুনিছিলোঁ সেইটো এই চৰৰ শব্দ।

বেহেৰাটো চুটি চাপৰ কলামলা। ছোটনাগপুৰৰ কুলী মানুহ মুছলমান হৈ, পত্‌লুং-চাপকন্-পাগিয়া পিন্ধি চাহাবৰ বেহেৰা কামত সোমালে দেখিবলৈ যেনে হয় ইও ঠিক তেনে। বাবুৰ অৱয়বৰ লগত তুলনা কৰিলে সি বাঘৰ আগত ছাগহে। তদুপৰি সি এখন হাতেৰে লৰাটোক কোলাত তুলি ধৰি, কেৱল এখন হাতহে বাবুৰ প্ৰহাৰ কাৰ্য্যত ব্যৱহাৰ কৰিছিল। বেহেৰাটো যে এটা কাপুৰুষ তাৰ কোনো ভুল নাই। নহলে, সি বাবুৰ লগত লাগিবলৈ যোৱাৰ আগেয়ে চাহাবৰ লৰাটোক গাড়ীৰপৰা কোলাত তুলি লব কিয়? সি জানিছিল যে সি বাবুক কোনোমতে বশে নোৱাৰে। সেই দেখি সি ভাবিলে, লৰাটো কোলাত থাকিলে বাবুৱে চাহাবৰ লৰাৰ গাত আঘাত লাগিবৰ ভয়ত তাক মাৰিবলৈ সাহ নকৰিব। অসম ৰজাই গৰুৰ ওপৰত বামুণ চিপাহী তুলি আগলৈ পঠাই বিনাৰণে যুদ্ধ জিকাৰ কৌশলৰ দৰে হল। বাবুৰ মনোভাব আৰু কাৰ্য্যৰ অলপ বিশ্লেষণ কৰি চালেই ইয়াৰ কাৰণ বেছকৈ বুজিব পৰা হব।

বাবু কাৰ্য্যক্ষেত্ৰৰ মানুহ নহয়। ঘটনাটো যে ইমানলৈ যাব পাৰে সেইটোও তেওঁ সমূলি টং কৰি চোৱা নাছিল হব পায়। "কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন" কামহে তেওঁ কৰি নিছিল। কৰ্ম্মফল যে কি হব তালৈ লক্ষ্য কৰা নাছিল। ( এইবাৰ কথা ধেমালিতহে কৈছোঁ, গীতাভক্তসকলে যেন সঁচাসঁচিকৈ কৈছোঁ বুলি অনুমান নকৰে )। মোটৰ ওপৰত যিবিধ কামত বাবুৱে হাত দিছিল সেইবিধ কামৰ নিমিত্তে সক্ষম হলেও, তেওঁ সম্পূৰ্ণৰূপে সাজু নাছিল। তেওঁ যদি নিজক "সাজু" বুলি ভাবিছিলও, সেইটো তেওঁৰ ভ্ৰমহে হৈছিল। এনে ভ্ৰমত পৰি কত মানুহে কত ঠাইত যে যেতিয়াই তেতিয়াই অপদস্থ আৰু বিপদগ্ৰস্ত হব লাগিছে তাৰ সীমা সংখ্যা নাই।

শ্ৰীজ্ঞানদানন্দ জগতী।

# বুৰঞ্জীৰ বিবিধ টোকা।

মহাৰাজা চক্ৰধ্বজ সিংহৰ দিনত মুছলমানবিলাকে আমাৰ দেশ আক্ৰমণ কৰিছিল। সেই সময়ত মোগল সেনাৰ যাই সেনাপতি আছিল ৰাজা ৰাম সিংহ। এওঁ আকবৰ বাদস্থাহৰ সুবিখ্যাত সেনাপতি ৰাজা মান সিংহৰ পুতেক। ৰাজা ৰাম সিংহই কোনো মতে আসাম সৈন্য পৰাস্ত কৰিব নোৱাৰি শেষত চক্ৰধ্বজ সিংহলৈ বাতৰি পঠালে "মহাৰাজে মোৰে সৈতে অকলৈ যি অস্ত্ৰ ইচ্ছা কৰে তাকে লৈ যুজক, মই যদি যুজত ঘাটোঁ। তেন্তে সকলো সৈন্য মই ওভতাই লৈ যাম।" ৰাজপুত বীৰ ৰাজা ৰামসিংহই মেভাবিলে যে এনে প্ৰথা আছিল অতি পূৰ্ব্বৰ Heroic age বা মহাভাৰতৰ দিনত। চক্ৰধ্বজ সিংহই ৰাজা ৰাম সিংহৰ আহ্বান আওকাণ কৰি নিজ সৈন্য আগুৱাবলৈ হুকুম দিলে। কেবা বছৰো যুজৰ পাছত মোগল সৈন্য পৰাস্ত হৈ ফিৰি গল।

* * *

ৰংপুৰৰ কাৰেংঘৰ, ৰংঘৰ সজা বঙ্গালী ধনিকৰ ঘনশ্যামৰ নাম বহুতে জানে। এইবিলাক অট্টালিকা সাজি এওঁ ৰাজাৰপৰা বটা লৈ দেশলৈ উভতি যাবলৈ ওলাইছিল এনেতে হঠাৎ এওঁক আবদ্ধ কৰা হল। এওঁৰ লগৰ সকলো বস্তু পৰীক্ষা কৰাত দেখা গল যে এওঁৰ এটি লোটাৰ দুখন তলি। দুইখন তলিৰ ভিতৰতে এখনি কাকত পোৱা গল আৰু সেই কাকতত ৰংপুৰৰ গড়, খাৱৈ আলি আদিৰ এটি নক্সা। ঘনশ্যামৰ দুৰভিসন্ধি জানিব পাৰি ৰজাৰ হুকুম মতে তেওঁৰ প্ৰাণ দণ্ড কৰা হল। সেই সময়ত ৰাজ কৰ্ম্মচাৰীবোৰৰ detective ক্ষমতা কেনে আছিল ইয়াৰপৰাই বুজা যায়।

* * *

কতিয়া-ই-ইব্ৰিয়াত গড়গাৱঁৰ বিবৰণ ভালকৈ লিখা আছে। এই বিবৰণ মতে গড়গাওঁ এখনি বৰ ডাঙৰ, সুন্দৰ আৰু সুৰক্ষিত নগৰ আছিল। এই নগৰলৈ সোমোৱা চাৰিখন পকি দুৱাৰ আছিল আৰু প্ৰত্যেকখনেই ৰজাৰ প্ৰাসাদৰপৰা ৬ মাইল দূৰৈত। এতিয়া সিংদুৱাৰ (সিংহদ্বাৰ) বুলি যি ঠাই আছে তাতে এখনি এনে যাই দুৱাৰ আছিল। নগৰৰ চাৰিওফালে খাৱৈ আৰু বহল ঢাপত কোটোহা বাঁহ ৰোৱা। এই বাহৰ প্ৰাচীৰ ইটা বা শিলৰ প্ৰাচীৰতকৈ শকত আছিল। ইয়াক ভেদ কৰা এক প্ৰকাৰ অসম্ভৱ আছিল। খাৱৈৰ মেৰ ২ মাইলতকৈও বেছি। ইয়াৰ ভিতৰতে কাৰেংঘৰ, সোলেংঘৰ ইত্যাদি আছিল।



* * *

ৰজাৰ সোলেং ঘৰটি ছকুৰি হাত দীঘল আৰু ডেৰ কুৰি হাত বহল। এই বৃহৎ ঘৰৰ চতি ধৰা ৬৮ টা চাৰি হতীয়া বেৰৰ খুটা। বেৰৰ কাঠত নানা ৰকমৰ মূৰ্ত্তি আৰু ফুলকটা আছিল আৰু চাৰিও পিনে বৰ ডাঙৰ ডাঙৰ পিতলৰ দাপোণবিলাক অৰা আছিল। মুছলমান গ্ৰন্থকাৰে লিখি গৈছে যে বাৰ হাজাৰ মানুহে এবছৰ কাম কৰি এই মনোৰম ঘৰটি তৈয়াৰ কৰি উলিয়াইছিল।

* * *

সোলেং ঘৰৰ ভিতৰত ৰজাৰ চৰা। মুখামুখিকৈ থকা চাৰিটা ডাঙৰ খুটাত আঙঠি লগোৱা আছিল। সেইবিলাকত এখন কৈ ৯ খন চন্দ্ৰাতপ অৰা হয়। এই ৯ খন চন্দ্ৰাতপৰ তলত ৰজাৰ সিংহাসন। বুঢ়া গোঁহাই বৰ গোঁহাই আদি ডাঙৰ ডাঙৰ বিষয়াবিলাকৰ সুকীয়া সুকীয়া নিৰ্দ্দিষ্ট বহা ঠাই আছিল। ৰজা সিংহাসনত বহা মাত্ৰকে জয়ঢাক আৰু ঘণ্টা বজোৱা হৈছিল।

* * *

আমাৰ দেশত সাধাৰণত আকালো নাই ভঁৰালো নাই। অৰণ্যে আকাল নাই ঈশ্বৰৰ অনুগ্ৰহত আৰু ভঁৰাল নাই আমাৰ সোৰোপা স্বভাৱৰ বাবে। বুৰঞ্জীৰপৰা কিন্তু দেখা যায় যে ১৫৮৭ শকত আমাৰ দেশত ভয়ানক আকাল হৈছিল। বৰষুণ নোহোৱাৰ বাবে খাল বিল সকলো শুকাই গৈছিল। অনেক ঠাইত বৰ দ নাদ খানিহে মানুহে পানী পাইছিল। দেশত শহ এই বছৰ একেবাৰে হোৱা নাছিল। খাবলৈ নেপাই বহুত মানুহ মৰিছিল। এনে আকাল পাছতো হোৱা শুনা নাযায়।

* * *

ইংৰাজী ১৮৯৭ চনৰ বৰ ভুঁইকঁপৰ নিচিনা এটি ভুঁইকঁপ ১৬৩৭ শকতো আমাৰ দেশত হৈছিল। মহাপুৰুষ দামোদৰ দেৱৰ চৰিত্ৰতো আৰু এটি ভুঁইকঁপৰ কথা লিখা আছে। এই ভুঁইকঁপ ১৫১৮ শকত হৈছিল। এই

শকতে মহাপুৰুষ মাধৱ দেৱৰ মৃত্যু হয়। দুই বাৰেই অনেক ঠাইত মাটি ফাটি পানী আৰু বালি ওলাইছিল। পিছৰ বাৰত ৰজাৰ অট্টালিকা এটি ভাগে। এনে ঘন ঘনকৈ আমাৰ দেশত ডাঙৰ ভুঁইকপ হোৱা বাবেই পুৰণি দল ঘৰ আদিৰ চিন খুব কম আজিকালি দেখা যায়, আৰু এই বাবেই পকী ঘৰ কৰা নহৈছিল। ৮ দামোদৰ গুৰু কোচ ৰাজধানী বিজয়পুৰত থকা সময়তে শেষৰ বাৰ ভুঁইকপ হয়। এই বাৰৰ ভুঁইকপৰ কথাও বুৰঞ্জীত পোৱা যায়। ইয়াৰ পাছত যি ভুঁইকপ হৈ হৈ গৈছে সেইবিলাক ইংৰাজী ১৮৯৭ চনৰ ভুঁইকপৰ নিচিনা বলী নহয়।

---

# কিতাপৰ চমু সমালোচনা।

"তিকতাৰ আত্মদান" (কাব্য) :—"কমতাপুৰ ধ্বংস কাব্য" লিখকৰ আৰু এখনি ন কিতাপ। পুথিখনি পাই আমি বৰ সন্তোষ পাইছোঁ, ই নিশ্চয় আমাৰ জাতীয় সাহিত্যৰ ভঁৰাল বঢ়ালে। অসমৰ বাণী জয়মতীৰ ঘটনাটি লৈয়ে লিখকে এই পুথিখনি লিখিছে, পুথিখনিত লিখকৰ স্বাভাবিক কাব্যশক্তি ফুটি পৰিছে। কিতাপখনিৰ ভাষা নিচেই সহজ, সৰলা আৰু পঢ়িবলৈ ভাল লগা হৈছে। জয়মতীৰ করুণ কাহিনী আসামত সকলোৱে জানে। লিখকে তাকে ভাব আৰু ভাষাৰে সজাইপৰাই পটখনি আৰু মনমোহা কৰি অসমীয়াৰ আগত তুলি ধৰাৰ কাৰণ তেখেতে আমাৰপৰা নথৈ শলাগ পাইছে। লৰা ৰজাৰ অত্যাচাৰৰ হাত সাৰিবলৈ জয়মতী আৰু গদাপাণি দুয়ো মনে মনে হাবিত লুকাই আছিল। পতিপ্ৰাণা জয়মতী পতিৰ সুখৰ কাৰণেই ব্যস্ত, হাবিৰ মাজত খাবলৈ নেপাই জয়মতীয়ে কত দুখ কষ্ট সহিছে আৰু যি অলপ পাই তাৰেই দুয়ো খাইবই থাকে। গদাপাণিয়ে জয়মতীৰ দুখ দেখি বেজাৰ কৰি কৈছে :—

> "কুমলীয়া লতা হায়! নীৰস মাটিত প্ৰিয়ে,
> নাপালে ওৰিত ৰস জীয়ে কত দিন?
> অকালত হায়! মোৰ কুমলীয়া লতা
> নীৰস বিবৰ্ণ শোভা হীন"

কিন্তু কি কৰিব উপায় নাই। ইমান দুখৰ মাজতো তেওঁবিলাকে শান্তিৰে



থাকিবলৈ নেপালে। কাৰণ গদাপাণি জীয়াই থাকিলে লৰা ৰজাৰ মনত সুখ নাই। তেওঁ ৰাজ্য ভোগ কৰিব নোৱাৰে।

> "ৰাজ্য সুখ ৰাজ ভোগ একোৱে নহয়
> জীয়াই থাকোঁতে মোৰ চিৰ শত্ৰু গদা।"

লৰা ৰজাৰ চাওডাঙ্গে তেওঁবিলাকক ইয়াতে বিচাৰি পালেহি। গদাপাণিয়ে জয়মতীক এৰি যাব নোখোজাত জয়মতীয়ে নানাৰকমে বুজাই বুজাই কান্দি কান্দি কলে—

> "তোমাৰ মৃত্যুত নাথ হানি আহোমৰ
> (আহোম ৰাজ্যৰ) কোনে দমাব বিপ্লৱ?"

জয়মতীৰ কাতৰ প্ৰাৰ্থনাৰ হাত এৰাব নোৱাৰি গদাপাণি হাবিৰ মাজেদি পলাই গল। কাৰণ গদাপাণিয়ে বুজিলে যে অসমৰ বিপ্লৱ দমাবৰ কাৰণে আৰু অত্যাচাৰৰ প্ৰতিশোধ লবৰ কাৰণে তেওঁ জীয়াই থকাৰ আৱশ্যক। ইফালে চাওডাঙ্গে গদাপাণিক নেপাই জয়মতীকে ধৰি লৈ গল, জয়মতীৰ কাকুতি মিনতিলৈ সি অলপো কাণ নকৰিলে আৰু কান্দোনেও তাৰ হিয়া কোমলাব নোৱাৰিলে। কাৰণ—

> "পৰ্ব্বতৰ শিলগুটি কতনো বছৰ থকে
> পৰি পৰি পৰ্ব্বতৰ নইৰ পানীত,
> তথাপি অলপ হায়! নহয় কোমল,
> পমিব কি কান্দোনত কঠুৱাৰ চিত?"

জয়মতী প্ৰতিজ্ঞাত অটল, লৰা ৰজাই নানা ভয় দেখুৱাইও একো কৰিব নোৱাৰিলে, লৰা ৰজাই শাস্তিৰ কথা কোৱাত জয়মতীয়ে নিৰ্ভয়ে উত্তৰ দিলে,

> "যি যি শাস্তি আছে মানে দিয়ে থাকা মোক
> তথাপি নকওঁ মই কথা সোৱামীৰ ;"

ৰজাৰ চেষ্টা কৰিলেও গদাপাণিক ধৰাব নোৱাৰ বুলি লৰা ৰজাই জয়মতীক কোৱাত জয়মতীয়ে আকৌ নিৰ্ভয়ে উত্তৰ দিলে,

> "ধাধিব পাৰিম বুলি কোৱা নাই মই ;
> কিন্তু মোৰ, (হায়! এই অভাগীৰ পৰা
> তেওঁৰ অলপ যেন দুৰ্গতি নহয়"

তাৰ পিছত জয়মতীৰ ওপৰত উৎপীড়ণৰ আৰম্ভ হ'ল, তত্ৰাচ গদাপাণিৰ সংবাদ উলিয়াব নোৱাৰিলে। গদাপাণিয়েও ইফালে বেজাৰতে ব্যাকুল

তত্রাচ তেঁও বেজাৰত ভয় পৰা নাছিল, তেঁও অকলেই দুটা চাণ্ডালক বেবি ধৰাটো সিইঁতক হৰুৱাই নিজৰ প্ৰাণ ৰখালে। তেওঁ মনৰ সোঁত ঠেলিব নোৱাৰি দুবাৰ ছদ্মবেশেৰে জয়মতীক দেখা দি তেঁওক পতিৰ সংবাদ কবলৈ কৈছিল, কিন্তু একোতেই জয়মতীৰ মন বিচলিত নহল আৰু তেঁও আকাৰে ইঙ্গিতে গদাপাণিক তাৰপৰা যাবলৈ ক'লে। নিৰূপায় গদাপাণি বেজাৰ মনেৰে গুচি গ'ল। এই দৰে কেবাদিনো স্বামীৰ কাৰণে অশেষ যাতনা সহ্য কৰি আসামৰ নাম ধন্য কৰি, সতীকুলৰ ৰাণী জয়মতীয়ে ইহ সংসাৰ ত্যাগ কৰিলে।

"থাকে মানে চন্দ্ৰ সূৰ্য্য আকাশ মাজত
টুকিব জগতে হায়, চকু লো দুধাৰ
থাকিব যিমান দিন অসমীয়া জাতি,
জগতত ৰব নাম অসম ভূমিৰ—
থাকিব তোমাৰ ছবি হৃদয়ত অকা
ততদিন হেবা সতি। আসাম বাসীৰ।"

আৰু.

"তথু আশীৰ্ব্বাদ বলে হোক ঘৰে ঘৰে
জন্ম শত জয়মতী আসাম মাজত,,"

জয়মতী মৰাৰ বাতৰি গদাপাণিয়ে সপোনত পোৱা চিত্ৰটি লিখকে বৰ সুন্দৰ ভাৱে বৰ্ণাই তেখেতৰ কল্পনা শক্তিৰ সুন্দৰ ভাৱে পৰিচয় দিছে। প্ৰকৃতিৰ পট অকাঁতো লিখক এজন নিপুণ ধনিকৰ, তাৰ কেৱল দুটিমান তলত চানেকি দিলোঁ।

"দেখা দিলে পুব ফালে বঙ্গচুৰা বেলিটিয়ে
বনৰ চৰায়ে গায় নানাসুৰে গান,
ধীৰে ধীৰে আহে যায় পুৱাৰ বতাহ জাকি
নচুৱাই লাহে লাহে বিবিধৰ পাত,"

আকৌ এঠাইত আছে

"শীতল বতাহ বলে নিৰ্ ৰিৰ্ ধীৰে ধীৰে
প্ৰকৃতি মিচিকি হাঁহে (শোভা সৌন্দৰ্য্যত ভাহে)
নতুন ৰূপত পুনু শোভে ত্ৰিভূবন
জগত বাসীৰ কৰি প্ৰাণ বিমোহন" ইত্যাদি

এনেকুৱা সুন্দৰ বৰ্ণনা কিতাপখনিৰ কেবা ঠাইটো পোৱা যায়। সেই দেখিহে কইছোঁ যে কিতাপখনি পঢ়িবলৈ বৰ ভাল লাগে।



কিন্তু কিতাপখনিৰ মাজে মাজে কেইবাটাও দোষ থাকি গ'ল। আমি কেৱল তাৰ দুটি মানলৈ হে আঙুলিয়াম। এবাৰ পঢ়িলেই বুজিব পাৰি যে লিখকে কিতাপখন বৰ বেগাবেগিকৈ লেখিছে, তাকে নকৰি যদি লিখকে দুবাৰ এবাৰ লুটিয়াই হাত ফুৰালেহেঁতেন আমাৰ বোধৰে ই আৰু ভাল হ'লহেতেন। কাৰণ যি জনে "কমতাপুৰ ধ্বংস-কাব্য" লেখিছে তেঁও নিশ্চয় এই কাব্যখনি আৰু মনমোহা কৰি লেখিব পাৰিলেহেতেন। এই দোষতেই কিতাপৰ বহুত ঠাইত কিছুমান দোষ আৰু বিস্তৰ বৰ্ণাশুদ্ধি থাকি গ'ল, "নীৰস" 'নীৰৱ" এনে জোটনি দেখি আমিও নীৰৱে থাকিব লগীয়া হ'ল। আশা কৰোঁ লিখকে দ্বিতীয় তাঙ্গৰণত এই বৰ্ণাশুদ্ধিবিলাক শুধৰাই দিয়ে। প্ৰথম সৰ্গৰ প্ৰায় আধাখিনি মান বাদ দিয়াহেতেনো আমাৰ বোধেৰে কিতাপৰ সৌন্দৰ্য্য অটুত থাকিলহেতেন। অসমীয়া কবিতাৰ মাজত শাৰীয়ে শাৰীয়ে বিদেশী শব্দ সুমাই বাটত উজুটি খাবলৈ দিয়াৰ মানে আমি বুজিব নোৱাৰিলোঁ, যেনে

"........পাতি মহা কুট-জাল
ডন্ কেনৰ প্ৰাণ মেকৃবেথৰ হাতত
শুনাই ভবিষ্য বাণী দুটি অৰ্থ থকা
পিশাচীৰ মুখে হায়!........"

এনেকুৱা "কটমটীয়া" শাৰীৰেই প্ৰায় প্ৰথম সৰ্গৰ আধাখিনি পূৰ্ণ। লিখকে কল্পনাক তেখেতৰ লগৰীয়া হবলৈ আৱাহন কৰিছে, বেছ কথা, কিন্তু কল্পনাক ইমান অসংযত ভাৱে এৰি দিয়াৰ আৱশ্যক কি? সকলোৰে এটি সীমা আছে, সেই সীমাৰ ভিতৰত থকা শ্ৰেয়, কিতাপখন বেগাই লিখাৰ কাৰণে, দুটি এটি সুন্দৰ মনমোহা বৰ্ণনাৰ মাজত এটা দুটা ইমান "কটমটীয়া" কঠুৱা শব্দ সুমাই দিছে যে সি সেই বৰ্ণনাৰ সৌন্দৰ্য্য মাটি কৰি ঠিক যেন "দেৱকন্যা কাষে যেন কলী মলী পিশাচিনীৰ" দৰে হৈছে আৰু এঠাইত আছে,—

"একেটি ডালতে হায়! একেটি ঠাৰিতে
ফুলিছিলে দুটি এটি সুন্দৰ গোলাপ ফুল
মিচিকি মিচিকি হাঁহি একেটি হাঁহিতে,
মলয়া বায়ুত যেন সেই দুয়ো পাহি ফুলে
নাচিছিলে হালি জালি দুয়ো দুয়ে চাই,
চেঙ্ চেঙ্ কৰে হায়! বহাগ মহীয়া বদ" ইত্যাদি।

এই দৰে কেৱাঠাইটো কিতাপখনত স্বাভাৱিক কবিত্ব শক্তিৰ বিকাশত বাধা পাইছে আৰু কেৱাঠাইটো বলেৰে হেঁচা মাৰি ছন্দ মিলাৰ লগাত পৰিছে। কিতাপখনত বিস্তৰ ইংৰাজী Quotations আছে। তাৰে কিছুমান পিছৰ বৰ্ণনাৰে সৈতে মিলি গৈছে আৰু কিছুমান মিল হোৱা নাই। যেনে অষ্টম সৰ্গত

Shelley "Out of the day and night,
A joy has taken flight" &

এই কবিতাটো তুলি দিয়া ঠিক হোৱা নাই। Shelleyৰ Lament নামেৰে কবিতাটি যেয়ে পঢ়িছে সেয়ে আমাৰ এই কথাৰ মৰ্ম্ম বুজিব। কবিতাৰ কিতাপত ইমান বিস্তৰ Quotations দিয়াৰ একো আৱশ্যক নেদেখোঁ, কাৰণ ইয়াত কিতাপৰ সৌন্দৰ্য্য বঢ়াতকৈ কমে বুলি হে আমাৰ বিশ্বাস। উপন্যাসত অৱশ্যে বেলেগ কথা, কিন্তু তাতো Too much of every thing is bad, তাৰ পিছত মাজে মাজে লিখকে ভাবৰ সোঁতত গৈ জয়মতীৰ কথা পাহৰি অইন বাহিৰা বা নিজৰ কথা আনি কিতাপৰ ভিতৰত সুমাইছে। সেইটো ঠিক নহয়, হয় সেইবোৰ ওপৰঞ্চিত দিয়া উচিত, নহয় সেই বিষয়ে বেলেগে কবিতা লেখা উচিত। কিতাপখনিত ছপাৰ ভুলৰ বিষয়ে কোৱা বাহুল্য মাত্ৰ আৰু কবলৈ শোক লাগে। ইয়াৰ কাৰণেই যে কিতাপৰ সৌন্দৰ্য্য কিমান নষ্ট হৈছে তাক পাঠক মাত্ৰেই জানে। আমি কেৱল ইয়াকে কওঁ যে লিখকে যিমান সোনকালে পাৰে এবাৰ হাত ফুৰাই কিতাপখন নতুনকৈ ছপাই উপহাৰ দিবলৈ উপযোগী কৰি সিমান সোনকালে উলিয়াওক। কিতাপখন ভাল হৈছে দেখিহে আমি এই কেইষাৰি কথা কলোঁ, সেইবাবে লিখকে যেন আমাৰ দোষ মাৰ্জ্জনা কৰে, কাৰণ কিতাপখনি নিখুঁত আৰু নিৰ্ভুল হোৱাহে আমাৰ উদ্দেশ্য।

অৱশেষত আমি লিখকক খাটোঁ যেন তেখেতে, আমাৰ দেশৰ পাহৰি যোৱা পুৰণি কলীয়া ঘটনাবিলাক বাছি বাছি লৈ এনে দৰে দুপাহি এপাহি ফুল মাজে মাজে মাতৃৰ পূজাৰ কাৰণে শৰাইত সজায়। কাৰণ আমাৰ বিশ্বাস লিখকে ইচ্ছা কৰিলে এনে কাম সাধিব পাৰে।

পাঠক, যদিও জয়মতী আজি এই সংসাৰত নাই তথাচ আজি গোটেই অসম ভূমিয়ে সতীৰ মহিমাৰে মণ্ডিত হৈ নিজক নিজেই ধন্য মানিছে। সাম্বৰণিত আমিও লিখকৰ ভাষাৰে কওঁ,

"বহুকাল হ'ল আজি এৰিছে কুঁৱৰী
জয়মতী ( কুললক্ষ্মী আহোম কুলৰ )
ই যবত ভূমিত ভুমি যোৱাঁ দেখা গই
মূৰ্ত্তিমতী জয়মতী "জয় সাগৰত"

শ্ৰীসিন্ধুৰা।